www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

সৰু বুলি কাকো অৱহেলা নকৰিবা। তুমি সৰু বুলি উলাই কৰা বস্তু এটাই তোমাক কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব পাৰে। – গোটে

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ষষ্ঠ বছৰ ❒সংখ্যা - ২৫৮ ❒মঙ্গলবাৰ ❒১৬ ডিচেম্বৰ, ২০২৫ চন ❒২৯ আঘোণ, ১৯৪৭ শক ❒VOL - 6 ❒NO.- 258 ❒Tuesday ❒16th December, 2025 ❒মূল্য ঃ ১০.০০ টকা ❒মুঠ পৃষ্ঠা ঃ ৮

▪ কুঁৱলী আৰু প্ৰদূষিত ধোঁৱাই আগুৰি ধৰিছে নতুন দিল্লীৰ আকাশ-বতাহ ▪

# বিষাক্ত গেছ চেম্বাৰত পৰিণত দেশৰ ৰাজধানী

## ভয়াৱহ পৰিস্থিতিৰ বাবে সোমবাৰে ৬৬খন বিমান আৰু ৬০খন ৰে'লৰ যাত্ৰা বাতিল

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** বিষাক্ত গেছ চেম্বাৰত পৰিণত দেশৰ ৰাজধানী নতুন দিল্লী। কুঁৱলী আৰু প্ৰদূষিত ধোঁৱাই আগুৰি ধৰিছে দিল্লীৰ আকাশ। ভয়াৱহ পৰিস্থিতিৰ বাবে সোমবাৰে ৬৬খন বিমান আৰু ৬০খন ৰে'লৰ যাত্ৰা বাতিল হোৱাৰ লগতে বন্ধ কৰি দিয়া হৈছে বহু শিক্ষানুষ্ঠান। উল্লেখে যে দিল্লীৰ বতাহ এতিয়া হৈ উঠিছে বিহতকৈও ভয়ংকৰ। এনে পৰিস্থিতিত দিল্লী চৰকাৰে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে আৰু অধিক চৰম পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰদূষণৰ সৈতে মোকাবিলাৰ বাবে দিল্লীত গ্ৰেডেড একচন ৰেচপঞ্চ প্লেন (GRAP)ৰ Stage-3 ৬ পৃষ্ঠাত



বায়ু প্ৰদূষণৰ তীব্ৰতা বৃদ্ধি; অনলাইন পাঠদানৰ নিৰ্দেশ

## দিল্লীত নাৰ্চাৰীৰ পৰা পঞ্চম শ্ৰেণীলৈকে শাৰীৰিক ক্লাছ বন্ধ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** ৰাজধানী দিল্লীত বায়ু প্ৰদূষণৰ মাত্ৰা ক্ৰমশঃ ভয়াৱহ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। শিশুসকলৰ স্বাস্থ্যৰ ওপৰত প্ৰদূষণৰ বিৰূপ প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ নাৰ্চাৰীৰ পৰা পঞ্চম শ্ৰেণীলৈকে সকলো বিদ্যালয়ত শাৰীৰিক ক্লাছ সম্পূৰ্ণৰূপে বন্ধ ৰখাৰ নিৰ্দেশ জাৰি কৰা হৈছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে এই শ্ৰেণীসমূহৰ পাঠদান কেৱল অনলাইন ৬ পৃষ্ঠাত

ড্ৰপ আউট ৰোধ কৰিবলৈ পদক্ষেপ

## বিদ্যালয়ত শিক্ষাৰ্থী অনুপস্থিত থাকিলে পৰিয়াললৈ যাব SMS

একেলেথাৰিয়ে পাঁচদিন অনুপস্থিত থাকিলে যাব এই বাৰ্তা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** অসমৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি আৰু ড্ৰপআউটৰ সমস্যাৰ মূলতে ধৰিবলৈ এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। সোমবাৰে শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে সমগ্ৰ শিক্ষা অসমৰ ৬ পৃষ্ঠাত

নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয় অন্ত্যেষ্টিক্ৰিয়া

## পঞ্চভূতত বিলীন পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ নশ্বৰ দেহ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰত এক অপৰিসীম অৱদান থকা পদ্মশ্ৰী বঁটা প্ৰাপক প্ৰবীণ সাংবাদিক তথা দ্য আছাম ট্ৰিবিউন গ্ৰুপৰ চেয়াৰমেন ইমেৰিটাছ আৰু সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ শেষকৃত্য আজি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। ৬ পৃষ্ঠাত

এতিয়াও নিৰুদ্দিষ্ট তিনিজন

## ব্ৰহ্মপুত্ৰত সন্ধানহীন কৃষ্ণভক্তৰ এজনৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ জয়পুৰ-খাৰঘুলি অঞ্চলত ব্ৰহ্মপুত্ৰ নদীত গা ধুবলৈ গৈ যোৱা বুধবাৰে সন্ধানহীন হোৱা পাঁচগৰাকী কৃষ্ণভক্তৰ ৬ পৃষ্ঠাত

❑ তৰুণ প্ৰজন্মৰ নেতাৰ হাতত গধুৰ দায়িত্ব অৰ্পণ বিজেপিৰ ❑

## বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিৰ দায়িত্ব গ্ৰহণ যুৱ নেতা নীতিন নবীনৰ



শীঘ্ৰেই ৰাষ্ট্ৰীয় সভাপতিৰ দায়িত্ব অৰ্পণ কৰাৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰি ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে আজি নিৰ্বাচনী দায়িত্বৰ বাবে মুখ্য বিষয়াসকলৰ নাম ঘোষণা কৰিছে। বিজেপিৰ ৬ পৃষ্ঠাত

কৰ্মচাৰীসকলৰ প্ৰতিবাদ, তদন্ত সমিতি গঠন

## তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত সহকাৰী অধীক্ষকৰ বিৰুদ্ধে দুৰ্ব্যৱহাৰৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত এটা গুৰুতৰ অভিযোগে পৰিৱেশ উত্তাল কৰি ৬ পৃষ্ঠাত




▪ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে শুনানি ল'ব আদালতে ▪

## আজি জুবিন হত্যাৰ গোচৰৰ প্ৰথম শুনানি

চাৰ্জশ্বীটৰ প্ৰতিলিপি লৈ বাক্সা, হাফলঙলৈ ৰাওনা SITৰ দল



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** অসমৰ প্ৰাণপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত চাৰ্জশ্বীট দাখিল হোৱাৰ পিছতো ফাষ্টট্ৰেক ক'ৰ্টত বিচাৰ প্ৰক্ৰিয়া কেতিয়া আৰম্ভ হ'ব সেয়া এতিয়াও অনিশ্চিত হৈয়ে আছে। কিন্তু কাইলৈ (১৬ ডিচেম্বৰ) ৬ পৃষ্ঠাত




## উচ্ছেদৰ দাবীৰে পশ্চিম কাৰ্বি আংলঙত অব্যাহত অনিৰ্দিষ্টকালীন আমৰণ অনশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলঙ জিলাৰ খেৰণি অঞ্চলৰ ফেলাংপিত চলি থকা অনিৰ্দিষ্টকালীন আমৰণ ৬ পৃষ্ঠাত

## ছিডনীৰ বণ্ডি বিচত সন্ত্ৰাসবাদী গুলীচালনাত ১৫ জনৰ মৃত্যু, আহত ৪০ৰো অধিক

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ ছিডনীৰ বিখ্যাত বণ্ডি বিচত দেওবাৰে (১৪ ডিচেম্বৰ) সন্ধিয়া সংঘটিত হোৱা এক ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণে সমগ্ৰ বিশ্বক স্তব্ধ কৰি তুলিছে। ৬ পৃষ্ঠাত

পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ উদ্বোধন নৱ-নিৰ্মিত কাৰ্যালয়

## অসম ৰাজ্যিক পৰিবহণ নিগমৰ মুখ্য কাৰ্যালয়ৰ ঠিকনা সলনি



ৰূপনগৰত স্থাপন অসম ৰাজ্যিক পৰিবহণ নিগমৰ মুখ্য কাৰ্যালয়

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক পৰিবহণ নিগম (ASTC)ৰ মুখ্য কাৰ্যালয়ৰ ঠিকনা সলনি হৈছে। দীৰ্ঘদিনীয়া পল্টনবজাৰৰ পৰিবহণ ভৱনৰ পৰা এতিয়া নিগমৰ মুখ্য কাৰ্যালয় ৬ পৃষ্ঠাত

'শ্বহীদ বেদী' পুনৰ নিৰ্মাণৰ আধাৰশিলা ফলকত 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ ঠাইত লিখা হৈছে 'গুৱাহাটী বিশ্ববিদ্যালয়'

## গুৱাহাটী বিশ্ববিদ্যালয়ত আধাৰশিলা স্থাপনত মাৰাত্মক বানান ভুল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত আজি এটি লজ্জাজনক ঘটনা সংঘটিত হৈছে। বিশ্ববিদ্যালয়খনৰ সন্মানীয় উপাচাৰ্য প্ৰফেছৰ ননী গোপাল মহন্তই 'শ্বহীদ বেদী' ৬ পৃষ্ঠাত




ৰহা সমষ্টিত বিজেপিৰ শক্তি বৃদ্ধি

## অৰ্ধ শতাধিক কংগ্ৰেছ কৰ্মীৰ বিজেপিত যোগদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** অসমৰ ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত কচুবাৰীৰ মাধৱপাৰা গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত শনিবাৰে এক উৎসাহপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত অৰ্ধ শতাধিক কংগ্ৰেছ কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত ৬ পৃষ্ঠাত

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিলে ৫ শতাধিক চিঠি

## তেজপুৰ বিশ্ববিদ্যালয়ত উপাচাৰ্যৰ অপসাৰণৰ দাবীত ৯ ঘণ্টীয়া অনশন ধৰ্মঘট




**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ ডিচেম্বৰ ঃ** তেজপুৰ বিশ্ববিদ্যালয়ত দুৰ্নীতি আৰু বিত্তীয় অনিয়মৰ অভিযোগ উত্থাপিত ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

# কোকৰাঝাৰ-চিৰাং জিলাৰ ৰূপালী জয়ন্তী বৰ্ষৰ লাইখুঁটা স্থাপন



**অসম বাৰ্তা, বাসুগাঁও, ১৫ ডিচেম্বৰ ঃ** ভকত-বৈষ্ণৱৰ উদুলি-মুদুলি পৰিৱেশৰ মাজেৰে বাসুগাঁও চহৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ পৱিত্ৰ লাইখুঁটা স্থাপন কৰা হয়। কোঁচ ৰাজবংশী জনগোষ্ঠীৰ শৌৰ্য-বীৰ্জৰ প্ৰত্বীক নৰনাৰায়ণ-বিশ্ব মহাবীৰ চিলাৰায় শ্ৰীমন্ত শংকৰদেৱৰ নীতি আৰ্দশৰে সমাজখন পৰিচালনা কৰিছিল বুলি উল্লেখ কৰি মহাপুৰুষ শংকৰদেৱৰ নীতি আৰ্দশৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষ পালনৰ আজি লাইখুঁটা স্থাপনৰ অতিথি হিচাপে আমন্ত্ৰণ কৰাত আয়োজন সমিতিক গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে বি টি চিৰ মনোনিত পাৰিষদ কৰ্মেশ্বৰ ৰায়ে। অহা ৩ আৰু ৪ জানুৱাৰীত দুদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠানটি সাফল্যমণ্ডিত কামনা কৰাৰ লগতে এক লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ কথা উক্ত অনুষ্ঠানতে বিটিচি'ৰ মনোনিত পাৰিষদ কৰ্মেশ্বৰ ৰায়ে ব্যক্ত কৰে। অনুষ্ঠানটিত কমতাপুৰ স্বায়ত্ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য পূৰবী সৰকাৰ উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত হোৱাত সকলো প্ৰকাৰ সহযোগিতাৰ আশ্বাস দিয়ে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ সভাপতি অশোক কুমাৰ ভকতৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি সমিতিৰ সভাপতি ঠাকুৰ সিং ৰায়ে আগন্তুক কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ২৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ লগতে ৰূপালী জয়ন্তী বৰ্ষটি সকলোৰে সহায়-সহযোগ কামনা কৰি চমু বক্তব্য দাঙি ধৰে। বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেন চন্দ্ৰ মেধিয়েও অনুষ্ঠানৰ সাফল্য কামনা কৰি বক্তব্য দাঙি ধৰে। আদৰণী সমিতিৰ যুটীয়া সম্পাদক ৰূপম চন্দ্ৰ ৰায় আৰু জিলাৰ উপ সভাপতি বানেশ্বৰ ৰায়ে আঁতধৰা অনুষ্ঠানটিত বিশিষ্ট সমাজকৰ্মী তথা বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অমৃত নাৰায়ণ পাটগিৰি, বিশিষ্ট সমাজকৰ্মী তথা আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি শম্ভু ৰাজবংশীৰ উপৰিও বহুতো বিশিষ্ট গণ্য-মান্য ব্যক্তি উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আগন্তুক ৩ আৰু ৪ জানুৱাৰী তাৰিখে হবলগীয়া দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসুচীত দাতিকাষৰীয়া সংঘৰ জিলা শাখাসমূহ ক্ৰমে বঙাইগাঁও জিলাশাখা, ধুবুৰী জিলাশাখা, বিজনী জিলাশাখা আৰু বৰপেটা জিলাশাখাৰ ভকত-বৈষ্ণৱসকলৰ লগতে সেৱক-সেৱিকা আৰু শুভাকাংক্ষী ৰাইজসকল অংশগ্ৰহণ কৰিব বুলি আদৰণী সমিতিৰ সাধাৰণ সম্পাদক তপন কুমাৰ ৰায়ে জানিবলৈ দিয়ে।

মুকলি সভাত অংশগ্ৰহণ বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

# অবিভক্ত দৰং জিলা কোচ ৰাজবংশী সম্মিলনীৰ শতবৰ্ষ অনুষ্ঠানৰ সফল সামৰণি

**অসম বাৰ্তা, দেওমৰনৈ, ১৫ ডিচেম্বৰ ঃ** অবিভক্ত দৰং জিলা কোচ ৰাজবংশী সম্মিলনীৰ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দীঘিৰপাৰ হৰিমন্দিৰ প্ৰাঙ্গণৰ ৰাইজমেলৰ প্ৰতিষ্ঠাপক সভাপতি বসুন্ধৰ বৰুৱা আৰু সম্পাদক বিবহু বৰুৱা সৌঁৰণী ক্ষেত্ৰত অনুষ্ঠিত শতবৰ্ষীয় অনুষ্ঠানৰ সফল সামৰণি পৰিছে। তদুপলক্ষে পুৱা স্বচ্ছ অভিযান আৰু ভাগৱত পাঠৰ পিছতে উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৰু জ্যোতি দাসে। শোভাযাত্ৰাত দৰঙী কলা-কৃষ্টিৰ লগতে অসমৰ জাতি-জনগোষ্ঠী সমূহৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত হয়। দুপৰীয়া



মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে সভাপতিত্ব কৰা সভাখন উদ্বোধন কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই। কোচ ৰাজবংশী উন্নয়ন পৰিষদ, অসমৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱে আদৰণী ভাষণ প্ৰদান কৰা সভাত বিশিষ্ট গৱেষক, সাহিত্যিক অঞ্জন শৰ্মাই স্মৃতিগ্ৰন্থ উন্মোচন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক ড° দিলীপ বৰা নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা সভাত কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ভাষণ প্ৰসংগত কোচ ৰাজবংশীৰ ঐতিহাসিক সমলসমূহ উদ্ধাৰ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱক পৰামৰ্শ দিয়ে। সভাত দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, দৰং-ওদালগুৰি জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ড° প্ৰণৱ কুমাৰ শৰ্মা, মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস, বিটিআৰৰ মুদৈবড়ী সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# মাৰ্ঘেৰিটাত চিকিৎসা সেৱাৰ অভাৱত দেৱ শিশুৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৫ ডিচেম্বৰ ঃ** শনিবাৰে সন্ধিয়া ৬ মান বজাত মাৰ্ঘেৰিটা বাগানৰ শ্ৰমিক উদয় গোৱালাৰ ডেৰ মহীয়া শিশুটি জ্বৰ হোৱাৰ বাবে স্থানীয় মাৰ্ঘেৰিটা বাগানৰ চিকিৎসালয়লৈ নিয়া হৈছিল। কৰ্মৰত নাৰ্চ গৰাকী ঘৰৰ পৰা আহি শিশুটিৰ অৱস্থা জটিল হোৱাৰ বাবে মাৰ্ঘেৰিটা এফ আৰ ইউলৈ প্ৰেৰণ কৰে। অতি দুখৰ বিষয় যে, মাৰ্ঘেৰিটা এফ আৰ ইউত সেই সময়ত জৰুৰীকালীন সেৱাৰ চিকিৎসক গৰাকী চিকিৎসালয়ত উপস্থিত নাছিল। এই অভিযোগ তুলিছে ভুক্তভোগী পৰিয়ালটোৱে। এফ আৰ ইউত চিকিৎসক নাপায় মাৰ্ঘেৰিটা এফ আৰ ইউত কৰ্মৰত কৰ্মচাৰীয়েই ওচৰতে থকা মেফ্লাৰ নামৰ নাৰ্চিং হোমলৈ লৈ আহে যদিও কোনো চিকিৎসক তাতো পোৱা নগল। উপায়ন্তৰ হৈ বাগানৰ শ্ৰমিক উদয় গোৱালাই মেফ্লাৰাৰৰ পৰা একাধিক ক্ৰমে শিশু বিশেষজ্ঞ ড° পি কে বৰুৱা, ক'ল ইণ্ডিয়াৰ কেন্দ্ৰীয় চিকিৎসালয়, ছেৰিচ নাৰ্চিং হোম, আলি নাৰ্চিং হোমলৈকে চিকিৎসাৰ বাবে ঘূৰি ঘূৰি কোনো চিকিৎসক নোপোৱাত উপায়ন্তৰ হৈ ঘৰলৈ বুলি ঘূৰাই আনে। পিছত নিশা ১০ মান বজাত কৰুণ মৃত্যুক আকোৱালি ললে দেৱ শিশুটোৱে। পৰিয়ালটো এতিয়া শোকত ভাগি পৰিছে। পৰিয়ালৰ অভিযোগ যে, সঠিক সময়ত চিকিৎসা বা চিকিৎসক পোৱা হলে পুত্ৰহাৰা নহলোহেতেন। পৰিয়ালৰ লগতে চাহ জনজাতি ছাত্ৰ সন্থাৰ অভিযোগ যে মাৰ্ঘেৰিটা এফ আৰ ইউৰ জৰুৰীকালীন সেৱাত থকা চিকিৎসকৰ লগতে কৰ্মত গাফিলতি কৰা সকলো কৰ্মচাৰীকে বিহীত ব্যৱস্থা লবৰ বাবে দাবী জনাইছে।

সেৱা ভাৰতী পূৰ্বাঞ্চলৰ উদ্যোগ

# নামনি মাজুলীৰ আদিএলেঙী সত্ৰত চিলাই প্ৰশিক্ষণ উদ্বোধন



**অসম বাৰ্তা, উজনী মাজুলী, ১৫ ডিচেম্বৰ ঃ** সেৱা ভাৰতী পূৰ্বাঞ্চলৰ উদ্যোগত আজি নামনি মাজুলীৰ শ্ৰীলোহিত গাঁও পঞ্চায়তৰ আদিএলেঙী সত্ৰত মহিলাসকলৰ বাবে আজি এটা চিলাই প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰা হয়। এই উপলক্ষে আজি আদিএলেঙী সত্ৰ প্ৰাথমিক বিদ্যালয়ত এক উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। আজি দুপৰীয়া এঘাৰ বজাৰ পৰা আৰম্ভ হোৱা উক্ত উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে সেৱা ভাৰতী পূৰ্বাঞ্চলৰ যোৰহাট জিলাৰ বিভাগ সংযোজক বাবুল নেওগে। অনুষ্ঠানত আয়তীৰ উৰুলি আৰু হৰিধ্বনিৰ মাজত ফিতা কাটি আনুষ্ঠানিকভাৱে আদিএলেঙী সত্ৰৰ চিলাই প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰে ৰাষ্ট্ৰীয় সেৱা ভাৰতী আৰু অখিল ভাৰতীয় মহামন্ত্ৰী তথা সেৱা ভাৰতী পূৰ্বাঞ্চলৰ অসম ক্ষেত্ৰ প্ৰচাৰক সুৰেন্দ্ৰ তাল ক্ষেতকৰে। তাৰপিছত মাজুলী জিলা সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সভাপতি ললিত চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। বাবুল নেওগে আঁত ধৰা উক্ত অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে সেৱা ভাৰতীৰ হাৰিয়ানাৰ সংঘ প্ৰচাৰক সুধীৰ কুমাৰে। নিজৰ ভাষণত তেওঁ মহিলাসকলক সন্মুখৰ নেতৃত্ব লৈ স্বাৱলম্বনৰ পথ হিচাপে চিলাই শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে সুৰেন্দ্ৰ তাল ক্ষেতকৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে আদিএলেঙী সত্ৰৰ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি শিশুৰাম বৰা, প্ৰাক্তন সভাপতি সুনন্দ হাজাৰিকা, আদিএলেঙী সত্ৰৰ বৰ নামলগোৱা কৃষ্ণৰাম হাজৰিকা আদিয়ে ভাষণ প্ৰদান কৰে। উক্ত, চিলাই প্ৰশিক্ষণ অনুষ্ঠানত নামনি মাজুলীৰ বিভিন্ন প্ৰান্তৰ শতাধিক মহিলাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত সেৱা ভাৰতী পূৰ্বাঞ্চলৰ প্ৰান্ত: গ্ৰাম বিকাশ প্ৰমুখ বিপ্লৱ ৰয়, অৰুণা দাস, ৰীতা মণি কুলি, কামেশ্বৰ পগাগ, অম্বিৰাম মিলি আৰু অঞ্জনা দাসে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। উক্ত, অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বাবুল নেওগে আৰু কল্যাণ মন্ত্ৰ পৰিৱেশন কৰে অৰুণা দাসে।

# তৃণমূল পৰ্যায়ত পক্ষী সংৰক্ষণৰ সজাগতাৰ গুৰুত্ব প্ৰদান কৰিব লাগিব; যোৰহাট বিজ্ঞান চ'ৰাত পক্ষীবিদ শান্তা শৰ্মা

**অসম বাৰ্তা যোৰহাট, ১৫ ডিচেম্বৰ ঃ** চৰকাৰী আৰু বেচৰকাৰী ভাবে তৃণমূল পৰ্যায়ত পক্ষী সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিত অধিক। গুৰুত্ব প্ৰদান কৰিব লাগিব। এইক্ষেত্ৰত জনসাধাৰণ অধিক সচেতন আৰু সচেষ্ট হ'ব লাগিব। অন্যথা পক্ষী হত্যা ৰোধ কৰাত সফলতা লাভ কৰিব নোৱাৰিব। যোৰহাট বিজ্ঞান চ'ৰাৰ ৫৬ সংখ্যক বৈঠকত ১৩ ডিচেম্বৰত যোৰহাটৰ বিশিষ্ট বন্যপ্ৰাণী সংৰক্ষক তথা পক্ষীবিদ শান্তা শৰ্মাই এইদৰে বক্তব্য প্ৰদান কৰে। পক্ষী সংৰক্ষণৰ ক্ষেত্ৰত যোৰহাটত দীৰ্ঘ কাল ধৰি প্ৰচেষ্টা চলোৱা প্ৰকৃতিপ্ৰেমীগৰাকীয়ে বালিমাহী চৰাই পৰিভ্ৰমী পক্ষীৰ ভিতৰত বছৰত প্ৰথম আহে বুলি কয় আৰু চাকৈচকোৱা চৰাই একেবাৰে শেষত উভতি যাই বুলি প্ৰকাশ কৰে। পাৰিপাৰ্শ্বিক অনুষ্ঠান প্ৰকৃতিৰ প্ৰতিষ্ঠাপক তথা চৰাইৰ বিষয়ে বিভিন্ন কাকত, আলোচনীত প্ৰবন্ধ লিখাৰ লগতে গ্ৰন্থ প্ৰণয়ন কৰা পৰিৱেশ কৰ্মীগৰাকীয়ে চৰাইয়ে কণীৰ চোকোৰা হ'বৰ কাৰণে ধান খাই আৰু এই সুবিধা গ্ৰহণ কৰিয়েই দুষ্কৃতিকাৰীয়ে পক্ষী নিধন কৰি আহিছে বুলি ব্যক্ত কৰে। অসম বিজ্ঞান সমিতিৰ উপসভাপতি ৰমেন গগৈয়ে পৰিচালনা কৰা বৈঠকত মুখ্য আলোচকৰ পৰিচয় প্ৰদান কৰে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ শৈক্ষিক বিষয়া পূৰবী দেৱীয়ে। যোৰহাট পৰিৱেশ মঞ্চৰ সম্পাদক বেদান্ত দত্তই শলাগ জনোৱা বৈঠকত অৱসৰপ্ৰাপ্ত চাহ বিজ্ঞানী ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ, কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ইন্দিৰা বৰুৱা, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপক ড° অতনু দত্ত, জিষ্টৰ অধ্যাপক ড° মনীষা ৰাজখোৱা, প্ৰধান শিক্ষক পৰমেশ্বৰ কৃষ্ণাত্ৰেয়, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজকুমাৰ গুপ্তা, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ শৈক্ষিক বিষয়া পলাশি বৰা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে।

# সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা সফল সমাপ্তি



**অসম বাৰ্তা, জাঁজী, ১৫ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত তথা মালৌআলি কমলাবৰীয়া বুঢ়া নামঘৰৰ সমূহ ৰাইজৰ উদ্যোগত লগতে 'ইত্যাদি' উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চ আৰু দাতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত যোৱা ২৯ নৱেম্বৰৰ পৰা ০৭ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা ০৭ ডিচেম্বৰত অন্ত পৰে। আনহাতে প্ৰতিযোগিতাত যোৰহাটৰ কলাগুৰু সাংস্কৃতিক গোষ্ঠীয়ে পৰিৱেশন কৰা 'কাম্যক নন্দিনী' ভাওনাই প্ৰথম স্থান লাভ কৰাৰ লগতে যোৰহাটৰ কৃষ্ণ শংকৰ নাট্যগোষ্ঠীৰ শকুনিৰ প্ৰতিশোধ, ডেকাগিৰি সাংস্কৃতিক সংঘৰ ধ্ৰুৱ চৰিত্ৰ আৰু শংকৰ মাধৱ নাট্যগোষ্ঠীয়ে পৰিৱেশন কৰা অম্বাৰ দেহত্যাগ ভাওনাই ক্ৰমে দ্বিতীয় তৃতীয় আৰু চতুৰ্থ স্থান লাভকৰে। লগতে চল্লিশটা ব্যক্তিগত শিতানত পুৰস্কাৰ প্ৰদান কৰা হয়। দৰ্শকৰ অভুতপূৰ্ব সঁহাৰিৰ মাজেৰে এখন উচ্চ মানবিশিষ্ট মাতৃভাষাৰ ভাওনা প্ৰতিযোগিতা সমগ্ৰ অসমতে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সৌজন্যত পোনপ্ৰথম বাৰৰ বাবে অনুষ্ঠিত হয়।

# সৰুপথাৰ বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বিনা গগৈৰ দেহাৱসান

**অসম বাৰ্তা, ধনশিৰি, ১৫ ডিচেম্বৰ ঃ** সৰুপথাৰ নগৰৰ বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বিনা গগৈৰ পৰলোকপ্ৰাপ্তি। সোমবাৰে পুৱা ৭বাজি ৫০মিনিটত তেখেতৰ বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। বিনা গগৈ সৰুপথাৰ অঞ্চলৰ এগৰাকী বিশিষ্ট সমাজ সেৱিকা আছিল। তেওঁ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু সংগঠনৰ লগত জড়িত হৈ সৰুপথাৰ অঞ্চলত বহুতো সামাজিক কামকাজ কৰিছিল। বিনা গগৈ সৰুপথাৰ বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰী হিচাপে কাম কৰি ২০০৩চনৰ ৩০ অক্টোবৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে। তেখেত একাধাৰে অসম সাহিত্য সভাৰ আজীৱন সভ্য, সৰুপথাৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, শাখা সাহিত্য সভাৰ প্ৰথমটো স্থায়ী কাৰ্যালয় নিৰ্মাণৰ অন্যতম হোতা, সুকবি, অসম লেখিকা সমাৰোহ সমিতিৰ সৰুপথাৰ আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সম্পাদিকা, সদৌ অসম লেখিকা সমাৰোহৰ কাৰ্যবাহী সদস্য, সৰুপথাৰ আঞ্চলিক মহিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী, প্ৰাক্তন সম্পাদিকা, সৰুপথাৰ নগৰ সমিতিৰ উপ-সভানেত্ৰী আৰু অল ইণ্ডিয়া ক্ৰান্তি অ'মেনৰ সদস্য হিচাপে কাম কৰিছিল। বিনা গগৈ এগৰাকী সুকবিও আছিল। তেখেতে লিখা কেইখনমান কবিতা পুথি হৈছে সোঁৱৰণী, ৰণুৱা ঘোঁৰাৰ খোজ, আবেলিৰ বেলিৰ ৰঙ আৰু নিষিদ্ধ গলিৰ ফুল। বিনা গগৈৰ মৃত্যুত সমগ্ৰ সৰুপথাৰ অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুৰ সময়ত বয়স ৮১বছৰ। মৃত্যুৰ সময়ত তেখেতে পৰিয়ালত স্বামী, এজন পুত্ৰ, এগৰাকী বোৱাৰী আৰু এটি নাতি এৰি থৈ গৈছে।

# ২৫ ডিচেম্বৰত মাজুলীৰ এলেঙ্গী টকৌবাৰী সত্ৰত অনুষ্ঠিত হ'ব "অনাতাঁৰ মৰম পৰিয়ালৰ ষোড়শ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ ডিচেম্বৰ ঃ** ২০১০ চনৰ ২৫ ডিচেম্বৰত মাজুলীৰ মূদৈবিল অঞ্চলত প্ৰতিষ্ঠা লাভ কৰিছিল উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ "অনাতাঁৰ মৰম পৰিয়াল"। মূলত ৰেডিঅ'ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে কাম কৰি থকা পৰিয়ালটোৱে বিভিন্ন কাৰ্যসূচীৰ লগতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বাৰ্ষিক মুখপত্ৰ "মৰম এক যোগসূত্ৰ" নামেৰে কেৱল ৰেডিঅ'সম্পৰ্কীয় লেখাৰে এখনি পত্ৰিকা প্ৰকাশ কৰি আহিছে। প্ৰতিষ্ঠা দিৱসত প্ৰতি বছৰে পৰিয়ালটোৱে ৰেডিঅ'ৰ সৈতে জড়িত একোজন ব্যক্তিক প্ৰদান কৰি আহিছে "শ্ৰোতা প্ৰেৰণা বঁটা" আৰু এজন শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ "অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা"। পৰিয়ালটোৱে এই বৰ্ষৰ "শ্ৰোতা প্ৰেৰণা বঁটা-২০২৫" আগবঢ়াইছে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰলৈ আৰু বছৰটোৰ শ্ৰেষ্ঠ "অনাতাঁৰ শ্ৰোতা বন্ধু-২০২৫" বঁটা দুজনকৈ আকাশবাণীৰ জেষ্ঠ শ্ৰোতা ক্ৰমে ধেমাজি চিচি কেৰেকণি মাজ গাঁৱৰ মহেশ্বৰ চুতীয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নং তেজী গাঁৱৰ দীপক মৰাণলৈ। কালি পৰিয়ালটোৱে বাছনি কৰি দিয়া বঁটা বাছনি সমিতিয়ে এই কথা পৰিয়ালটোৰ সভাপতি/সম্পাদকক জনোৱাৰ পাছত আজি পৰিয়ালটোৰ ২১১ সংখ্যক ফোন কনফাৰেন্স সভাত সংযোগ হোৱা সদস্য সকলক সভাপতি সম্পাদকে অৱগত কৰে। অহা ২৫ ডিচেম্বৰত মাজুলীৰ শ্ৰীশ্ৰী এলেঙ্গী টকৌবাৰী সত্ৰত অনুষ্ঠিত হ'ব লগা পৰিয়ালটোৰ ষোড়শ(১৬তম) প্ৰতিষ্ঠা দিৱসত পৰিয়ালটোৱে এই বঁটা প্ৰদান কৰিব। বঁটাত থাকিব একোটা ৰেডিঅ' চেট, একোটিকৈ স্মাৰক, জাপি, সম্বৰ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি। সেইদিনা অনুষ্ঠানটিত অসমৰ বিভিন্ন ঠাইৰ পৰিয়ালটিৰ সদস্য সকলৰ লগতে অঞ্চলটিৰ ৰেডিঅ' প্ৰেমী শ্ৰোতা সকল উপস্থিত থাকিব বুলি পৰিয়ালটিৰ প্ৰতিষ্ঠাপক মাজুলী শইকীয়া, মুখ্য উপদেষ্টা জয়বৰ পাংগিং, বিনোদ গগৈ, মুন বৰা, সভাপতি নকুল গগৈ আৰু সম্পাদক নিতু দেৱে জানিবলৈ দিছে।

# আজাৰত চাউলিন কুংফু মাষ্টাৰ ডিগ্ৰীৰ ব্লেক বেল্ট প্ৰাপ্ত প্ৰশিক্ষাৰ্থীক সম্বৰ্ধনা



**অসম বাৰ্তা, মিৰ্জা, ১৫ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত আৰ বি উচচতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত যোৱা ৫, ৬ আৰু ৭ ডিচেম্বৰ তাৰিখে সদৌ অসম ভিত্তিত চাউলিন কুংফুৰ মাষ্টাৰ ডিগ্ৰীৰ ব্লেক বেল্ট পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। উক্ত পৰীক্ষাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মুঠ ২৪ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল আৰু ইয়াৰে মুঠ ২০ গৰাকী প্ৰশিক্ষাৰ্থী উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। পৰীক্ষাত মুখ্য বিচাৰক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল মাষ্টাৰ কন্দৰ্প শৰ্মা, পাপুল দাস আৰু মনোজ বড়োয়ে। সদৌ অসম কুংফু সন্থাৰ সম্পাদক পংকজ কুমাৰ দাসৰ নেতৃত্বত অনুষ্ঠিত হোৱা এই পৰীক্ষাত আজাৰাৰ চাৰি গৰাকী শিক্ষাৰ্থীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। আজাৰ প্ৰশিক্ষক নৱ কুমাৰ দাসৰ নেতৃত্বত প্ৰশিক্ষণ গ্ৰহণ কৰা কৰ্ণ দাস, প্ৰিন্স দাস, নিনদ ভট্টাই আৰু ৰায়ান নাফিচ এই পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। প্ৰশিক্ষক গৰাকীয়ে জানিবলৈ দিয়া অনুসৰি ব্লেক বেল্ট লাভ কৰিবলৈ সক্ষম হোৱা খেলুৱৈ সকলে বিগত সময়ত অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতা অংশগ্ৰহণ কৰি বিভিন্ন বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে যোৱা দেওবাৰে আজাৰাৰ প্ৰশিক্ষক নৱ কুমাৰ দাসে এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰশিক্ষাৰ্থী সকল উৎসাহিত কৰাৰ প্ৰয়াস কৰে।

পঞ্চায়ত কাৰ্যালয়ত সচিব লক্ষ্যজ্যোতি বৰাক ধন দাবী আৰু প্ৰাণে মৰাৰ ভাবুকিৰ অভিযোগ

# পুৰণিগুদাম গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য নিতুল গায়নক আটক আৰক্ষীৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বৰ্হমপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্য নিতুল গায়নক আজি চামগুৰি আৰক্ষীয়ে নগাঁও চহৰৰ পৰা আটক কৰে। পঞ্চায়ত কাৰ্যালয়ৰ ভিতৰত পঞ্চায়ত সচিব লক্ষ্যজ্যোতি বৰাক ধন বিচাৰি ভয়-ভাবুকিৰে অশালীন আচৰণ কৰাৰ অভিযোগত আজি বিতৰ্কিত ৱাৰ্ড সদস্য জনক আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে, পঞ্চায়ত সচিব লক্ষ্যজ্যোতি বৰাক পঞ্চায়ত কাৰ্যালয়ৰ ভিতৰত ৱাৰ্ড সদস্য গৰাকীয়ে ছেন্দেল খুলি মুখ ভাঙি দিম বুলি কোৱাৰ উপৰিও প্ৰাণে মৰাৰ ভাবুকি দিয়াৰ লগতে বাইকৰ চাবি খুলি ৰাখে। এই সন্দৰ্ভত পঞ্চায়ত সচিব গৰাকীয়ে পুৰণিগুদাম আৰক্ষী চকীত ৱাৰ্ড সদস্যজনৰ বিৰুদ্ধে যোৱা ১১ ডিচেম্বৰত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে পলাতক অৱস্থাত থকা নিতুল গায়নক আজি আটক কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, পঞ্চায়তৰ ৱাৰ্ড সদস্য হিচাপে জয়লাভ কৰাৰ পিছত পুৰণিগুদাম গাঁও পঞ্চায়তৰ কাৰ্যকৰী সভা সমূহত নিতুল গায়নে অপ্ৰাসংগিক কিছুমান কথা কৈ পঞ্চায়তৰ উন্নয়নমূলক কথা-বতৰাত বাধা দি আহিছিল। কেইদিনমান পূৰ্বে ৱাৰ্ড সদস্যগৰাকীয়ে আৰু দুজন ৱাৰ্ড সদস্যক কাষত বহুৱাই সংবাদমেল দি পঞ্চায়তৰ সভাপতি আৰু সচিবৰ বিৰুদ্ধে কিছুমান অভিযোগ উত্থাপন কৰিছিল। পঞ্চায়ত গঠন হোৱাৰ পিছত কোনো ধৰণৰ পুঁজি আৱণ্টন নোহোৱাকৈ ৱাৰ্ড সদস্য গৰাকীয়ে সংবাদমেলৰ আয়োজন কৰাৰ পিছত পঞ্চায়ত সভানেত্ৰী মুনমী বৈৰাগীয়ে ৱাৰ্ড সদস্য গৰাকীৰ সকলো অভিযোগ খণ্ডন কৰিছিল। ৱাৰ্ড সদস্যৰ সমৰ্থন লাভ কৰি পঞ্চায়তৰ সভানেত্ৰী হিচাপে দায়িত্ব লৈ দৰিদ্ৰ জনসাধাৰণৰ কল্যাণৰ কাৰণে কাম কৰিবলৈ আগবাঢ়ি অহা পঞ্চায়ত সভানেত্ৰী গৰাকীক লৈ নিতুল গায়নে চলোৱা কুটিল ৰাজনীতি সকলোৰে চকু কপালত তুলিছিল। বৰ্তমান পলাতক অৱস্থাত থকা নিতুল গায়নক আৰক্ষীয়ে আটক কৰাৰ পিছত এতিয়া পুৰণিগুদামবাসীয়ে ঘটনাৰ প্ৰকৃত তদন্তৰ দাবী জনোৱাৰ লগতে সম্ভ্ৰান্ত লোকৰ বসতিস্থল পুৰণিগুদাম অঞ্চলৰ পুৰণিগুদাম গাঁও পঞ্চায়তটো চলি অহা এনে ঘটনা ৰোধ কৰিবলৈ দাবী জনাইছে।

# LPG টেংকাৰত বাইকৰ খুন্দা; চিৰঞ্জিত বৰ্মণ গুৰুতৰভাৱে আহত বঙাইগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বঙাইগাঁও, ১৫ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ চাপৰাকাটা অঞ্চলত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়, যাৰ ফলত এজন বাইক আৰোহী গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, AS-04-BC-6809 নম্বৰৰ এখন LPG গেছ ভৰ্তি টেংকাৰ ট্ৰাক চাপৰাকাটা পথেৰে গৈ থকাৰ সময়তে পিছফালৰ পৰা AS-26-E-9101 নম্বৰৰ এখন পালছাৰ (Pulsar) বাইকে খুন্দা মাৰে। সংঘৰ্ষটো ইমান ভয়ংকৰ আছিল যে বাইকৰ চালক চিৰঞ্জিত বৰ্মণ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় লোকৰ তৎপৰতাত তেওঁক ততাতৈয়াকৈ উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাৰ খবৰ পাই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু ঘটনাটোৰ ওপৰত তদন্ত আৰম্ভ কৰিছে।

# জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ চাৰ্জশ্বীটক লৈ বৰপেটাৰোডত কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰতিক্ৰিয়া



**অসম বাৰ্তা, বৰপেটাৰোড, ১৫ ডিচেম্বৰ ঃ** আজি বৰপেটাৰোড পৰ্যটন উন্নয়ন বিষয়াৰ কাৰ্যালয়ত আৱাস গৃহৰ আন্তঃগাঁথনি উন্নয়নৰ কাম শুভাৰম্ভ কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। বিৰুদ্ধী পক্ষে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ চাৰ্জশ্বীট লৈ অসন্তুষ্ট বুলি সাংবাদিকে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ প্ৰশ্ন কৰাৰ পিছতেই মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ প্ৰতিক্ৰিয়া ন্যায়ালয়ৰ ওপৰত ভৰসা নাৰাখি ৰাজনৈতিক স্বাৰ্থত কোনোবা অভিনেতা বা ৰাজনীতিবিদে লম্ফ-জম্ফ মাৰাতো সমীচীন নহয়। তেনেলোকৰ নাগৰিক হোৱাৰ যোগ্যতা নাই বুলি ভাবোঁ। আজি বৰপেটাৰোডত পৰ্যটন বিভাগে ৪১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিববলৈ লোৱা ভৱন এটাৰ আধাৰশিলা স্থাপন কৰি আইনমন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জুবিন গাৰ্গৰ চাৰ্জছীটক লৈ গৌৰৱ গগৈ, জীতেন্দ্ৰ সিং, অখিল গগৈ, ৰবি শৰ্মা আদিয়ে প্ৰকাশ কৰি অহা অসন্তুষ্টিক লৈ প্ৰতিক্ৰীয়া প্ৰকাশ কৰে। এনে অসন্তুষ্টিক লৈ প্ৰতিক্ৰীয়া ব্যক্ত কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ মন্তব্য- শিল্পী ৰাজনীতিবিদ সকলে ন্যায়াধীশৰ ভূমিকা পালন কৰিব খোজে তেন্তে আগন্তুক দিনত সমাজত বিশৃংখল পৰিবেশৰ সৃষ্টি হব। ন্যায়ালয়ৰ ওপৰত আমি ভৰসা ৰাখিব লাগিব। ন্যায়ালয়ত কি দাখিল কৰিলে সেয়া পিচত গম পোৱা যাব। ৰাজনীতিবিদ সকলে যদি ন্যায়ালয়ৰ ভূমিকা পালন কৰে তেন্তে তেওঁলোকক আইনৰ স্নাতক হৈ ওকালতিত নমাৰ আহ্বান মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ। এইবোৰ কামত নামিব নাপায় বুলিও মন্তব্য। তেওঁলোকে যি কথাবোৰ কৈ আছে এয়া সঠিক হোৱা নাই। সমাজক মিছলেট কৰা কথা হৈ আছে। আমি ন্যায়ালয়ৰ ওপৰত ভৰসা নাৰাখি অকল ৰাজনীতিৰ স্বাৰ্থত কোনোবা অভিনেতা, কোনোবা ৰাজনীতিবিদে এনেকুৱা লম্ফ-জম্ফ কথা মাৰিব সেইটো সমীচিন হোৱা নাই বুলি ভাবোঁ।

## চাপৰমুখ-গৰুবাট মণ্ডলৰ বিজেপিৰ সংখ্যালঘু মৰ্চাৰ নৱনিযুক্ত সভাপতি জহুৰ আলী দায়িত্ব গ্ৰহণ

# কচুৱাত অৰ্ধ শতাধিক লোকে বিজেপিত যোগদান



**অসম বাৰ্তা, কচুৱা, ১৫ ডিচেম্বৰ ঃ** আজি ৰহা সমষ্টিৰ কচুৱাৰ মাধৱপাৰা গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সভাত অৰ্ধ শতাধিক লোকে কংগ্ৰেছ দলৰ পৰা আহি ভাৰতীয় জনতা পাৰ্টীত আনুষ্ঠানিক ভাৱে যোগদান কৰে। চাপৰমুখ-গৰুবাট মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ নৱ নিযুক্ত সভাপতি জহুৰ আলিৰ সভাপতিত্বত অনুষ্ঠিত সভা খনত উপস্থিত থাকে ৰহা সমষ্টিৰ বিধায়ক শশী কান্ত দাস। প্ৰায় দুই শতাধিক লোক উপস্থিত থকা সভাখনত বিধায়ক গৰাকীয়ে ভাষণ প্ৰসংগত কয় যে ৰহা সমষ্টিৰ পূৰ্বৰ অভিলেখ ভংগ কৰি ২০২৬ ত যথেষ্ট ভোটৰ ব্যৱধানত বিজেপি দলৰ প্ৰাৰ্থী জয়ী হ'ব আৰু সমষ্টিৰ ৰাইজৰ লগত আগৰে পৰা আছোঁ আৰু ভৱিষ্যতেও ৰাইজৰ লগত থাকিম। তেওঁ সংখ্যালঘু লোকসকল বি জে পি দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ দলটোত যোগদান কৰা বুলি কয়। চাপৰমুখ-গৰুবাট মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ নৱনিযুক্ত সভাপতি জহুৰ আলীয়েও আনুষ্ঠানিক ভাৱে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। চাপৰমুখ গৰুবাট মণ্ডলৰ বিভিন্ন বিষয় ববীয়া উপস্থিত থকা সভাখনত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ লগতে, নগাঁও জিলাৰ সংখ্যালঘু মৰ্চাৰ সভাপতি নুৰ উদ্দিন আহমেদ, সম্পাদক ৰকি মতববৰ, চাপৰমুখ গৰুবাট মণ্ডলৰ বিজেপিৰ সভাপতি ভাস্কৰ দাস, সংখ্যালঘু মৰ্চাৰ প্ৰভাৰী বাহাৰুল ইছলাম, উদীয়মান যুৱ নেতা মতিউৰ ৰহমান, ওমৰ আলী, ৰমজান আলী, নুৰ উদ্দিন, যুগল বৰা, নাৰায়ণ ঘোষ, আব্দুল ৰহিম, জুৰেল আহমেদ, মুশ্বাহিদ হুছেইন, পঞ্চায়ত সভানেত্ৰী ক্ৰমে পাৰবিনা বেগম, ৰুণা লাইলা, চাপৰমুখ-গৰুবাট মণ্ডলৰ আৰু কচুৱা অঞ্চলৰ বহু জ্যেষ্ঠ বিজেপি দলৰ কৰ্মী উপস্থিত থাকে।

# মাজ-জাজৰি অগপৰ আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, বেবেজীয়া, ১৫ ডিচেম্বৰ ঃ** এসময়ত অসমৰ প্ৰধান আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদৰ দুৰ্গ স্বৰূপ বটদ্ৰৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰ্তমান মাজ-জাজৰি-দৰঙীয়াক অ গ পৰ আঞ্চলিক সমিতিখন ১৪ ডিচেম্বৰত গঠণ কৰা হয়। আঞ্চলিকখনৰ অন্তৰ্গত জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা সাধাৰণ সভাত আঞ্চলিক সমিতিখন গঠন কৰে। এই উদ্দেশ্যে অনুষ্ঠিত সাধাৰণ সভাত সভাপতিত্ব কৰে অগপৰ জেষ্ঠ কৰ্মী পংকজ শইকীয়াই। আহ্বায়ক তথা নগাঁও জিলা অগপৰ সাংগঠনিক সম্পাদক নুৰ আমিনে উদ্দেশ্য ব্যাখ্যা কৰি উপস্থিত ৰাইজক উদ্দেশ্যি কয় - "এসময়ত আঞ্চলিক দল অসম গণ পৰিষৰ অন্যতম দুৰ্গ স্বৰূপ মাজ-জাজৰি আঞ্চলিক সমিতিখন বিভিন্ন ৰাজনৈতিক কাৰণত দীৰ্ঘদিনে নিষ্ক্ৰিয় হৈ আছিল। বৰ্তমান সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মাজ-জাজৰি-দৰঙীয়াল নতুন নামেৰে এই আঞ্চলিক সমিতিখনে অসম গণ পৰিষদৰ নগাঁও জিলাৰ ভেটি নিশ্চিতভাৱে শক্তিশালী কৰিব। আমি ঐক্যবদ্ধভাৱে বৰ্তমান অসমৰ যি জাতীয় সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ নেতা তথা কেন্দ্ৰীয় সভাপতি অতুল বৰাৰ হাত শক্তিশালী কৰিব লাগিব।" এই সভাতে নগাঁও-বটদ্ৰৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত মাজ-জাজৰি-দৰঙীয়াল অসম গণ পৰিষদৰ আঞ্চলিক সমিতিৰ সভাপতি হিচাপে মনোজ কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক হিচাপে ছফি হুছেইন কলৈ আঞ্চলিক সমিতিখন গঠণ কৰে।

# জিলা কোচ ৰাজবংশী সন্মিলনীৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ১৫ ডিচেম্বৰ ঃ** যোৰহাট জিলা কোচ ৰাজবংশী সন্মিলনী (তদৰ্থ) সমিতিৰ এখন কাৰ্যনিবাহক সভা ১৪ ডিচেম্বৰত মুক্তিযুঁজাৰু ভৱনত দণ্ডধৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হয়। ভাঃ প্ৰাঃ সম্পাদক দাদুল দত্তই উদ্দেশ্য ব্যাখ্যা দাঙি ধৰা সভাত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ নিৰ্দেশৰ আধাৰত ১ফেব্ৰুৱাৰীত চিলাৰায় দিৱস আয়োজন, শাখা আৰু আঞ্চলিক সমিতি গঠন সন্দৰ্ভত আলোচনা কৰা হয়। সভাত কাৰ্যকৰী সভাপতি ড° প্ৰমোদ চন্দ্ৰ নেওগ, ৰাজ্যিক কাৰ্যনিৰ্বাহক সহস্য বেদান্ত দত্ত, কৃষ্ণ দত্ত, ৰাজীৱ হাজৰিকা, উজ্জ্বল জ্যোতি বৰাই বিভিন্ন পৰামশ আগবঢ়াই। আগন্তুক দিনত কোচ ৰাজবংশী সকলৰ জনজাতি কৰন সন্দৰ্ভত বিভিন্ন কাৰ্যসুচী লোৱা বাবে সিদ্ধান্ত লোৱা হয়। টীয়ক আঞ্চলিক বা যোৰহাট জিলা মুক্তিযুঁজাৰু ভৱনত চিলাৰায় দিৱস অনুষ্ঠিত কৰাৰ বাবে সিধান্ত কৰা হয়।

# খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহৰ সামৰণি

**অসম বাৰ্তা, জাঁজী, ১৫ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা১২ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হোৱা বাৰ্ষিক ক্ৰিয়া সপ্তাহ বিভিন্ন কাৰ্যসুচীৰে আজি ১৫ ডিচেম্বৰ তাৰিখে সামৰণি পৰে। এই উপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ আনন্দ বৰাৰ অধ্যক্ষতাত ছাত্ৰ একতা সভাৰ সভাপতি দেৱাশিষ বৰুৱা আৰু পিঙ্কু দত্তই আঁত ধৰা বঁটা বিতৰণি আৰু মুকলি সভাত ভাষণ প্ৰদান কৰি বিশিষ্ট শিক্ষাবিদ অধ্যক্ষ আনন্দ বৰাই ছাত্ৰ ছাত্ৰীৰ শাৰীৰিক মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনত বিদ্যালয় সপ্তাহৰ গুৰুত্ব অপৰিসীম বুলি মন্তব্য কৰি কয় - ভৱিষ্যত জীৱন গঢ় দিয়াত বিদ্যালয়ৰ এই অনুষ্ঠান সমূহে বিশেষ ভাৱে প্ৰভাৱ পেলায় আৰু এখন সুষ্ঠ সবল সমাজ গঢ়াত অনবদ্য ভূমিকা গ্ৰহণ কৰে। চলিত বৰ্ষত সৰ্বাধিক ৭১ সংখ্যক প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক আজি মান পত্ৰ, ট্ৰফী, গ্ৰন্থ আৰু মেডেল প্ৰদান কৰি উৎসাহিত কৰাটো তাৎপৰ্য পূৰ্ণ। এই বছৰ আউট ড'ৰ আৰু ইনড'ৰ খেল সমূহৰ লগতে জ্যোতি-বিষ্ণু জুবিন সঙ্গীত, ৰংগুলি, সাজপাৰ, কুঁইজ, চালাদ, পিঠপনা, অঙ্কৰ দৌৰ, স্মৃতি পৰিক্ষা, বানান প্ৰতিযোগিতা, থলিতে লিখা ৰচনা, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, তৰ্ক আদিৰ উপৰি বাৰে ৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাই সকলোকে আকৰ্ষণ কৰে।

# নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত 'ড° বাণীকান্ত কাকতি মেধা' বঁটা প্ৰদান বিধায়ক ৰূপক শৰ্মাৰ

**অসম বাৰ্তা, নগাঁও, ১৫ ডিচেম্বৰ ঃ** বিশিষ্ট শিক্ষাবিদ, ভাষাবিদ, প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ জৰিয়তে প্ৰচুৰ পাণ্ডিত্য লাভ কৰা ড° বাণীকান্ত কাকতিৰ সোঁৱৰণত অসম চৰকাৰে প্ৰৱৰ্তন কৰা 'ড° বাণীকান্ত কাকতি মেধা বটা' আজি নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ২০১ গৰাকী শিক্ষাৰ্থীক প্ৰদান কৰা হয়। প্ৰজ্ঞান ভাৰতী আচনিৰ অধীনত মহাবিদ্যালয়খনত অনুষ্ঠিত এক অনুষ্ঠানত এই বঁটা প্ৰদান কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মহাবিদ্যালয়খনৰ ২০১ গৰাকী শিক্ষাৰ্থীক স্কুটি প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ ৯১ গৰাকী ছাত্ৰ আৰু ১১০ গৰাকী ছাত্ৰীয়ে এই বটা লাভ কৰে। এই উপলক্ষে



অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক গৰাকীয়ে কয় যে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা আহৰণৰ জোনাকী যাত্ৰাৰ পথ সুগম কৰি তোলাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে হোৱা শিক্ষাৰ্থী সকলক এই বটা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এয়া অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণৰ বাটত এক উল্লেখনীয় পদক্ষেপ হিচাপে বিবেচিত হৈছে। বিধায়ক শৰ্মাই লগতে বৰ্তমানৰ চৰকাৰে অসমৰ শিক্ষা ক্ষেত্ৰৰ বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰে। পৰ্যায়ক্ৰমে নগাঁৱৰ আন মহাবিদ্যালয় সমূহৰ শিক্ষাৰ্থীক 'ড° বাণীকান্ত কাকতি মেধা বঁটা' প্ৰদান কৰা হব বুলি বিধায়ক গৰাকীয়ে উল্লেখ কৰে। আজিৰ বটা প্ৰদান অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সদানন্দ পায়েং, পৰিচালনা সমিতিৰ সভাপতি বলিন ভূঞা, অধ্যাপক, অধ্যাপিকা, শিক্ষাৰ্থী, অভিভাৱক সকল উপস্থিত থাকে।

## দিনে-নিশাই কংগ্ৰেছ দলৰ হৈ ৰাইজৰ মাজত প্ৰচাৰ চলোৱাত ব্যস্ত হৈ পৰিছে নেতাগৰাকী

# ৫৫ নং ধিং বিধানসভা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশি ৰূপত এইবাৰ এগৰাকী প্ৰাক্তন সৈনিক

**অসম বাৰ্তা, বটদ্ৰৱা, ১৫ ডিচেম্বৰ ঃ** সমাগত ২০২৬ৰ নিৰ্বাচন সকলো ৰাজনৈতিক দলেই প্ৰস্তুতি চলাইছে নিৰ্বাচনৰ বাবে। কি বিজেপি, কি এআইডিএফ সকলো দলৰ সমান্তৰাল কৈ কংগ্ৰেছ দলেও পূৰ্ণ প্ৰস্তুতি চলাইছে সমষ্টিটোত। এতিয়াকৈলেকে ৫৫নং ধিং বিধানসভা সমষ্টি খনত প্ৰায় একুৰি প্ৰাৰ্থী ওলাই আহিছেপ্ৰাৰ্থীত্ব বিচাৰি। এই নেতা সকলৰ ভিতৰতে প্ৰাক্তন সৈনিক গাজিবুৰ ৰহমানৰ নামটো বিপুল বাবে উচ্চাৰিত হৈছে সমষ্টিৰ চুকে কোনে। সমষ্টিৰ সচেতন ভোটাৰ ৰাইজৰ দাবী দেশ মাতৃৰ সেৱা আগবঢ়াই অহা প্ৰাক্তন সৈনিক গাজিবুৰ ৰহমানক দলৰ উৰ্ধতম কৰ্তৃপক্ষই প্ৰাৰ্থীত্ব দিলে সমষ্টিটো কংগ্ৰেছৰ দখলত আহিব সেয়া নিশ্চিত। উল্লেখযোগ্য যে, বিগত প্ৰায় ২০ বছৰে ধিং সমষ্টি আছে



এআইইউডিএফৰ দখলত কিন্তু সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছতেই সমষ্টিখনত বলিছে ৰাজনৈতিক গৰম বতাহ। বিজেপি, এআইইউডিএফৰ সমান্তৰালকৈ কংগ্ৰেছ দলৰ নেতা সকলেও চলাইছে ব্যাপক প্ৰস্তুতি। বৰ্তমানলৈকে সমষ্টিখনত কংগ্ৰেছৰ অনুৱাৰ হুছেইন, মনুৱাৰ হুছেইন, ডাক্তৰ হাৰুণ আহমেদ, প্ৰাক্তন শিক্ষকৰ লগতে প্ৰায় একুৰি প্ৰাৰ্থীত্ব প্ৰত্যাশি ওলাই আহিছে ৰাইজৰ মাজত। তাৰ মাজতেই এগৰাকী প্ৰাক্তন সৈনিক গাজিবুৰ ৰহমানৰ নাম ব্যাপক চাৰ্চিত আহিছে। উল্লেখ্য যে, প্ৰাক্তন সৈনিক গৰাকীয়ে ১৮বছৰ দেশ মাতৃৰ সেৱা আগবঢ়াই আহি এইবাৰ ৰাইজৰ সেৱা আগবঢ়াবলৈ মন মেলিছে সেয়া সময়ত হব লক্ষণীয়।

# কল্যাণী বাল্য ভৱনলৈ হিতেন্দ্ৰ নাথ গোস্বামী ১০ লাখ টকাৰ অনুদান ঘোষণা

**অসম বাৰ্তা যোৰহাট, ১৫ ডিচেম্বৰ ঃ** উত্তৰ যোৰহাটৰ কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ শ্ৰেণী কোঠা নিৰ্মাণৰ বাবে যোৰহাট বিধান সভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে আজি ১০ লাখ টকাৰ অনুদান আগ বঢ়োৱাৰ কথা ঘোষণা কৰে। তদুপলক্ষে অনুষ্ঠিত সভাত বিধায়কে শিক্ষা অনুষ্ঠানসমূহ আগ বাঢ়ি যোৱাত সদায় সহায় কৰি আহিছে আৰু আগলৈও এই চেষ্টা অব্যাহত থাকিব বুলি উল্লেখ কৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ভাল মানুহ ৰূপে গঢ়িবলৈ সকলোকে চেষ্টা কৰিবলৈ আহ্বান জনায়। বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ড° অচ্যুত দত্তই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াই। বিদ্যালয় পৰিচালনা সমিতিৰ উপদেষ্টা নিযুত কুমাৰ দত্ত, প্ৰাক্তন সভাপতি প্ৰফুল্ল শইকীয়া, ৩৬ নং গাঁও পঞ্চায়তৰ সভাপতি প্ৰসন্ন কলিতা, গাঁও প্ৰধান সীমান্ত দত্ত, বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক অকণ দত্ত, সমাজকৰ্মী আনন্দ প্ৰসাদ নেওগ, পৰাগজ্যোতি দত্ত, বিদ্যালয়ৰ অধ্যক্ষা বিশ্বজিতা বৰপূজাৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক প্ৰমুখ্যে বিভিন্নজন সভাত উপস্থিত থাকে। সভাৰ পাছত বিধায়কে বিদ্যালয়খনৰ নতুন চৌহদ পৰিদৰ্শন কৰে আৰু বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সুন্দৰ পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

## পুৰণিগুদামৰ বৈয়াম ফুটবল ক্লাৱ জয়ী

# পুৰণিগুদামত জুবিন গাৰ্গ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পুৰণিগুদামবাসী ৰাইজৰ সহযোগত পৰিষদৰ প্ৰাক্তন সতীৰ্থ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত আয়োজন কৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি ফাইনেল খেলখনত পুৰণিগুদামৰ বৈয়াম ফুটবল ক্লাৱে জীয়াজুৰি ফুটবল ক্লাৱক ৫-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালত অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলখন ২-২ গ'লত অমীমাংসিত হৈ থকাত ট্ৰাইবেকাৰ পদ্ধতিৰ সহায় লোৱা হয়। ট্ৰাইবেকাৰত পুৰণিগুদামৰ বৈয়াম ফুটবল ক্লাৱে জীয়াজুৰি ফুটবল ক্লাৱক ৫-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আজিৰ খেলত সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন, সমাজকৰ্মী পুলিন হাজৰিকা, অসম যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক দীপমণি বড়া, জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মা, বঢ়মপুৰৰ যুৱ নেতা ৰঞ্জিত বৰা, জ্যেষ্ঠ সাংবাদিক সুনীল বৰাৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## বিস্তৰ এলেকাৰ শালিখেতি নষ্ট

# বেবেজীয়াৰ বৰক'লা অঞ্চলত বনৰীয়া হাতীৰ তাণ্ডৱ

**অসম বাৰ্তা, বেবেজীয়া, ১৫ ডিচেম্বৰ ঃ** শেহতীয়াকৈ কিছুদিনৰ পৰা নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত হাতী আৰু মানুহৰ সংঘাত বৃদ্ধি পাইছে। বিশেষকৈ শালিখেতি চপোৱাৰ সময়ত বনৰীয়া হাতীয়ে বাৰুকৈয়ে জিলাখনৰ কিছু অঞ্চলত তাণ্ডৱ চলাই আহিছে। ইয়াৰ ভিতৰত কলিয়াবৰ সমজিলাৰ শিলঘাট, কামাখ্যা-সোণাৰি, দলগাঁও, বামুণী বৰলীগাঁও আদিৰ লগতে চাপানলা, কন্দলি, ননৈ, কামপুৰৰ কিছু এলেকা, ৰহাৰ কিছু এলেকাত বনৰীয়া হাতীয়ে তাণ্ডৱ অব্যাহত ৰাখিছে। কেইদিনমানৰ ভিতৰতে জিলাখনৰ এগৰাকী মহিলাসহ তিনিজন লোকৰ বনৰীয়া হাতীৰ আক্ৰমণত নিহত হৈছে। শেহতীয়াকৈ খবৰ পোৱা মতে দুদিনমানৰ পৰা জিলাখনৰ বেবেজীয়াৰ নিকটৱৰ্তী বৰক'লা অঞ্চলত জাকে জাকে বনৰীয়া হাতীয়ে তাণ্ডৱ সৃষ্টি কৰিছে। বনৰীয়া হাতীৰ জাকটোৱে বৰক'লা অঞ্চলৰ পালেংতলি, জলাহ, কচুগুৰি আদি অঞ্চলৰ বিস্তৰ এলেকাৰ ধানখেতি নষ্ট কৰি পেলাইছে। এইলৈ এতিয়া কৃষকৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। জানিব পৰা মতে বনৰীয়া হাতীৰ জাকটোৱে কুঁহিয়াৰ খেতিৰো ক্ষয়-ক্ষতি কৰিছে। বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা উদ্ধাৰ পাবলৈ কৃষক ৰাইজে বন বিভাগৰ লগত যোগাযোগ কৰিছে যদিও বিভাগৰ কৰ্মকৰ্তা সকলে বিশেষ গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে।

## সংকটজনক অৱস্থাত দুই ভাতৃক কোকৰাঝাৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ


# বিলাসীপাৰাৰ চিৰাকুটাত ডাম্পাৰ আৰু বাইকৰ মুখামুখি সংঘৰ্ষ; গুৰুতৰভাৱে আহত দুই ভাতৃ

**অসম বাৰ্তা, বিলাসীপাৰাৰ, ১৫ ডিচেম্বৰ ঃ** বিলাসীপাৰাৰ চিৰাকুটাত সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনা। চিৰাকুটা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথতত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনা। ডাম্পাৰ আৰু বাইকৰ মাজত মুখামুখি সংঘৰ্ষ হয়। সংঘৰ্ষৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দুই বাইক আৰোহী। গুৰুতৰভাৱে আহত হয় ছানোৱাৰ হুছাইন আৰু ৰমজান আলী। ছানোৱাৰ হুছাইন আৰু ৰমজান আলী সম্পৰ্কত দুয়ো ভাতৃ। দুয়োৰে ঘৰ টিলাপাৰাৰ সন্তোষপুৰ গাঁৱত বুলি জানিব পৰা গৈছে। পিছত স্থানীয় ৰাইজে বাইক আৰোহী দুজনক ততাতৈয়াকৈ উদ্ধাৰ কৰি প্ৰেৰণ কৰে বিলাসীপাৰা আদৰ্শ চিকিৎসালয় লৈ। দুয়োৰে অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে চিকিৎসকে দুয়ো ভাতৃক প্ৰেৰণ কৰে কোকৰাঝাৰ অসামৰিক চিকিৎসালয় লৈ। দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰ খনৰ নম্বৰ হৈছে AS 19 AC 6005 আৰু বাইকখনৰ নম্বৰ হৈছে - AS 17 S 2343। পিছত ঘটনাস্থলীত শালকোচা আৰক্ষীৰ দল উপস্থিত হৈ ডাম্পাৰ আৰু বাইনখন উদ্ধাৰ কৰি আৰক্ষী চকীলৈ নি ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। এই ভয়ংকৰ পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ চিৰাকুটা, টিলাপাৰা আৰু সন্তোষপুৰ গাঁৱত সৃষ্টি হয় চাঞ্চল্য।

# পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ উদ্যোগত অনুষ্ঠিত নাট সমাৰোহৰ সফল সমাপ্তি

**অসম বাৰ্তা, বান্দৰদেৱা, ১৫ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰ অঞ্চলটোৰ অন্যতম স্বেচ্ছাসেৱী, সামাজিক সাংস্কৃতিক, আৰু নাট্য চৰ্চাৰ অনুষ্ঠান পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অঞ্চলটোৰ বাচক বনীয়া ন- পুৰণি শিল্পী কলা কুশলী সকলক লৈ ১২ আৰু ১৩ ডিচেম্বৰ তাৰিখত দুটি নিশাৰ কাৰ্য্যসূচীৰে নাট সমাৰোহৰ আয়োজন কৰে। অভিজিত ভট্টাচাৰ্যৰ ৰচনা আৰু সুদক্ষ অভিনেতা তথা ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত নাট্যশিল্পী, বাবুল বৰাৰ পৰিচালনাত "ৰুদ্ৰ সাগৰ" আৰু প্ৰণৱ বৰুৱাৰ ৰচনাৰে স্থানীয় নাট্যশিল্পী ৰূপম দত্তৰ পৰিচালনাত "চুম্বক" শীৰ্ষক নাট দুখনি যোৱা নিশা সফলতাৰে সমাপ্তি হয়। নাট্য সমাজৰ স্থায়ীপ্ৰেক্ষাগৃহত মঞ্চস্থ হোৱা দুয়োখন নাটকৰ ন-পুৰণি শিল্পী সকলৰ মনোমোহা অভিনয়ে দৰ্শকৰ হৃদয়ত সাঁচ বহুৱাবলৈ সক্ষম হয়। তদুপৰি দুয়োখন নাটৰ নৃত্যত অংশ গ্ৰহণ কৰা শিল্পী সকল আৰু পৰিচালক হিৰকজ্যোতি ভূঞাই যথেষ্ট কষ্ট স্বীকাৰ কৰাত নাটক দুখনে দুগুণ সফলতা লাভ কৰিলে। প্ৰচণ্ড শীতকো নেওচি দুয়োটি নিশাৰ নাট উপভোগ কৰিবলৈ অহা নাট্যপ্ৰেমী ৰাইজৰ লগতে নাটকৰ শিল্পী, কলা-কুশলী সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে নাট্য সমাজৰ স্থায়ী সভাপতি প্ৰবীণ বৰুৱা, সম্পাদক ৰঞ্জিত বৰা আৰু মঞ্চাধ্যক্ষ দেৱব্ৰত কাকতিয়ে।

# নাজিৰাৰ শিমলুগুৰি কেন্দুগুৰিত দিবা-নৈশ ফুটবল প্ৰতিযোগিতা উদ্বোধনী খেলত গড়গাঁও ফুটবল ক্লাৱৰ জয়




**অসম বাৰ্তা, নামতি, ১৫ ডিচেম্বৰ ঃ** জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই নাজিৰা সমজিলাৰ কেন্দুগুৰি ফুটবল ক্লাৱৰ তত্বাৱধানত কেন্দুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কালিৰে পৰা আৰম্ভ হোৱা প্ৰাইজমানি দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলত গড়গাঁও ফুটবল ক্লাৱে মাদুৰি ফুটবল ক্লাৱক একপক্ষীয় ভাৱে ৬-১ গলৰ ব্যৱধানত জয়লাভ কৰে। খেলখন উদ্বোধন কৰে যুৱ সমাজকৰ্মী তথা টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁয়ে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম ক্ৰিকেট সন্থাৰ উপ-সভাপতি ৰমেন দত্ত, কেন্দুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুৰ্গা গগৈ, কেন্দুগুৰি যুৱক সংঘৰ সভাপতি প্ৰভাত বুঢ়াগোঁহাই, যুৱ সমাজকৰ্মী মানস সন্দিকৈ, সমাজকৰ্মী হৰেন গগৈকে প্ৰমুখ্য কৰি ভালেকেইজন ব্যক্তি উপস্থিত থাকে। খেল উদ্বোধনৰ পূৰ্বে অসমৰ মৰমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে জুবিন গাৰ্গৰ স্মৃতিত দুটাকৈ নাহৰ পুলি ৰোপণ কৰা হয়। ইয়াৰ পিছতে অসমৰ আন এজন জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপে জুবিন গাৰ্গৰ "মায়াবিনী" গীত পৰিৱেশনেৰে আৰম্ভ হয় ফুটবল প্ৰতিযোগিতাখন।

## সম্পাদকীয়

# নাম সলনি নে পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি ?

কেন্দ্ৰীয় চৰকাৰে দেশৰ অন্যতম গুৰুত্বপূৰ্ণ সামাজিক সুৰক্ষা জালখন, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইন (MGNREGA)ৰ নাম আৰু কাঠামো সলনি কৰি এখন নতুন বিধেয়ক উত্থাপন কৰিবলৈ সাজু হৈছে। 'দ্য বিকশিত ভাৰত গাৰেণ্টি ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন (গ্ৰামীণ)' বা VB-GRAM-G নামৰ এই প্ৰস্তাৱে কেৱল নাম সলনি নকৰি, কামৰ দিন ১০০ৰ পৰা ১২৫লৈ বৃদ্ধি, ডিজিটেল নিয়ন্ত্ৰণ আৰু কৃষি চক্ৰৰ লগত খাপ খোৱাৰ দৰে নতুন বৈশিষ্ট্যৰো আশ্বাস দিছে। কিন্তু, এই ঘোষণাই সাধাৰণ জনতাই মনত বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। নিঃসন্দেহে, MGNREGA গ্ৰাম্য অৰ্থনীতিৰ এক স্তম্ভস্বৰূপ। এই আইনে কেৱল নিশ্চিত নিয়োগ আৰু আৰ্থিক সুৰক্ষাহে প্ৰদান কৰা নাই, গ্ৰাম্য পৰিকাঠামো উন্নয়নতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। গতিকে, প্ৰথম প্ৰশ্নটোৱেই হ'ল- এনে এক সফল আঁচনিৰ নাম সলনি কৰাৰ প্ৰয়োজনীয়তাটো কি ? নে ই ৰাজনৈতিক দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ এক প্ৰতীক মাত্ৰ? নতুন নামটোৱে আইনখনৰ মূল চিনাক্তকৰণ আৰু তাৰ ঐতিহাসিক প্ৰাসংগিকতাক আওপকিয়াই নিনিয়ে নে ? দ্বিতীয়তে, কামৰ দিন ১২৫লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ স্বাগতযোগ্য। কিন্তু ইয়াৰ বাবে প্ৰয়োজনীয় বিত্তীয় সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰিবনে চৰকাৰে? MGNREGA-ৰ অধীনত মজুৰি আৰু সামগ্ৰীৰ বাবে বৰাদ্ধ পলমকৈ মুকলি হোৱা, কৰ্মীসকলক সময়মতে মজুৰি নোপোৱাৰ দৰে সমস্যাবোৰ নতুন বিধেয়কখনৰ অধীনত কেনেকৈ আঁতৰ হ'ব? 'বিকশিত ভাৰত'ৰ দৃষ্টিভংগীত খাপ খাবলৈকে নে প্ৰকৃততে সুফল গ্ৰহীতা সকললৈকে এই পৰিৱৰ্তনবোৰ প্ৰভাৱপূৰ্ণ হ'ব? তৃতীয়তে, বায়'মেট্ৰিক, জি-পি-এছ, এ-আই আদি ডিজিটেল পৰিৱেশৰ প্ৰৱৰ্তন আধুনিকীকৰণৰ এক প্ৰয়াস। কিন্তু, ভাৰতৰ বহু গ্ৰামাঞ্চলত দ্ৰুত ইণ্টাৰনেট সেৱা আৰু ডিজিটেল সাক্ষৰতাৰ অভাৱত এই সুবিধাবোৰ প্ৰকৃততে কিমানলৈকে সফল হ'ব ? জটিল প্ৰযুক্তিয়ে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবে এই সেৱা লাভ কৰাটো আৰু অধিক জটিল নকৰে নে ? শেষত, কৃষিৰ ব্যস্ত মুহূৰ্তত কাম বন্ধ ৰখাৰ বিধানটোৱে শ্ৰমিকৰ নিশ্চিত আয়ত বাধাৰ সৃষ্টি নকৰিব নে ? ইয়াৰ পৰিৱৰ্তে, কৃষি আৰু MGNREGA কামৰ মাজত সমন্বয় সাধনৰ বাবে অধিক সু-চিন্তিত পৰিকল্পনাৰ প্ৰয়োজন। সাৰ্বিকভাৱে, নতুন প্ৰস্তাৱবোৰ উদ্ভাৱনীমূলক যেন লাগিলেও, ইয়াৰ সফলতা নিৰ্ভৰ কৰিব প্ৰকৃত অৰ্থনৈতিক পৃষ্ঠপোষকতা, নিৰ্ভৰযোগ্য প্ৰয়োগ ব্যৱস্থা, আৰু সুফলভোগীসকলৰ প্ৰতি সংবেদনশীলতাৰ ওপৰত। ২০ বছৰীয়া এই আইনখনৰ দোষ-ত্ৰুটিবোৰ আঁতৰোৱাটো গুৰুত্বপূৰ্ণ, কিন্তু তাৰ সফল দিশবোৰৰ ঐতিহ্য আৰু জনপ্ৰিয়তাক অক্ষুণ্ণ ৰাখিও। চৰকাৰে এই সংশোধনীৰ জৰিয়তে 'বিকাশ'ৰ অৰ্থ কেৱল নাম বা সংখ্যাৰ পৰিৱৰ্তনত নে প্ৰকৃত তথা অন্তৰ্ভুক্তিমূলক উন্নয়নত স্থাপন কৰে, সেয়াই হ'ব মূল পৰীক্ষা।

পূৰ্বাঞ্চলত বসতিৰ ইতিহাস - পূৰ্বাঞ্চলৰ ইতিহাসত মুছলমানসকলৰ ইতিহাস প্ৰায় আঠশ বছৰীয়া। ১২০৫-০৬ খ্ৰীষ্টাব্দত সম্ৰাট কুতুবুদ্দিনৰ সেনাপতি বখতিয়াৰ খিলিজিয়ে প্ৰাচীন অসমৰ মাজেদি তিব্বত আক্ৰমণ কৰিবলৈ অহা সময়ৰে পৰাই অসমত মুছলমানসকল অসমত থাকিবলৈ আৰম্ভ কৰে বুলি ইতিহাসে কয়। সেনাপতি খিলিজিক সেই সময়ছোৱাত সহায় কৰা মেচ জনজাতীয় ৰজা 'আলী মেচ' ইছলাম ধৰ্মৰে দীক্ষিত হয়। স্বাভাৱিকতে শ শ মেচ জনজাতিৰ লোকেও ইছলাম ধৰ্ম গ্ৰহণ কৰে। আহোমৰ লগত মুছলমান ৰজাৰ মুঠ ১৭ বাৰ যুদ্ধ হৈছিল ( ১৫২৭ চনৰ পৰা ১৬৮২ চনৰ লৈকে)। কিন্তু প্ৰতিবাৰেই আহোমসকলে জয় লাভ কৰে।

# আমি খিলঞ্জীয়া মুছলমান, গৰিয়া-মৰিয়া

**মোস্তাকিন শ্বেখ (জোন)**

ইতিহাসে গৰকা আমাৰ প্ৰাগজ্যোতিষপুৰ। এই প্ৰাগজ্যোতিষপুৰৰ লোক-সংস্কৃতি, সমাজ গঠন আৰু জাতীয়তাবাদৰ এক অভিন্ন অংগ অসমত বাস কৰা অসমীয়া মুছলমানসকল। অসমত বাস কৰি অহা গৰিয়া, মৰিয়া, দেশী, চৈয়দ, মাইমল, ভাটিয়া আদি ইছলাম ধৰ্মাৱলম্বী থলুৱা লোকসকলৰ ক্ষেত্ৰত 'খিলঞ্জীয়া মুছলমান' শব্দটো ব্যৱহাৰ কৰা হয়।

পূৰ্বাঞ্চলত বসতিৰ ইতিহাস - পূৰ্বাঞ্চলৰ ইতিহাসত মুছলমানসকলৰ ইতিহাস প্ৰায় আঠশ বছৰীয়া। ১২০৫-০৬ খ্ৰীষ্টাব্দত সম্ৰাট কুতুবুদ্দিনৰ সেনাপতি বখতিয়াৰ খিলিজিয়ে প্ৰাচীন অসমৰ মাজেদি তিব্বত আক্ৰমণ কৰিবলৈ অহা সময়ৰে পৰাই অসমত মুছলমানসকল অসমত থাকিবলৈ আৰম্ভ কৰে বুলি ইতিহাসে কয়। সেনাপতি খিলিজিক সেই সময়ছোৱাত সহায় কৰা মেচ জনজাতীয় ৰজা 'আলী মেচ' ইছলাম ধৰ্মৰে দীক্ষিত হয়। স্বাভাৱিকতে শ শ মেচ জনজাতিৰ লোকেও ইছলাম ধৰ্ম গ্ৰহণ কৰে। আহোমৰ লগত মুছলমান ৰজাৰ মুঠ ১৭ বাৰ যুদ্ধ হৈছিল ( ১৫২৭ চনৰ পৰা ১৬৮২ চনৰ লৈকে)। কিন্তু প্ৰতিবাৰেই আহোমসকলে জয় লাভ কৰে। ১৪৯৮ খ্ৰীষ্টাব্দত নবাব হুছেইনৰ আক্ৰমণৰ পিছত হাজোত মুছলমানসকলৰ এক উপনিৱেশ স্থাপন হয়। সেই সময়তেই হাজোলৈ অহা গিয়াছউদ্দিন আউলিয়াই মছজিদ নিৰ্মাণ কৰে আৰু ধৰ্মপ্ৰচাৰ কৰিবলৈ লয়। হাজোৰ পোৱামক্কা সমগ্ৰ অসম বিখ্যাত। আহোম ৰাজ্যত থিতাপি লোৱা আজান ফকীৰ চাহেবেও ধৰ্মন্তৰিতকৰণ প্ৰক্ৰিয়াটোক যথেষ্ট সবল কৰি তোলে। উল্লেখযোগ্য যে, মধ্যযুগত হিন্দু সমাজত প্ৰচলিত বৰ্ণভেদ প্ৰথাৰ অত্যাচাৰত বহুতো নিম্ন বৰ্গৰ হিন্দু লোকে ইছলাম ধৰ্মৰে দীক্ষিত হয়।

গৰিয়া আৰু মৰিয়াসকল - প্ৰথমতে, আধুনিক অসমীয়া অভিধানৰ মতে গৰিয়া শব্দৰ অৰ্থ হৈছে বাদ পৰি ৰোৱা, অকৃতকাৰ্য্য হোৱা, ভালকৈ ভাজ নোলোৱা বা নুফুটা আদি। গৰিয়াসকল অতীত কালৰে পৰা অসমৰ স্থায়ী বাসিন্দা। অসমলৈ গৌড় ৰাজ্যৰ পৰা আহি বা গৌড় দেশৰ মাজৰে আহি প্ৰবেশ কৰাৰ বাবে হয়তো তেওঁলোকক 'গৌড়ীয়া' আৰু পিছলৈ গৰিয়া বুলি কোৱা হয় বা জনাজাত হয়, এই অৰ্থক লৈ কিছু অমিলো আছে কিয়নো সেই সময়ৰ গৌড় ৰাজ্য ( ভৌগোলিক ভাৱে বৰ্তমানৰ পশ্চিম বংগৰ মালডা আৰু মুৰ্চিদাবাদ জিলা) ৬২৫ খ্ৰীষ্টাব্দলৈকেহে নিজৰ অস্তিত্বত বাচি আছিল তাৰ বিপৰীতে ইছলাম ধৰ্মৰ অসমলৈ আগমন ঘটিছিল ১২০৫ চনত। অন্য এক কথিত জনবিশ্বাস মতে, এওঁলোকৰ বেছি ভাগ মানুহেই যিহেতু হিন্দুৰ পৰা ইছলামলৈ ধৰ্মান্তৰিত হোৱা লোক গতিকে, তেওঁলোকে যেতিয়া ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল তাৰ ফলস্বৰূপে মূল হিন্দু সমাজখনে তেওঁলোকক এঘৰীয়া কৰি দিছিল, বোধহয় এই এঘৰীয়া শব্দৰ ধ্বনি আৰু উচ্চাৰণ বিশেষে অৰ্থৰ সামঞ্জস্য থকা 'গৰিয়া' শব্দটো পিছৰ সময়ছোৱাত জনাজাত হৈ পৰে। স্বৰ্গদেউ চাওলুং চ্যুকাফাই যেতিয়া পাটকাই পৰ্বত পাৰ হৈ আহি তাহানিৰ অসমৰ সৌমাৰপীঠত ভৰি থৈছিলহি, তেতিয়াই তেওঁ গৰিয়া বোলা পলৰীয়া মানুহ এজনক বাটত লগ পাইছিল আৰু নিজৰ প্ৰশাসনৰ আওঁতাত আনি ঠাই দিছিল। এইজনৰে সতি-সন্তানক স্বৰ্গদেউ চুবিনফাই চইজৰি বটাকৈ দিলে



আৰু নাম ৰাখিলে 'চেঙ্গচাই'। এয়াই হৈছে বুৰঞ্জীৰ পাতত উল্লেখ থকা প্ৰথমটো গৰিয়া পৰিয়াল। অসমৰ গৰিয়া জনগোষ্ঠীৰ নব্বৈ শতাংশ লোক থলুৱা তথা বিভিন্ন জনগোষ্ঠীৰ পৰা 'গৰিয়া পৰি' অৰ্থাৎ বাদ পৰি পিচলৈ ইছলাম ধৰ্মৰে দীক্ষিত হোৱা লোক আৰু বাকী থকা দহ শতাংশ লোকহে আহোম স্বৰ্গদেউসকলৰ দিনত বিভিন্ন কাৰণবশতঃ অসমলৈ অনা লোক।

দ্বিতীয়তে, আহোম ৰাজত্ব কালত যুদ্ধ কৰিবলৈ অহা বহুতো মুছলমান যুদ্ধবন্দী হিচাপে ৰৈ যায়। স্বৰ্গদেৱে প্ৰথমে তেওঁলোকক হাতীৰ বাবে ঘাঁহ যোগানৰ দায়িত্বৰে 'হাতীঘাঁহী' পাতে। কিন্তু তেওঁলোকে হাতীক নেগুৰৰ ফালৰ পৰা ঘাঁহ দিয়া দেখি সকলো আচৰিত হয়। এই কাম ভালদৰে কৰিবলৈ নোৱাৰাৰ বাবে পিছলৈ খেতি কৰ্মত নিয়োজিত কৰে কিন্তু এই কামতো পাৰদৰ্শিতা দেখুওৱাব নোৱাৰাৰ বাবে তেওঁলোকে নিজেই জীৱিকা হিচাপে পিতলৰ বাচন-বৰ্তন তৈয়াৰ কৰিবলৈ লয়। বাচন-বৰ্তন মৰিয়াই মৰিয়াই তৈয়াৰ কৰাৰ বাবেই তেওঁলোক 'মৰিয়া' বুলি জনাজাত হৈ পৰে। বৈবাহিক সম্পৰ্কৰে তেওঁলোক অসমত থাকি অসমীয়া মূল সুঁতিৰ লগত মিলি যায়। বুৰঞ্জী প্ৰণেতা পদ্মনাথ গোহাঞিবৰুৱাই অসমৰ বুৰঞ্জীত (১৯৩৭) মৰিয়া সকলৰ কথা বৰ্ণনা কৰিছে।

ইতিহাসৰ পৃষ্ঠাত আৰু কিছু - আহোমৰ দিহিঙ্গীয়া ৰজাৰ দিনত সংঘটিত ১৫২৭ চনৰ যুদ্ধত মুছলমানৰ এটি বৰ ধুনীয়া ল'ৰা বন্দী হয়। সেই ল'ৰাটোক স্বৰ্গদেৱে 'কাটিদাং দুৱৰা' পাতি আহোম খেলত অন্তৰ্ভুক্ত কৰাই। আহোম শাসনৰ শেষৰজন সেনাধ্যক্ষ ৰমজান খাঁ হিলৈধাৰী বৰুৱা গৰিয়া জনগোষ্ঠীৰে লোক আছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত গুৱাহাটীত ১২খন আৰু আহোমৰ ৰাজধানী ৰংপুৰত ২০খন মাদ্ৰাছা প্ৰতিষ্ঠা কৰাৰ তথ্য পোৱা যায়। ১৬৩৫ চনত মোগলৰ বিৰুদ্ধে যুঁজ দিয়া কাচিম খান, ১৬৭১ চনত শৰাইঘাট যুদ্ধৰ উপ-সেনাপতি বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকি, আহোম ৰজাৰ পাৰদৰ্শী কৰ্মচাৰী চুলতান গৰিয়া আদি খিলঞ্জীয়া মুছলমানৰ জাতীয়তাবাদৰ মাথোঁ কেইটামান উদাহৰণহে। আহোম স্বৰ্গদেউ গদাধৰ সিংহই আজান ফকীৰক নিৰ্মাণ কৰাই দিয়া মছজিদ শিৱসাগৰ জিলাৰ সৰাগুৰি চাপৰিত আজিও বিদ্যমান। আজান ফকীৰে ৰচনা কৰা জিকিৰসমূহ অসমীয়া গীতি-সাহিত্যৰ চহকী সম্পদ। 'আজাদ-হিন্দ-ফৌজ'ৰ প্ৰথম অসমীয়া ছহিদ নবাব ছেহিদুৰ ৰহমান, বিখ্যাত সাহিত্যিক ছৈয়দ আব্দুল মালিক, বিখ্যাত সংগীত শিল্পী পাৰবিন চুলতানা, অসমৰ প্ৰথম গৰাকী মহিলা মুখ্যমন্ত্ৰী চৈয়দা আনোৱাৰা টাইমূৰ, সাহিত্যিক ইমৰান শ্বাহে আদিকে ধৰি বহু সুযোগ্য অসম সন্তানে অসমৰ নাম বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এওঁলোকৰ বিবাহৰ ৰীতি-নীতি সম্পূৰ্ণৰূপে অসমীয়া। কেৱল ধৰ্মৰ বাদে এই লোকসকলৰ অন্য কোনো অমিল অসমীয়া জাতিৰ লগত নাই। এওঁলোকৰ নামবোৰো থলুৱা, যেনে - তেতেলী, ৰহিতন, সৰুমাই, পদুমী, জোন, নৰেন, ফুলকন, কলাই, বগাই, চাহিদা ইত্যাদি। এওঁলোকে নিজৰ প্ৰচেষ্টা আৰু উদ্যমৰ জৰিয়তে ১৮-১৯ শতিকাৰ সময়চোৱাত বিভিন্ন মুক্তাব বিদ্যালয়ো প্ৰতিষ্ঠা কৰাই।

বৰ্তমানৰ বসতি- অসমৰ থলুৱা হিন্দু জনজাতিৰ লগত মিল থকা হেতু এওঁলোক প্ৰধানতঃ হিন্দু প্ৰধান অঞ্চলত সিঁচৰতি। সেয়ে ন-অসমীয়া বা মিঞা মুছলমানসকলৰ দৰে এওঁলোকে বৃহৎ এলেকাজুৰি বসবাস নকৰে যাৰ ফলত কোনো বিধানসভা সমষ্টিতে ভোটৰ অংকৰে জয়ী হোৱাটো সম্ভৱ হৈ নুঠে। তাৰ ফলশ্ৰুতিতে হয়তো বহু সময়ত চৰকাৰে আমাৰ অভিযোগসমূহৰ ওপৰত গুৰুত্ব আৰোপ নকৰে। 'মুছলমান' শব্দৰ আলম লৈ বহুতে পূৰ্ব-বংগীয় মুছলমানৰ লগত এওঁলোকক একাকাৰ কৰিবলৈ বিচাৰে। কিন্তু এনে কৰাৰ চেষ্টা আমাৰ স্বাভিমান তথা অস্তিত্বৰ প্ৰতি ভাবুকি স্বৰূপ। বৰ্তমান এওঁলোক প্ৰধানতঃ অসমৰ নগাঁও, মৰিগাঁও, দৰং, গোৱালপাৰা, নলবাৰী, যোৰহাট, গোলাঘাট, শিৱসাগৰ জিলাকে ধৰি অসমৰ অন্যান্য জিলাৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ আছে। অসমৰ প্ৰায়বোৰ গৰিয়া-মৰিয়া গাওঁ হিন্দুৰ পৰা মুছলমানলৈ ধৰ্মান্তৰিত হোৱা গাওঁ। উদাহৰণস্বৰূপে পুৰণি দৰং জিলাৰ কানাইচুবা, গোহাঁইপাৰা, নলবাৰী জিলাৰ ভোগপুৰ, মাধৱপুৰ, অবিভক্ত নগাঁও জিলাৰ দন্দুৱা, ৰোৱাঢলা, পাথৰি, তৰাবাৰী, পাইখাইতি আদি।

এখন কল্যাণকামী ৰাষ্ট্ৰ নিৰ্মাণৰ হেতু প্ৰত্যেক জাতি-জনগোষ্ঠীৰ উত্তোৰণেহে প্ৰকৃত বিকাশ সাধন কৰিবলৈ পাৰে। ব্ৰহ্মপুত্ৰৰ সোণোৱালী সভ্যতাই যুগে যুগে সাক্ষী দিয়ে আৰু দি যাব আমি খিলঞ্জীয়া বুলি, আমি অসমীয়া বুলি।

# নৱবৰ্ষত শিক্ষামূলক ভ্ৰমণ আৰু আমাৰ কৰণীয়

**বেণুৰাম ৰাভা**

সকলো মানুহৰে এটা সহজাত প্ৰবৃতি থাকে নজনাটোক জানিবলৈ আৰু নেদেখাটোক চাবৰ বাবে। মানুহে এই প্ৰবৃতিৰ বশবৰ্তী হৈ বছৰটো শেষ হোৱাৰ আগে আগে এঠাইৰ পৰা আন ঠাইলৈ শিক্ষামূলক ভ্ৰমণ, বনভোজ বা দূৰ-দূৰণিত ঘূৰিবলৈ যায়। এই দৰে মানুহে এভাৰেষ্ট শৃংগ আৰোহণ কৰিছে, মেৰু অঞ্চল লৈ গৈছে, সাগৰ মহাসাগৰ তলিত গভীৰতাৰ জোখ লৈছে, হিংসাত্মক জীৱ জন্তুৰ বননিৰ মাজত সোমাই জংঘলৰ গভীৰতা চাইছে। মানুহৰ এই বিশাল প্ৰবৃতিৰ বাবে পৃথিৱীৰ বিষয়ে নতুন নতুন জ্ঞান আৰু তথ্যৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে।

প্ৰাচীন কালৰ ভাৰতবৰ্ষত ৰজা মহাৰজা সকলেও তৰ্থীভ্ৰমণ কৰি ভাল পাইছিল। শংকৰদেৱ মাধৱদেৱেও ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থভ্ৰমণ কৰি আমাৰ বৰ অসমক অমূল্য সম্পদ হিচাপে গঢ় দিছিল। নতুন নতুন আৱিষ্কাৰৰ বাবে মানুহে আজি চন্দ্ৰত গৈছে, মহাকাশত মহাকাশ গৱেষণা কেন্দ্ৰ আৱিষ্কাৰ কৰিছে। নতুন আৱিষ্কাৰৰ তাড়নাৰ বাবে কলম্বাছে ১৭৭৬ চনত আমেৰিকা আৱিষ্কাৰ কৰিছিল। পৰ্তুগীজ নাৱিব ভাস্ক-ডা-গামাই ভ্ৰমণৰ উদ্দেশ্যে ভাৰতত উপস্থিত হৈছিল। ই ভ্ৰমণৰ উদ্দেশ্যে কিছুমানৰ ব্যৱসায় বাণিজ্যৰ আন কিছুমানৰ জ্ঞান আহৰণৰ হ'ব পাৰে। ইংৰাজ আৰু পৰ্তগ্ৰীজ সকলৰ ভাৰত ভ্ৰমণৰ মূল উদ্দেশ্য আছিল ব্যৱসায় বাণিজ্যৰ কৰাৰ। ভ্ৰমণৰ উদ্দেশ্যে যিয়ে নহওক ইয়ে মানুহৰ যোগাযোগ মাধ্যমক শক্তিশালী কৰি তোলে। আমি যেতিয়া নতুন কোনো এখন ঠাইলৈ যাও সেই ঠাইখনৰ পৰা কিছু হ'লেও জ্ঞান অভিজ্ঞতা লাভ কৰিব পাৰোঁ। গ্ৰীক কটকী মেগাস্থেনিছ আৰু ফাহিয়ান ও ভাৰত ভ্ৰমণ কৰি ভাৰতত ব্যৱসায় বাণিজ্যৰ প্ৰতি আগ্ৰহী হৈ পৰিছিল। সেইদৰে অশোকেও বৌদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে শ্ৰীলংকা, চীন, তিব্বত, ব্ৰহ্মদেশৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। চীনৰ পৰিব্ৰাজক হিউৱেন চাঙেও ভাৰতত আহি বৌদ্ধ ধৰ্মৰ দৰ্শন আৰু বৌদ্ধ ধৰ্মগ্ৰন্থ অধ্যয়নৰ ভাৰতৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল।

অতীত কালত যাতায়তৰ ব্যৱস্থা ইমান সুবিধা জনক নোহোৱাৰ বাবে কষ্টকৰ আছিল ভ্ৰমণৰ সময়খিনি। কিন্তু আধুনিক কালত আধুনিক সা সুবিধাৰে পৰিপূৰ্ণ হোৱাৰ বাবে মানুহে যেনে মন যায় তেনেই ভ্ৰমণৰ উদ্দেশ্যে ওলাই যাব পাৰে। ভ্ৰমণৰ লগতে আমি লৈ যোৱা ভোজৰ বাবে প্লাষ্টিকক কাপ, প্লেট সমূহ যধে-মধে নে পেলায় নিৰ্দিষ্ট কোনো ডাষ্টবিনত পেলাব লাগে। যাতে ভৱিষ্যতে তেনে আৱৰ্জনাৰ পৰা সেই ঠাইখন প্ৰদূষিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰি। ভ্ৰমণ স্থলি ঠাইখন অযথা আৱৰ্জনা আৰু প্ৰদূষণমুক্ত কৰি ৰক্ষাত আমাৰ সকলো নাগৰিকৰে দায়িত্ব ও কৰ্তব্য হ'ব লাগে। বৰ্তমানৰ ভ্ৰমণ হৈছে শিক্ষামূলক এই ভ্ৰমণক শিক্ষাৰ জ্ঞান আহৰণৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা দেখা যায়। আজিকালি অৱশ্যে ভ্ৰমণকাৰীৰ সুযোগ সুবিধা বাবে চৰকাৰৰ ফালৰ পৰাও যান বাহনৰ ব্যৱস্থা কৰাৰ উপৰিও খোৱা লোৱাৰো ব্যৱস্থা কৰি দিয়া দেখা যায় লগতে এইখিনি কথাও ভ্ৰমণ কাৰী সকলোক নিৰ্দেশনা দিয়া দেখা যায় যে ভ্ৰমণ স্থলি ঠাইত যাতে কোনো ধৰণৰ পলিথিনৰ প্লাষ্টিক নেপেলায়, ৰাখি থোৱা নিৰ্দিষ্ট ডাষ্টবিণত পেলায় তাৰবাবে আদেশ উপদেশ দিয়া হয়। ভ্ৰমণ এক প্ৰকাৰ শিক্ষাৰ অংগ হিচাপে ধৰা হয় বাবে শিক্ষানুষ্ঠানৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন ঠাইলৈ লৈ যোৱা হয়। বিভিন্ন ঠায়ে-ঠায়ে পৰ্যটন নিবাস হিচাপে স্থাপন কৰি দিয়া দেখা যায় বৰ্তমানৰ সময় খিনিত। কেৱল ছাত্ৰ-ছাত্ৰীয়ে নহয় আজিকালি সকলো শ্ৰেণীৰ লোকে ভ্ৰমণৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ যায়।

পৰ্যটনৰ বাবে ভাৰতৰ বিভিন্ন ঠাইৰ লগতে অসমতো পৰ্যটনৰ বাবে বিখ্যাত বিখ্যাত চাবলগীয়া ঠাই আছে। ৰঙ ঘৰ, কাৰেং ঘৰ, কাজিৰঙা, জয় দৌল, শিৱ দৌল, চৰাইদেউ মৈদাম, চিৰিয়াখানা আদি বিভিন্ন বিখ্যাত ঠাইসমূহ। এই ঠাইসমূহত ভ্ৰমণৰ বাবে গ'লে আমাৰ মনৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ পৰা মুক্ত হৈ উদাৰ মনৰ গৰাকী হ'ব পৰা যায় বুলি বিশ্বাস আছে। লগতে দয়া, মায়া, মমতাৰে পৰিপূৰ্ণ সংযমী আৰু ক্ষমাশীল ব্যক্তিৰ পৰিণত হয়। ইয়াৰ উপৰি দেশ বিদেশ ভ্ৰমণকাৰী সকলৰ নানা ধৰণৰ জ্ঞান অভিজ্ঞতাৰে পূৰ্ণ হৈ পৰে। দেশ বিদেশ ভ্ৰমণকাৰী সকলে বিভিন্ন দেশৰ বিভিন্ন আইন কানুনৰ লগতে, আচাৰ ব্যৱহাৰ সৈতে জড়িত হৈ পৰে। এই দৰে ভ্ৰমণৰ যোগে এখন দেশৰ পৰা আন এখন দেশৰ সৈতে যোগাযোগ ব্যৱস্থাক শক্তিশালী কৰি তুলিব পাৰি।

দেশ-বিদেশ ভ্ৰমণ কৰি ভ্ৰমণকাৰী সকলে বিভিন্ন গ্ৰন্থ আদি ৰচিত কৰা দেখা যায়। তেওঁলোকে বিভিন্ন দেশ ভ্ৰমণ কৰি লাভ কৰা অভিজ্ঞতাৰ পৰা গ্ৰন্থ ৰচিত কৰিবলৈ সক্ষম হয়। চীনৰ পৰিব্ৰাজক হিউৱেন চাঙে অসমলৈ আহি তেওঁ নিজৰ টোকাত অসমৰ সামাজিক ৰীতি নীতি বিষয়ে বৰ্ণনা কৰিছিল। একেদৰে মেগাস্থেনিজ, ফাহিয়ান আদি বিখ্যাত ভ্ৰমণ কাৰীয়ে ভাৰতলৈ আহি নিজৰ টোকাত ভাৰতীয় ৰীতি-নীতিৰ বিষয়ে বৰ্ণনা দাঙি ধৰিছিল লগতে ভাৰতীয় শাসন ব্যৱস্থা, ভাৰতীয় লোক সংস্কৃতিৰ তন্ন তন্ন কৈ লিখি নিজৰ টোকাত লিপিবদ্ধ কৰিছিল।



# স্মৃতিৰ জলঙাইদি 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ'

**ডাঃ প্ৰবীণকুমাৰ নেওগ**

২০০১ চনৰ পৰা ২০১৫ চনলৈ একেৰাহে বৰ্তি থকা তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ প্ৰথম দুটা কাৰ্যকালৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী আছিল 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ', চমুকৈ যাক কোৱা হৈছিল 'ৰাপৰাচ'। শেষৰ ফাললৈ গগৈ চৰকাৰৰ বহুবোৰ পশ্চাদগামিতা, সীমাহীন দুৰ্নীতি, ঘনাই হোৱা গঁড় হত্যা, মুখ্যমন্ত্ৰীৰ প্ৰশাসনিক অকৰ্মন্যতা আদি লক্ষ্য কৰি বহুতে এই কাৰ্যসূচীক 'ৰাইজৰ পদূলিত গধূলিৰ চৰকাৰ' বুলি উপহাস কৰিছিল যদিও সেই সময়ৰ 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ' কাৰ্যসূচীটোৰ এজন অংশগ্ৰহণকাৰী বিষয়া হিচাপে ইয়াৰ কেতবোৰ ইতিবাচক দিশো লক্ষ্য কৰিছিলোঁ। আজিৰ সময়ত বাতৰি কাকত, ফেচবুক, ইউটিউব আদিত যথেষ্ট সংখ্যক কাৰিকৰী ক্ষেত্ৰৰ লোক যেনে চিকিৎসক, অভিযন্তা, পশুচিকিৎসক, কৃষি বিষয়া, মীন বিষয়া আদিয়ে বহুখিনি জনসজাগতামূলক অথবা নিজৰ বৃত্তিমূলক কথা মাতৃভাষা মাধ্যমত প্ৰচাৰ কৰি আছে যাৰ বাবে বহুকথা ৰাইজৰ বোধগম্য হোৱাত সহজ হৈছে। আজিৰ সময়ৰ এই বৃত্তিগত প্ৰচাৰৰ পাচফালে যে তৰুণ গগৈ চৰকাৰৰ 'ৰাপৰাচ' কাৰ্যসূচীৰো এক বিশেষ ভূমিকা আছিল বা আছে, অলপ চিন্তা কৰিলে সেই কথাও অনুভৱ হয়।

আৰম্ভণিৰ সময়ত 'ৰাপৰাচ' বিশেষ জোৰদাৰ কাৰ্যসূচী হিচাপেই প্ৰণয়ন হৈছিল যদিও পাছলৈ অৱশ্যে এই কাৰ্যসূচীক কিছু শিথিল কৰি দিয়া হয়। পঞ্চায়ত নিৰ্বাচনৰ পাছত স্থানীয় গাঁও পঞ্চায়তসমূহ গঠন হোৱাৰ পাছতে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। আচলতে সেই সময়ত সচিবালয়ত কৰ্মৰত আমোলা বিষয়া এম জি কে ভানু, ভাস্কৰ বৰুৱা আদিৰ দৰে বিষয়াসকলৰ নিৰ্দেশনা আৰু তত্ত্বাৱধানত এই কাৰ্যসূচীৰ সংগঠন কৰা হৈছিল। 'ৰাপৰাচ'ৰ অধীনত প্ৰতি দুমাহৰ মূৰে মূৰে গাঁও পঞ্চায়তসমূহৰ গাঁওসভা অনুষ্ঠিত হৈছিল য'ত পঞ্চায়ত এলেকাত কৰ্মৰত তথা জড়িত প্ৰতিটো বিভাগৰ বিষয়া কৰ্মচাৰী উপস্থিত থকাটো নিৰ্দিষ্ট কৰা হৈছিল। প্ৰতিখন গাঁওসভাৰ বাবে একোটা জনস্বাৰ্থজড়িত বিষয় ঠিক কৰা হৈছিল, যিটো বিষয়ত বিশেষ আলোচনা হোৱাৰ লগতে প্ৰত্যেক বিভাগৰ পৰা সেই সময়ত চলি থকা বিভাগীয় আঁচনি, আঁচনিৰ লক্ষ্য-উদ্দেশ্য আৰু সৰ্বসাধাৰণে সেই আঁচনিৰ সুবিধা কেনেকৈ লাভ কৰিব, সেই বিষয়ে সভাত বিভাগীয় বিষয়া কৰ্মচাৰীসকলে অৱগত কৰিব লাগিছিল। পঞ্চায়ত সভাপতিৰ সভাপতিত্বত হোৱা সভাতে পঞ্চায়তৰ এলেকাৰ ৰাজহুৱা স্বাৰ্থজড়িত সমস্যাৰ আবেদনো ৰাইজৰ পৰা গ্ৰহণ কৰা হৈছিল আৰু পাছত প্ৰতিখন গাঁও পঞ্চায়তৰ সচিব আৰু জিলা প্ৰশাসনৰ তৰফৰ পৰা মকৰল কৰা ন'ডেল বিষয়াই সেই আবেদনসমূহ জিলা আয়ুক্তৰ যোগেদি সমস্যাৰ লগত জড়িত বিভাগৰ জিলা বিষয়ালৈ প্ৰেৰণ কৰিছিল। গাঁও পঞ্চায়তৰ পাছৰখন গাঁওসভাত পূৰ্বৰ আবেদনৰ ভিত্তিত সংশি-ষ্ট বিভাগে লোৱা বা ল'বলৈ বিচৰা কাৰ্যকৰীকৰণৰ প্ৰতিবেদনো ন'ডেল বিষয়াই দাখিল কৰিব লাগিছিল।

সেই সময়ত বিভাগবোৰত দেখা দিয়া এটা সমস্যাৰ কথা এতিয়াও মনলৈ আহি থাকে। কিমানখিনি ৰূপায়ণ হৈছে বা হয়, সেইটো বেলেগ কথা হ'লেও ৰাজ্যিক চৰকাৰৰ প্ৰতিটো বিভাগৰে নিজা নিজা কিছু আঁচনি আৰু কাৰ্যসূচী থাকে আৰু সেই আঁচনি আৰু কাৰ্যসূচীসমূহৰ উদ্দেশ্য আৰু হিতাধিকাৰী নিৰ্বাচনৰ নিৰ্দেশনাও বিভাগত নিৰ্দিষ্ট হৈ থাকে; কিন্তু ৰাজহুৱা সভাত যেতিয়া শতাধিক লোকৰ সন্মুখত ৰাইজে বুজি পোৱা মাতৃভাষাত সেই আঁচনি সম্পৰ্কে ব্যাখ্যা কৰিব লগা হ'ল, তেতিয়া সৰহভাগ বিষয়া-কৰ্মচাৰীৰে নানা ধৰণৰ সমস্যাই দেখা দিলে। কাহানিও সভা-সমিতিত ঠিয় হৈ কথা এষাৰ কৈ নোপোৱা এজন ব্যক্তিয়ে যেতিয়া কাৰিকৰী কথাবোৰ মাতৃভাষাত ৰাজহুৱাভাৱে ব্যাখ্যা কৰিব লগা হ'ল, বহুতৰে বাবে এইটো হৈ পৰিল এক ডাঙৰ সমস্যা। বিভাগীয় নিৰ্দেশ যিহেতু উলংঘা কৰিব নোৱাৰি, অন্যহাতে 'ৰাপৰাচ' কাৰ্যসূচীৰ পৰা বিৰত থকাৰ পৰাও বাৰণ কৰা হ'ল, তেতিয়া বাধ্য হৈ বিষয়া-কৰ্মচাৰীসকলে বিভাগীয় আঁচনিসমূহ জনসাধাৰণৰ বোধগম্য হোৱাকৈ নিজেই প্ৰস্তুত কৰিব লগা হ'ল। কাৰ্যালয়ত কাহানিও অসমীয়া আখৰ লিখি নোপোৱাজনেও অসমীয়াত লিখিব লগা হ'ল আৰু বক্তৃতাও দিব লগা হ'ল।

'ৰাপৰাচে' ৰাইজৰ অভাৱ অভিযোগ বহুত বেছি পূৰণ কৰিছিল বুলি ক'ব নোৱাৰি যদিও এই কাৰ্যসূচীৰ কেইটামান ইতিবাচক দিশৰ কথা লক্ষ্য কৰা যায়। সাধাৰণতে ৰাজ্য চৰকাৰৰ বিভাগবিলাক সঞ্চালক পৰ্যায়ৰ পৰা তলৰ পৰ্যায়লৈ এটা পিৰামিডৰ আকাৰত চলি থাকে। কৃষি, পশুপালন, স্বাস্থ্য, জনস্বাস্থ্য, জলসিঞ্চন, লোকনিৰ্মাণ, মীন, ভূমি সংৰক্ষণ, বান খহনীয়া আদি বিভাগবোৰ স্বতন্ত্ৰভাৱে চলি থাকে যদিও ইটো বিভাগৰ লগত সিটো বিভাগৰ বিশেষ চিনাজনা বা আন্তঃসম্পৰ্ক নাথাকে। 'ৰাপৰাচ' কাৰ্যসূচীত যিহেতু গাঁওসভাত সকলো বিভাগৰে বিষয়া-কৰ্মচাৰীসকল গোট খায়, সেয়েহে বিভিন্ন বীভাগৰ মাজত এক সমন্বয়মূলক সহযোগো গঢ় লৈ উঠাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হ'ল। দ্বিতীয়তে, জনসজাগতামূলক কামত যিহেতু বিষয়া-কৰ্মচাৰীসকল জড়িত হ'বই লাগে, সেয়েহে ৰাপৰাচে এই সুবিধাটো বিভাগবিলাকলৈ আনি দিছিল। তৃতীয়তে, চৰকাৰী নিৰ্দেশনা সত্ত্বেও বিভাগীয় কাৰ্যালয়সমূহত কোনো চিঠি-পত্ৰ, নিৰ্দেশনা আদি অসমীয়া বা স্বীকৃত স্থানীয় ভাষাত প্ৰস্তুত কৰা নহয়; অসমীয়াত লিখিব নজনা, কম্পিউটাৰ টাইপিঙৰ অসুবিধা, প্ৰতিশব্দৰ অভাৱ আদি বহুতো কাৰণ ইয়াৰ লগত জড়িত হৈ থাকে। 'ৰাপৰাচ'ৰ সময়ত ৰাজহুৱা আবেদনবোৰৰ উত্তৰ অসমীয়াত দিয়াৰ প্ৰয়োজন হ'ল, বিভাগীয় আঁচনি আদিৰ কথা অসমীয়া বা স্থানীয় ভাষাত ক'ব লগা হ'ল; গতিকে বাধ্যতামূলকভাৱে হ'লেও কাৰ্যালয়বোৰত অসমীয়া ভাষা কিছু ব্যৱহাৰ হোৱাৰ ব্যৱস্থা হ'ল। যিসকল বিষয়া-কৰ্মচাৰী মুকলিকৈ কথা কোৱাত অপাৰগ, তেওঁলোকে কাগজত লিখি হ'লেও সভাত বক্তব্য পাঠ কৰিব লগা হোৱাটোৱে অসমীয়া ভাষাটোৰ ব্যৱহাৰ অলপ আগবঢ়াই নিলে। কোনো কোনো বিষয়া কৰ্মচাৰীয়ে নিজে সম্পূৰ্ণকৈ নোৱাৰিলেও আনৰ সহায় লৈ হ'লেও বিভাগীয় টোকা অসমীয়াত প্ৰস্তুত কৰি 'ৰাপৰাচ'ত পাঠ কৰিবলৈ ল'লে।

সামগ্ৰিকভাৱে 'ৰাপৰাচ' কাৰ্যসূচীয়ে ইংৰাজী ব্যতিৰেকে আন অফিচিয়েল ভাষাৰ কাৰ্যালয়ত ব্যৱহাৰ, সভা-সমিতিত মুকলিকৈ কথা কোৱাৰ স্কিলৰ জৰিয়তে জনসজাগতা, বিভিন্ন আঁচনিবোৰৰ অনুপুংখ অধ্যয়ন আৰু ব্যাখ্যা, উপকৃত হোৱা আৰু হ'বপৰা হিতাধিকাৰীৰ ধাৰণা আদি বহু কথা পৰিষ্কাৰ কৰাত সেই সময়ত প্ৰত্যক্ষভাৱে বিষয়া কৰ্মচাৰীসকলক আৰু পৰোক্ষভাৱে চৰকাৰক সহায় কৰিছিল।

# আঘোণ মাহৰ ন-খোৱা উৎসৱ

**ললিত নাথ**

স্মৃতি আৰু স্বপ্নৰ অনুপম সমাহাৰ আঘোণৰ সোণোৱালী পথাৰ। সুৱাগমনি, মাণিকীমধুৰি, কণজহা, বকুলবৰা, কোমল, শ'লপোনা, হালধৰম, অকাশালি, বেতগুটি, জাহিঙা, শিয়ালকাটি, মাগুৰি, প্ৰসাদভোগ আদি বিভিন্ন থলুৱা জাতৰ ধানেৰে ভৰপূৰ পথাৰখনে দাৱনীসকলক বৰ্ণিল আহ্বান জনাই। শাওণৰ প্ৰখৰ সূৰুযৰ তাপত ঘামসৰা পথাৰখনিত আঘোণে বুটা বাছে। কৃষকসকলে হাড়ক মাটি কৰি তেজক পানী কৰি পোৱা আঘোণৰ কেঁচা সোণ সনা পথাৰখনলৈ চাই আত্মবিভোৰ হৈ পৰে। নিয়ৰ পিচলা পথাৰখন কাঁচিয়লি ৰ'দৰ পৰশত জিকমিকাই উঠে। সেয়েহে আনন্দিৰাম দাসৰ বনগীততো আঘোণ অপূৰ্ব বৰ্ণনাৰে বন্দীত হৈছে-

"আঘোণী অ' আঘোণী
মাতিলি পথাৰত
লখিমী চপাবলৈ..."

আঘোণ মানে জীৱন- জীৱিকাৰ উত্তাপ, প্ৰতিশ্ৰুতিৰ এক সোণালী পৃষ্ঠা, এক মাটিময়ী প্ৰত্যাশা, অনুভূতিৰ প্ৰাচুৰ্যৰে উপচি থকা এক বৈভৱশালী সময়। শাকে, মাছে, ধানে দোঁখোৱাকৈ প্ৰাচুৰ্যৰ ভাৰেৰে ভাৰী এটি আঘোণ মাহ। পুখুৰীৰ মাছ, বাৰীৰ কবি, বেঙেনা, ৰঙালাও, মূলা, জাতিলাও, ফুলকবি আদি অজস্ৰ ভোগৰ সম্ভাৰেৰে চৌদিশ উপচি পৰে। আঘোণৰ সোণালী পথাৰখনৰ পৰা সোমবাৰ অথবা বৃহস্পতিবাৰে এমুঠি ধান সভক্তিৰে কাটি গামোচাত মেৰিয়াই গোবৰ মাটিৰে লিপি পৱিত্ৰ কৰি থোৱা ভঁৰাললৈকে আদৰি আনি ধানকটা পৰ্বৰ শুভাৰম্ভ কৰা হয়। এই সময়তে অসমীয়া কৃষিজীৱী সমাজে উদ্‌যাপন কৰে ন-খোৱা উৎসৱ।

নতুন ধানৰ চাউল দেৱ-দেৱীক অৰ্পণ কৰি লোৱাটোৱেই হৈছে এই উৎসৱৰ মূল অভিপ্ৰায়। এই পৰম্পৰাই মানুহে নিজৰ সৃষ্টিশীলতা আৰু



পৰিশ্ৰমৰ ফলক ঈশ্বৰক উৎসৰ্গা কৰি প্ৰকৃত শ্ৰদ্ধা প্ৰকাশ কৰে। ন-খোৱাৰ দিনা ঘৰৰ গৃহিণীসকলে ভঁৰাল ঘৰত চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা কৰে। ন-ধান বানি সেই চাউল সৰ্বপ্ৰথমে নামঘৰ অথবা মন্দিৰত ভগৱানৰ নামত অৰ্চনা কৰা হয়। অসমৰ কোনো কোনো অঞ্চলত পদুলিৰ সন্মুখত কলপুলি পোতাৰ নিয়মো প্ৰচলিত আছে। নৱান্ন উৎসৱৰ বাবে ন-ধানৰ চাউলৰ ভাত ৰন্ধা হয়। ৰাজহুৱা পুখুৰী মাৰি ধৰা ৰৌ, বৰালি, শ'ল মাছ, জাতিলাও আৰু বিলাহীৰে ৰন্ধা আঞ্জা, মচুৰ মাহ, ৰহৰ মাহৰ দাইল, নহৰুৰে তেল মৰা সুগন্ধি মাটি দাইল আৰু বন্ধাকবি, ফুলকবি, মূলা, বেঙেনা, পানীলাও, ৰঙালাও আদিৰ লেবেৰা ভাজি ৰন্ধা হয়। ইয়াৰ উপৰিও কোমোৰা আৰু তেলাল হাঁহৰ মাংসৰ জোল বনোৱা হয়। সকলো প্ৰস্তুত হোৱাৰ অন্তত গাঁৱৰ বয়োজ্যেষ্ঠসকলক প্ৰথমে শাৰী শাৰীকৈ বহুৱাই এভাগ তামোল-পান আগবঢ়াই সেৱা ধৰি ন-খোৱাৰ শুভৰাম্ভ কৰা হয়। আঘোণ মাহৰ ন-খোৱা অসমীয়া সমাজৰ কৃষিভিত্তিক সংস্কৃতিৰ এক বিশেষ পৰম্পৰা।

এই উৎসৱে সমাজৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ মাজত গভীৰ তাৎপৰ্য বহন কৰে। নৱান্ন উৎসৱে কৃষিজীৱী সমাজৰ সুখ-সমৃদ্ধিৰ প্ৰতীক হিচাপে স্থান দখল কৰি আহিছে। নখোৱাৰ মাজেৰে সমাজৰ লোকসকলৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ এনাজৰীডাল অধিক কটকটীয়া হয়। এই ৰীতি-নীতিবোৰে অসমীয়া লোকজীৱনৰ চহকী সংস্কৃতিৰ পৰিচায়ক। এই উৎসৱে আমাৰ প্ৰকৃতি আৰু কৃষিজীৱনৰ মাজত সংযোগ স্থাপন কৰে। সেয়েহে আঘোণ মাহৰ নখোৱা উৎসৱ কেৱল খাদ্য বা শস্য আহৰণৰ পৰম্পৰা নহয়, ই সামাজিক, ধৰ্মীয়, আৰু পৰিৱেশগত জীৱনৰ মাজত আন্তঃসংযোগ গঢ়ি তোলা এক অনন্য উৎসৱ। ই অসমীয়া সংস্কৃতিৰ মৌলিক সত্তা আৰু আত্মগৌৰৱৰ প্ৰতীক। ন-খোৱা অনুষ্ঠানৰ বিভিন্ন ৰীতি-নীতি, পৰম্পৰাই অসমীয়া সংস্কৃতিক উজ্জীৱিত কৰি সংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে। ধান কটাৰ অন্তত লক্ষ্মীক আদৰি অনাৰ পাছত কুমলীয়া বাহৰ চুঙাত চুঙাপিঠা পোৱা হয়। আত্মীয় স্বজন তথা চুবুৰীয়াৰ স'তে চুঙাপিঠা খোৱা পৰম্পৰা সমন্বয়ৰ এক প্ৰতিভূ। কিন্তু আজি আঘোণৰ নাই সেই সৌন্দৰ্য সুষমা। আঘোণ এতিয়া নিঃ স্ব সময়ৰ বুকুত নিস্তেজ, নিষ্প্ৰাণ।

আজিকালি আগৰ দৰে ৰাজহুৱা ন-খোৱা উৎসৱ গাঁওসমূহত দেখিবলৈ পোৱা নাযায়। গাঁওসমূহত ব্যক্তিগতভাৱে সীমিত সংখ্যক মানুহৰ উপস্থিতিত মাথোঁ পৰম্পৰা ৰক্ষাৰ চেষ্টাহে কৰে। অসমৰ এগৰাকী প্ৰসিদ্ধ কবি আৰু গীতিকাৰহ ডঃ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত অসমৰ কৃষিজীৱী সমাজখনৰ পৰা মনোমোহা দৃশ্যবোৰ আৰু চহাজীৱন হেৰাই যোৱাত কবিমনে হাহাকাৰ কৰি উঠিছে-

"তেওঁৰ পিছে পিছে গ'লগৈ
আঘোণৰ সোণবৰণীয়া ৰ'দ
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক
গৈ আছিল আৰু গ'লগৈ"

আজি বিপন্নপ্ৰায় আঘোণৰ পথাৰ। যান্ত্ৰিকতাই এপদ এপদ কৰি গ্ৰাস কৰি নিছে কৃষিজীৱী গাৱঁলীয়া সমাজখনৰ সম্পদবোৰ। অন্নদাতা আঘোণৰ পথাৰখন টুটি আহিব ধৰিছে।

অন্নদাতা আৰু স্বাৱলম্বনৰ মাধ্যম আঘোণৰ পথাৰখনিৰ সংকোচন আমাৰ বাবে হৈ পৰিছে এক বৃহৎ প্ৰত্যাহ্বান। সভ্যতাক প্ৰতিনিধিত্ব কৰা পথাৰখনিৰ আজি বিপন্ন হ'বলৈ ধৰিছে। বৰ্ণিল আঘোণীয়া পথাৰখন আজি কংক্ৰিটৰ ভৰত পেপুৱা লাগিছে। জনসংখ্যাৰ দ্ৰুত বিস্ফোৰণে আজি আঘোণৰ পথাৰক আহত কৰি পেলাইছে। অতিশীঘ্ৰে পথাৰসমূহ সংৰক্ষণ নকৰিলে আঘোণীয়া পথাৰখন বিলুপ্ত হৈ পৰিব। পথাৰহীন এখন দেশৰ ভৱিষ্যৎ অন্ধকাৰচ্ছন্ন। দেশৰ অৰ্থনীতিৰ বুনিয়াদ ৰচনা কৰা বিপুল পথাৰসমূহক আমি জীয়াই ৰাখিবই লাগিব। আঘোণ সদায় আমাৰ আপোন। আঘোণৰ ধানৰ শীহেদি কৃষকৰ বুকুলৈ সঞ্চাৰিত হওক এক সোণোৱালী অনুভূতি।

> চহা কৃষিজীৱি লোকসকলৰ কৃষিকাৰ্যৰ সক্ৰিয় সফলতাৰ প্ৰতীক চিনস্বৰূপে গণ্য কৰা নান্দনিক উৎসৱ ন-খোৱা। পৌৰাণিক ইতিহাস সমৃদ্ধ লোকবিশ্বাসমতে ন-খোৱা কেৱল যে উৎসৱ তেনে কোনো কথা নহয়; ই এক ভাতৃত্ববোধ, বজাই ৰখাৰ উৎসৱ যা ন চাউলৰ ভাতসাঁ জে আঘোণ মাহত খোৱাৰ মাদকতাই সৃষ্টি কৰে এক নতুন পৰিকল্পনা, নৱ সম্ভাৱনা।

> আঘোণ আহিলে গাঁও সমূহৰ বাৰীবোৰত শাকে-পাতে উভৈনদী হয়। অভাৱ-অনাটন গুচে। য'ত উচবৰ প্ৰয়োভৰ বাঢ়ে। মানে গাঁও সমূহত ভোগালীৰ প্ৰস্তুতি চলে। কৈ কৈ যেন শেষ কৰিব নোৱাৰা আঘোণৰ সোণসেৰীয়া কথা। এতিয়া আঘোণ ... অনুভৱী কোলাত উম্ দি থোৱাৰ বাহিৰে গত্যন্তৰ বিচাৰি নাপাওঁ।

# আঘোণৰ এবুকু সুখ এবুকু দুখ

**নেত্ৰকমল সন্দিকৈ**

পুৰাবে পৰা কুঁৱলী পৰিছে, হিমশীতল নিয়ৰত তিতিছে দুৱৰি বন। ৰিব্ ৰিব্ বতাহত হালিছে-জালিছে বৰা, জহা, সুৱাগমনি, মাণিকী-মধুৰী, মাগুৰি ধান। আজি পথাৰে পথাৰে বাজিছে হেমন্তৰ গান! নাৱৰীয়া ককাই ডিঙি মেলি চাই --কোন পথাৰত আঘোণৰ বেলি পোহৰ পৰিছে! ব্যস্ততাৰে ভৰা গাঁৱৰ ধূলিয়ৰি বাটেদি আঘোণ আহিছে...। ধানৰ থোক এৰি পাখি মেলি উৰি গৈছে টুনি। সেই যে ...(!) বাৰিষাৰ দোকোলটকা বানকো নেওচি প্ৰাপ্তিৰ সীমনা ভেদি খেতিয়কৰ মুখত বিৰিঙে নিৰ্ভেজাল হাঁহি। খেতিয়কৰ তেজে-ঘামে একাকাৰ কৰা সাহসৰ নামেই হ'ল সোণোৱালী আঘোণ। আঘোণ আচলতে কৃষিজীৱী মানুহৰ সাতামপুৰুষীয়া সৃষ্টিৰ অতিকৈ আপোন নজহা-নপমা দাপোণ।

কাতিৰ কঙাল নেওচি আঘোণে দিয়ে আমাক অৰ্থনৈতিক জয়গান। গুটিধানৰে বছৰদিয়েকলৈ ভঁৰাল টনকিয়াল হোৱাৰ কথা! আঘোণ আহিলে তাগুৱী নৈখনো শুই নিটাল মাৰে। তাতে ৰ'দপাই নৈ বালিচৰত বালিমাহী, দহিকতৰা, চাকৈ-চকোৱা অথবা গোনা ম'হৰ জাকে লয় ক্ষণেক জিৰণি। আঘোণ আহিলে আই-পিতাইৰ লগতে কণপাই-পমিলাহঁতৰো ব্যস্ততা দুগুণে বাঢ়ে। দাৱনীৰ কাঁচিৰ কেচ্ কেচ্ মাততহে আঘোণে সাৰপায়। দাৱনীৰ লাৱণী উঁঠত কুমলীয়া তামোলৰ পাগ, তেতিয়ালৈ পথাৰে-পথাৰে বিয়পি পৰিব ৰবাব-চুকা টেঙাৰ মলমলীয়া সুবাস। আৰু যে কণপাই কাইৰ চিৰিপ্ চিৰিপ্‌কৈ নাচি উঠা ডাঙৰিৰ ভৰত সুমথিৰা বেলিও লাজতে লুকাব আৰু সন্ধিয়ালৈ জাকৰুৱা শৰালিৰ মাতত মোৰ গাঁৱে-গাঁৱে গোন্ধাব আঘোণ, আঘোণ। সঁচাকৈয়ে বিনন্দীয়া প্ৰকৃতিৰ আমোঘ উপহাৰৰ নাম - আঘোণ! আঘোণ বুলিলেই সেই যে পথাৰত কলপাতত শাকে-শুকুতাৰে, পূৰা মাছৰ পিটিকাৰে খোৱা বালিভাত সাঁজৰ সোৱাদ আজিও যেন জিভাত লাগি আছে! নৰা পেঁপাৰ সুৰীয়া ৰাগিত তগ্‌বগ্ সোঁৱৰণীৰ শৈশৱ। পথাৰত চেঁচু খন্দা, বাৰীৰ জলফাই, শিলিখা বুটলি খোৱা আদি কত যে কৈ শেষ নোহোৱা কাহিনী!

আঘোণ মানেই প্ৰকৃতিৰ এক নিভাঁজ সুৰ। আঘোণ মানেই খামিডাঠ মানুহৰ স্বাভিমান। আমাৰ শৈশৱৰ দিনবোৰলৈ ঘূৰি চালে দেখো অঘোণে বহু স্মৃতিয়ে বহন কৰি আছে। যি কাহানিও পাহৰিব নোৱাৰি। যিহেতু ইংৰাজী নৱেম্বৰ-ডিচেম্বৰত আঘোণ মাহতো পৰে সেয়ে আমাৰ বছৰেকীয়া পৰীক্ষা শেষ কৰি মুক্ত পখীহৈ উৰিছিল শৈশৱৰ মন। সমনীয়াৰ স'তে পথাৰৰ নৰা কাটি ক্ৰিকেট খেলিবলৈ খেলপথাৰ নিমাৰ্ণ কৰা, মাৰ্বল খেলা, ৰেডিঅ' শুনা, টিভিত শক্তিমান, মহাভাৰত আদি চোৱা কথাবোৰে বৰকৈ আৱেগিক কৰি তোলে। তাতে আঘোণ সোমালে জুবিন গাৰ্গৰ সুললিত কণ্ঠেৰে নিগৰা জানমণি, অঞ্জনা, জোনবাই আদিৰ বিহুসুৰীয়া গীতসমূহ সদায়ে মনৰ সাঁচিপাতত থাকিব। আঘোণৰ গধূলি শীতৰ উমাল জুইকুৰাৰ স'তে জ্ঞাতি-বৰ্গ, মিটিৰ-কুটুম সবে মিলি গুটি ধান খোৱা তেলাল হাঁহ আৰু কোমোৰা, মাটি-মাহ কাঠআলু, পুখুৰীৰ মাছ, চেৰা দিয়া বৰাভাত আদি অনেক ব্যঞ্জনেৰে ন-খোৱাৰ আমেজ সঁচায়ে সুকীয়া...।

আঘোণ আহিলে গাঁও সমূহৰ বাৰীবোৰত শাকে-পাতে উভৈনদী হয়। অভাৱ-অনাটন গুচে। য'ত উচবৰ প্ৰয়োভৰ বাঢ়ে। মানে গাঁও সমূহত ভোগালীৰ প্ৰস্তুতি চলে। কৈ কৈ যেন শেষ কৰিব নোৱাৰা আঘোণৰ সোণসেৰীয়া কথা। এতিয়া আঘোণ ... অনুভৱী কোলাত উম্ দি থোৱাৰ বাহিৰে গত্যন্তৰ বিচাৰি নাপাওঁ। তথাপি বিশ্বায়নৰ বুকুত আধুনিকতাৰ ছন্দত যান্ত্ৰিকতাৰ ব্যাপক প্ৰয়োভৰতো আঘোণ আছে, পথাৰ আছে কিন্তু পূৰ্বৰ সেই মাদকতা নাই! মাটি আৰু মানুহৰ আত্মীকতাও ক'ৰবাত ম্লান হৈ পৰিছে। সামূহিক চেতনাও কমি আহিল। আজি আঘোণৰ পানচৈ ঘাটত সকলো যেন নষ্টালজীয়াৰ উকা দুহাত হৈ ৰৈছে...!

# অসমীয়াৰ হেঁপাহৰ আঘোণ আৰু নখোৱা উৎসৱ

**অজিত বৰুৱা**

আঘোণ মাহ আৰম্ভ হোৱাৰ লগে লগেই প্ৰতিজন অসমীয়া কৃষিজীৱি লোকৰ মাজত দেখা দিয়ে অপাৰ ব্যস্ততা। শৰৎ ঋতুৰ বিদায়ৰ লগে লগেই প্ৰকৃতিয়ে আদৰি আনে হেমন্ত ঋতুক। হেমন্ত ঋতু মানেই যেন আঘোণ পুহ মাহ। আঘোণ মাহ কেৱল এটা মাহেই নহয়, ই হৈছে কৃষক সমাজৰ বাবে আশা আৰু ভৰষাৰ দিন, এক আমোঘ শক্তি আৰু এক পৰিতৃপ্তিৰ হাঁহি। আঘোণ মানেই সোণোৱালী শস্যৰ পথাৰ। গোটেই বছৰ হাড়ভগা পৰিশ্ৰম কৰা কৃষকসকলে পথাৰ ভৰা সোণোৱালী ধানে ৰিঙিয়াই মতা আহ্বানত সোণালী আই লখিমীক আদৰিবলৈ অতি হেঁপাহেৰে নামি পৰে পথাৰত।

এটি শুভ দিন চাই পৰম্পৰাগত নীতি-নিয়মৰ মাজেৰে ধান কটাৰ আৰম্ভণিতে অতি শ্ৰদ্ধাৰে লখিমীক আদৰি অনা হয়। ইয়াকে কোৱা হয় "আগ অনা" বুলি। এই ধান চপোৱা সময়খিনি বৰ আনন্দৰ সময়। ডেকা-গাভৰু, বোৱাৰী, আইসকলে অত্যন্ত হেঁপাহেৰে শস্য চপোৱাত ব্যস্ত হৈ পৰা দেখিবলৈ পোৱা যায়। এই সময়খিনিত কৃষিজীৱী অসমীয়া সমাজৰ মাজত যেন অনাবিল সুখ আৰু আনন্দই বিৰাজ কৰে। ধান চপোৱা সময়খিনিত সৰু সৰু ল'ৰা ছোৱালীয়ে অত্যন্ত উলাহেৰে নৰাৰ মাজে মাজে ধানৰ লেছেৰি বুটলি ফুৰা আৰু চেঙেলীয়া এচাম ল'ৰাই এন্দুৰৰ গাঁত খান্দি ধানৰ লেছেৰি বস্তাত ভৰোৱা আদি কামত নামি পৰাও দেখা যায়। মুঠতে ক'বলৈ গ'লে এই সময়খিনি এক বুজাব নোৱাৰা অনুভূতিৰ সময়। শস্য চপোৱাৰ সামৰণিত কৃষিজীৱী অসমীয়া মানুহখিনিয়ে কৃষিকাৰ্যৰ সফলতাৰ প্ৰতীক হিচাপে একে উদ্দেশ্যৰে ঠাই বিশেষে বেলেগ বেলেগ নীতি- নিয়মৰ মাজেৰে ন খোৱা উৎসৱ পালন কৰা দেখিবলৈ পোৱা যায়।



"ন-খোৱা" উৎসৱ হৈছে অসমৰ অসমীয়া সমাজ জীৱনৰ এক কৃষিভিত্তিক উৎসৱ। এই উৎসৱ ক'ত কেতিয়া আৰু কিদৰে আৰম্ভণি হৈছিল জনাৰ উপাই নাই। এটা সময়ত জীৱ-জন্তুৰ পৰা কৃষকে শস্য ৰক্ষা কৰিব লগা হৈছিল আৰু কৃষিকাৰ্যত তেওঁলোকে ইজনে সিজনক সহায় কৰাটো আছিল অপৰিহাৰ্য। আঘোণ মাহত ধান কাটি মৰণা মৰাৰ পিছত নতুন ধানৰ চাউলেৰে সমূহীয়াকৈ ভোজ-ভাত খোৱা কাৰ্যকে "ন-খোৱা" বুলি কোৱা হয়। "ন-খোৱা" উৎসৱক সাধাৰণতে এক আনন্দপূৰ্ণ উৎসৱ বুলিয়েই কোৱা হয়। লোকবিশ্বাস অনুসৰি "ন-খোৱা" উৎসৱ বা "ন-চাউল"ৰ ভাতসাঁজ সাধাৰণতে আঘোণ মাহত খোৱাতো নিয়ম। দৰাচলতে "ন-খোৱা" উৎসৱ প্ৰথমে নামঘৰত সমূহীয়াকৈ আয়োজন কৰাৰ ব্যৱস্থা কৰা হয়। নামঘৰত "ন-খোৱা"ৰ দিনা গাঁৱৰ সকলো মানুহ নামঘৰলৈ গৈ কীৰ্তন পাঠ কৰি গুৰু সেৱা কৰাৰো নিয়ম পালিত। নামঘৰত ন-খাওঁতে নতুন চাউলৰ পায়স আৰু প্ৰসাদো দিয়া হয়। নামঘৰত "ন-খোৱা"ৰ পাছতহে গাঁৱৰ ৰাইজে ওচৰ চুবুৰীয়া আত্মীয়-কুটুম্বৰ সৈতে অথবা ঘৰে-ঘৰে "ন-খোৱা" উৎসৱ অনুষ্ঠিত কৰে।

অঞ্চল বিশেষে "ন-খোৱা"ৰ নীতি নিয়ম বেলেগ বেলেগ বুলিব পাৰি। "ন-খোৱা"ৰ দিনা গো সেৱা কৰিব লাগে। ন-চাউলৰ ভাত ৰান্ধি এখন আগলতি কলপাতত গোহালিত নি তাত নিজ পথাৰৰ কেঁচা ধান এমুঠি দি এডোখৰ ঠাই পৰিষ্কাৰ কৰি পানীৰে গোহালিৰ মুখ্য গৰুটোৰ ঠেং চাৰিখন ধুৱাই দি সকলো গো সেৱা কৰি ভাতখিনি খোৱাৰ পিছত সিহঁতক আদৰ সন্মানেৰে গোহালিত বান্ধি থোৱা হয়। কোনো কোনো ঠাইত "ন-খোৱা"ৰ দিনা মহিলাসকলে আই লখিমীক আদৰি নাম গোৱাৰো নিয়ম পালিত। এনেদৰে লখিমী আদৰাৰ নাম গাই মহিলাসকলে উৰুলি দিয়ে। কিছুমান ঠাইত মাঙ্গলিক চিন স্বৰূপে পদূলিমুখত কলপুলিও পোতা দেখিবলৈ পোৱা যায়।

অসমীয়া জাতীয় জীৱনৰ বাবে অসমীয়া লোক সংস্কৃতিৰ এনে পৰম্পৰাগত উৎসৱ সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি ক'ব পৰা যায়। আধুনিকতাৰ ধাম খুমীয়াত লোক সংস্কৃতিৰ এনে উৎসৱ পাৰ্বন, ৰীতি-নীতি, পৰম্পৰা আদিবোৰ নোহোৱা হোৱাৰ উপক্ৰম ঘটিছে। যুৱ প্ৰজন্মৰ মাজত এই পৰম্পৰাগত ব্যৱস্থা সম্পৰ্কে নাই কোনো স্পষ্ট ধাৰণা তথা জানিবলৈও নাই বিশেষ আগ্ৰহ, যাৰ ফলত অসমীয়া জাতি, অসমৰ লোক সংস্কৃতি গভীৰ সংকটৰ সন্মুখীন হৈছে বুলি আমি অনুভৱ কৰিছো। তথাপিটো আমি আশাকৰোঁ অনাগত সময়ত আমাৰ নৱপ্ৰজন্মৰ মাজত অসমীয়া লোক সংস্কৃতি, ভাষা সাহিত্য আদিবোৰৰ ওপৰত সজাগতা সৃষ্টি হ'ব। যদিহে আমি আমাৰ শিপা পাহৰিবলৈ আৰম্ভ কৰোঁ তেনে হ'লে এদিন ভূপেনদাই কোৱা "আজিৰ অসমীয়াই নিজক নিচিনিলে অসমতে ভগনীয়া হ'ব" বোলা কথাষাৰ সঁচা প্ৰতিপন্ন হ'ব।

> আঘোণত ওৰণি আঁতৰাই ন সাজত প্ৰাণ পাই উঠে পকা ধান। সেমেকা নিয়ৰৰ আচ্ছাদন আঁতৰাই আঘোণ ধৰাৰ বুকুলৈ আহে। কৃষক আঘোণৰ এৰাব নোৱাৰা সমন্ধ। আঘোণ আহিলে খেতিয়কৰ মন থৌকিবাথৌ হয়, প্ৰাপ্তিৰ প্ৰাচুৰ্যৰে মন ভৰি পৰে। ঠেঁটুৱৈৰে ধৰা পথাৰত কৃষকৰ মুখত এমুকুৰা হাঁহিৰ মিচিল।

# আঘোণৰ মাদকতা

**আল্পনা দলে**

সময়ৰ লগে লগে মানুহৰ জীৱনশৈলীৰ লগতে পৰিবেশ আৰু প্ৰকৃতি সকলোবোৰ সলনি হৈ গৈ থাকে। তেতিয়াৰ আঘোণৰত চহা খেতিয়ক সমাজখনৰ খুউৱ ব্যস্ততা আছিল। ৰাতিপুৱা শুই উঠাৰ পৰা পুৰুষ, মহিলা সমন্বিতে সকলোৰেই ব্যস্ততাপূৰ্ণ অলিখিত দিনলিপি বোৰ পৰিলক্ষিত হৈছিল।

আঘোণ প্ৰাচুৰ্য্যতা, পূৰ্ণতা প্ৰাপ্তিৰ মাহ, কৃষকৰ সাহ। আঘোণৰো যে ক'ত কথা। বুকুৰ মাজত সোমাই থকা সেউজীয়া হেঁপাহবোৰক সোণোৱালী কৰাৰ অবিৰাম চেষ্টা। শাওণৰ বোকাময় পথাৰত ৰ'দ বৰষুণ নেওচি লখিমী হাতেৰে নাঙলৰ সীৰলুত ৰোৱা কঠীয়াই আহিনত সঁজাল ধৰে। সপোনে পোখা মেলে, হেঁপাহবোৰে ন ৰূপ ধৰে। কাতি বিহুৰ দিনা পথাৰখনৰ চাৰিওপিনে ঘূৰি মেলি চাই ওখ ঠাইত বাঁহৰ গুজ পোতি এগচি বন্তি জ্বলায়। সেইদিনাই আঘোণৰ চালে চকুৰোৱা দলদোপ হেন্দোলদোপ দি থকা পথাৰৰ উমান পোৱা যায়, পকা ধানৰ মাজতে বিচাৰি পায় এমুঠি জোনাক। কুঁৱলীৰ আঁচল মেৰিয়াই আঘোণ আহে। অতি হেঁপাহৰ আঘোণ মাহতেই খেতিয়কে সোণগুটি চপোৱাত ব্যস্ত হৈ পৰে। সোণোৱালী আঘোণৰ সোণসেৰীয়া অনুভৱে কবিৰ মনত সিঁচি দিয়ে কবিতা মাথোঁ কবিতা।


চহা কৃষকে ধানক লখিমী বুলি গণ্য কৰে। ধান দোৱাৰ আগতে পকা ধানৰ আগ লোৱা (অনা) নিয়ম আছে। এই নিয়মো ঠাই বিশেষে বেলেগ বেলেগ। পকা ধানৰ থোকৰে সৈতে কেইডাল মান আগ কাটি আগলি কলপাত এখনেৰে মেৰিয়াই নতুন গামোচা এখনেৰে ঢাকি মূৰত লৈ ঘৰলৈ লখিমী আনি ভঁৰালৰ ভিতৰত ৰাখে। আগ অনা গৰাকীয়ে বাট পথত কাকো মাত-বোল নকৰে, কাৰণ লখিমী অসন্তুষ্ট হয় নতুবা লখিমী বেলেগৰ ঘৰলৈ গুচি যায় বুলি বিশ্বাস কৰে। ভঁৰালৰ গাধৈত বন্তি এগচিৰে মা-প্ৰসাদ আগবঢ়ায়। আগ অনাৰ পিচদিনাৰ পৰাই ধান দাবলৈ আৰম্ভ কৰে। বৰ্তমান সময়ত আধুনিকতাৰ ধামখুমীয়াত পৰি আগৰ লখিমী আদৰাৰ নীতি নিয়ম এলাগী হ'ল। আগ অনাৰ কেইবাদিনৰ আগৰ পৰাই বোৱাৰী-জীয়ৰীয়ে গোবৰ মাটিৰে লেপি লেপি ভঁৰালটোক ঠিকঠাক কৰে। গৃহস্থই খুটা কেইটা নতুন কৈ লগায়।

আঘোণত ওৰণি আঁতৰাই ন সাজত প্ৰাণ পাই উঠে পকা ধান। সেমেকা নিয়ৰৰ আচ্ছাদন আঁতৰাই আঘোণ ধৰাৰ বুকুলৈ আহে। কৃষক আঘোণৰ এৰাব নোৱাৰা সমন্ধ। আঘোণ আহিলে খেতিয়কৰ মন থৌকিবাথৌ হয়, প্ৰাপ্তিৰ প্ৰাচুৰ্যৰে মন ভৰি পৰে। ঠেঁটুৱৈৰে ধৰা পথাৰত কৃষকৰ মুখত এমুকুৰা হাঁহিৰ মিচিল। পথাৰখনে গোপনে গোপনে দাৱনীক হাত বাউল দি মাতে, থোকবোৰে হাউলি হাউলি লাজুকী চাৱনিৰে দাৱনী অহালৈ বাট চাই থাকে। আঘোণৰ পথাৰত দাৱনীয়ে হাতৰ কাঁচি খনেৰে ধান দাই থকাৰ নান্দনিকতাৰ দৃশ্যৰ ছবিখনে প্ৰাণ পাই উঠে। কেনভাছত ৰং তুলিকাৰ সৈতে চিত্ৰকৰে আঁকে একো একোখন জীয়া ছবি। সান্নিধ্যৰে সোণসেৰীয়া পথাৰত প্ৰতিশ্ৰুতিবোৰে জীপাল কৰে। ধান দাওঁতে পকা ধানৰ পাতে হাত নাকাটিবলৈ হাত দীঘল চোলা পিন্ধি লোৱা হয়। দাৱনীৰ খিলখিল হাঁহিয়ে কুঁৱলীৰ জাল ফালি পথাৰ ৰজনজনাই যায়। পকা ধানৰ ফুৰফুৰীয়া গোন্ধে মন-প্ৰাণ পুলকিত কৰি উশাহবোৰ উজায়, সেয়া কেৱল দাৱনীয়েহে অনুভৱ কৰিব পাৰে। জীয়ৰী -বোৱাৰীৰ মুখৰচকৰ, চুপতি ক'ত কথা কিমান যে খিলখিলনি। প্ৰসৰ ৰ'দকো নেওচি বিহু গাই নাচি-বাগি আনন্দত আত্মহাৰা হয়। পাহুৱাল ডেকাটিয়ে ৰিঙিয়াই গাইছে "ধানকে দাবলৈ নালাগে যাব তই লাহৰী, ধান পাতে কাটিব গা"। গাভৰু কেইজনীৰ ভুৱনভুলোৱা হাঁহিত গছৰ পাত সৰে। পিৰিতিৰ যৌৱন উতলে পথাৰত। দাৱনীয়ে খোচনিত খনিয়া তামোলৰ টোপোলা লৈ যায়, দুপৰীয়া ভাত খাই উঠি সেলেঙি বোৱায়। নৰাৰ ওপৰত বহি কলপাতত নিমখ জলকীয়াৰে বৰটেঙা ৰবাবটেঙাৰ জুতিলগা সোৱাদ পাহৰিব নোৱাৰি। দাৱনিবোৰে ভাত, সিজোৱা লাইশাক, নামচিংৰ লগতে দুটামান বিহ(ভোট) জলকীয়া, নিমখ কলপাতত বান্ধি লৈ পুৱাতেই পথাৰ পায় গৈ। ব্যস্ত জীৱনৰ উদৰৰ ভোকখিনি গুচাবৰ বাবে কিমান যে ধৈৰ্যৰে ৰ'ব লগা হৈছিল। দুপৰীয়া পোৱা মাছৰ পিটিকা-মোচৰাৰে জুতি লগাইবৰ তৃপ্তিৰে ভাত খাইছিলো মনত পৰিলে স্মৃতিৰ উচ্ছাসৰ পৰা তৰঙ্গৰ ঢৌৰৰ অনুভূতিয়ে মন প্ৰাণ পুলকিত কৰে। সোণগুটিৰ সুহুৰিত পুৱাৰ সপোন ভাগে। পথাৰত লেছেৰি বোটলো, কেতিয়াবা কোৰৰে খান্দি খান্দি নিগনিৰ গাঁতৰ পৰা ধানৰ থোক উলিয়াই আনো। ধানবোৰ বেচি পোৱা টকাৰে লগৰীয়াৰ লগত বালিভাত (বনভোজ) খাবলৈ যাওঁ, নতুন চোলা কিনি লওঁ। বহুতো সুমধুৰ স্মৃতি পথাৰৰ লগত আছিল। পথাৰৰ মাজৰ সৰু সৰু আলিয়েদি খোজ কাঢ়োতে ঘণেপতি পিছলি পৰিছিলো। হাঁহি হাঁহি ইজনীয়ে সিজনীক জোকাইছিলো। পথাৰখন আমাৰ কৈশোৰৰ চিনাকি আছিল। কিমান যে সুখৰ আছিল পথাৰৰ সেই দিনবোৰ, হেঁপাহ পলুৱাই খেলিছিলো, জঁপিয়াইছিলো, দৌৰিছিলো। নৰা- পেঁপা বজাই আনন্দ পাইছিলো। নৰাডাল অলপ দীঘলকৈ কাটি ছাটি সাজো। সেইয়া পথাৰৰ সোণসেৰীয়া পাহৰিব নোৱাৰা অতীত। টমালৰে আটি আটি ডাঙৰীবোৰ বান্ধি গৰু গাড়ীৰে ঘৰলৈ আনে। পাহুৱাল ডেকাৰ কান্ধত বিৰিয়াৰে ছঠৰীয়া ডাঙৰী জিৰিক জিৰিক শব্দত প্ৰাণ পাই উঠে দিঠকৰ সপোন। দিনত ধান কাটি ঘৰলৈ আনি সন্ধিয়া চোতালত মুখত মোখোৰা বান্ধি গৰু হালৰ মৰণাৰ পাকত সোণগুটি সৰে। আঘোণৰ পথাৰতেই বিচাৰি পাওঁ আজন্ম শৈশৱৰ সোণোৱালী দিনবোৰ। আঘোণৰ শেষত সকলোৱে মিলি হাঁহে মাহে ঘৰে ঘৰে ন-খোৱা পাতে। পথাৰৰ ধান ঘৰলৈ আহিলে সোণগুটি হয়। সময়ৰ আওঁতাত ডেউকা মেলি হেৰাই যোৱা সময়খিনি যদি আজুৰি ধৰি ৰাখিব পাৰিলোহেতেন, সেই সময়খিনি যে সুখকৰ আছিল। মনটোৱে এতিয়াও ঢাপলি মেলে অতীতলৈ। একালৰ চিৰ পৰিচিত পৰম্পৰাগত ভাৱে চলি অহা আঘোণৰ পথাৰৰ ধান দোৱাৰ নান্দনিকতা, চোতালত মৰণা মৰা, পথাৰত গৰু চৰাবলৈ যোৱাৰ মাদকতা সময়ৰ পৰিবৰ্তনৰ লগে লগে বিশ্বায়নৰ হাতোৰাত হেৰাই যোৱাৰ উপক্ৰম হৈছে। পথাৰৰ সৰু সৰু আলিয়েদি নিয়ৰ গছকি বাট কাটি গ'লে ভৰিত ঠেটুৱৈ লাগি জাৰ লগা দিন অতীত হ'ল। স্বাভিমানী আঘোণৰ সৃষ্টিৰ এই পুৰাতন পথাৰখনে যুগ যুগান্তৰলৈ হৃদয়ে হৃদয়ে উমলি থাকিব।

## আঘোণৰ বেথা আৰু লেঠা

✍ শুভাংশু শইকীয়া

আঘোণ তোৰ উদং হালধীয়া বুকুত দেখিছো মই
অবিশ্বাস আৰু অনুৰ্বৰতাৰ এখন ধূসৰ পৃথিৱী
ঘন বাঁহনিৰ মাজেৰে সোমাই অহা তোৰ
পুৱতি চিকিমিকি ৰ'দজাকৰো দেখিছোঁ মই
মাটিক চুমাৰ প্ৰতি থকা অতবোৰ
অনীহা আৰু কোমল এটি মৃদু ভাৱ বিলাস
দেখিছো আঘোণৰ বুকুত থকা শুকান,
মৰহা মৰমক একেস্বৰে শেষ আৰু বিদায় দিব নোৱাৰা দুৰ্বলতা
দেখিলো, লেখিলো আঘোণটোক
এতিয়া শুন তই,
বাৰমাহী গীতৰ দুখ আৰু কিমান দিনৰ আঘোণ -
আঘোণৰ বাটত পুহৰ লেঠা শেষ হ'লেই চোন ফাগুন,
তাৰ পৰা ব'হাগলৈ নো কিমান দূৰৰ বেথা...



## ব্ৰহ্মপুত্ৰত সন্ধানহীন কৃষ্ণভক্তৰ

ভিতৰত আজি সোমবাৰে পুৰা পুনৰ এজনৰ মৃতদেহ উদ্ধাৰ হৈছে। উদ্ধাৰ হোৱা মৃতদেহটো তেজপুৰৰ ইটাখোলাৰ প্ৰতাপ ৰায়ৰ বুলি চিনাক্ত কৰা হৈছে। সম্পূৰ্ণ পাঁচ দিন উকলি যোৱাৰ পিছতো আজি পুৱা প্ৰায় ১০ বজাত খাৰঘূলিৰ পানীটেংকীৰ সমীপৰ ব্ৰহ্মপুত্ৰৰ পাৰত এটা মৃতদেহ ওপঙি থকা অৱস্থাত স্থানীয় ৰাইজে দেখা পায়। তেওঁলোকে ততালিকে লতাশিল আৰক্ষী থানাত খবৰ দিয়ে। খবৰ লাভ কৰি ঘটনাস্থলীত উপস্থিত হয় এছডিআৰএফ, এনডিআৰএফ আৰু নদী আৰক্ষীৰ দল। বৃহৎ অভিযান চলাই তেওঁলোকে মৃতদেহটো উদ্ধাৰ কৰে আৰু আৰক্ষীয়ে চিনাক্তকৰণৰ পিছত ই প্ৰতাপ ৰায়ৰ বুলি নিশ্চিত কৰে। ইপিনে, যোৱা শনিবাৰে সন্ধিয়া বঙাইগাঁৱৰ ৰৌণক সাদাৰ মৃতদেহো খাৰঘূলি অঞ্চলতে ব্ৰহ্মপুত্ৰৰ পানীত ওপঙি থকা অৱস্থাত উদ্ধাৰ হৈছিল। এতিয়াও ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন হৈ আছে আন তিনিজন কৃষ্ণভক্ত- বিশ্বনাথৰ বাঘমাৰীৰ উপেশ কুমাৰ, দিল্লীৰ গুৰগাঁৱৰ সাগৰ গৌতম আৰু গুৱাহাটীৰ উজানবজাৰৰ অভিজিৎ চৌধুৰী। উল্লেখ্য যে, যোৱা বুধবাৰে তেজপুৰৰ পৰা অহা নজনীয়া কৃষ্ণভক্তৰ এটা দলে খাৰঘূলিৰ জয়পুৰ ঘাটৰ সমীপৰ ইস্কন কৰ্তৃপক্ষই স্থাপন কৰা ভক্তি কুটীৰ মন্দিৰত পূজা-অৰ্চনা কৰি ব্ৰহ্মপুত্ৰত গা ধুবলৈ নামে। সেই সময়তে নদীৰ বৰলুইতত ইয়াৰে পাঁচজন সন্ধানহীন হৈ পৰে। ঘটনাটো সংঘটিত হোৱাৰ লগে লগে সেইদিনা সন্ধিয়াই উদ্ধাৰ অভিযান আৰম্ভ হয়। যোৱা তিনিদিন ধৰি এনডিআৰএফ, এছডিআৰএফ আৰু নদী আৰক্ষীৰ বৃহৎ দলে নদীত নিৰন্তৰ অভিযান চলাই অহাৰ পিছতো প্ৰথমতে কোনো সন্ধান পোৱা নগ'ল। কিন্তু শনিবাৰে ৰৌণক সাদাৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছত আজি পুনৰ প্ৰতাপ ৰায়ৰ মৃতদেহ উদ্ধাৰ হ'ল। বাকী তিনিজনৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এই দুৰ্ঘটনাই স্থানীয় ৰাইজৰ মাজত শোকৰ ছাঁ পেলাইছে আৰু ব্ৰহ্মপুত্ৰৰ দৰে বিপদজনক নদীত সাৱধানতাৰে গা ধোৱাৰ প্ৰয়োজনীয়তাৰ কথা পুনৰ সোঁৱৰাই দিছে।

## অৰ্ধ শতাধিক কংগ্ৰেছ কৰ্মীৰ

আনুষ্ঠানিকভাৱে যোগদান কৰি দলটোৰ শক্তি আৰু বৃদ্ধি কৰে। এই যোগদানৰ ফলত সমষ্টিটোত বিজেপিৰ সাংগঠনিক ভিত্তি আৰু দৃঢ় হৈ উঠিল বুলি দলীয় নেতাসকলে মন্তব্য কৰিছে। সভাখনৰ সভাপতিত্ব কৰে চাপৰমুখ-গৰুবাট মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ নৱনিযুক্ত সভাপতি জহুৰ আলিয়ে। এই সভাতে জহুৰ আলিয়ে আনুষ্ঠানিকভাৱে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে আৰু দলৰ সংখ্যালঘু সম্প্ৰদায়ৰ মাজত কাম কৰাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। তেওঁ নৱপ্ৰৱেশী কৰ্মীসকলক আদৰণি জনাই কয় যে বিজেপিৰ নীতি আৰু কাৰ্যসূচীয়ে সকলো সম্প্ৰদায়ৰ উন্নয়নৰ বাবে কাম কৰি আছে আৰু এই যোগদানে দলৰ ভিত্তি আৰু শক্তিশালী কৰিব। সভাত উপস্থিত থাকে নগাঁও জিলাৰ সংখ্যালঘু মৰ্চাৰ সভাপতি নুৰ উদ্দিন আহমেদ, সম্পাদক ৰকি মতবুৰ, চাপৰমুখ-গৰুবাট মণ্ডলৰ বিজেপি সভাপতি ভাস্কৰ দাস, সংখ্যালঘু মৰ্চাৰ প্ৰভাৰী বাহাৰুল ইছলামকে ধৰি বহুকেইগৰাকী বিষয়ববীয়া। ইয়াৰ উপৰি উদীয়মান যুৱ নেতা মতিউৰ ৰহমান, ওমৰ আলী, ৰমজান আলী, নুৰ উদ্দিন, যুগল বৰা, নাৰায়ণ ঘোষ, আব্দুল ৰহিম, জুৱেল আহমেদ, মুশ্বাহিদ হুছেইন আদি নেতাসকলেও সভাত অংশগ্ৰহণ কৰে। পঞ্চায়ত স্তৰতো উপস্থিত থাকে সভানেত্ৰী পাৰবিনা বেগম আৰু ৰুণা লাইলাকে ধৰি চাপৰমুখ-গৰুবাট মণ্ডল আৰু কচুৱা অঞ্চলৰ বহু জ্যেষ্ঠ বিজেপি কৰ্মী। নৱপ্ৰৱেশী কৰ্মীসকলে বিজেপিৰ উন্নয়নমূলক কাৰ্যসূচী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ পৰিৱৰ্তনৰ প্ৰভাৱত আকৃষ্ট হৈ দলত যোগদান কৰা বুলি জানিব পৰা গৈছে। সভাত দলীয় নেতাসকলে এই যোগদানক সমষ্টিৰ ৰাজনৈতিক পৰিৱেশত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন বুলি অভিহিত কৰে আৰু আগন্তুক দিনত সংখ্যালঘু সম্প্ৰদায়ৰ মাজত দলৰ কাম আৰু বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই সভাই ৰহা সমষ্টিত বিজেপিৰ জনপ্ৰিয়তা আৰু সাংগঠনিক শক্তিৰ এক নতুন উদাহৰণ হিচাপে পৰিগণিত হৈছে। দলীয় সূত্ৰই জনোৱা অনুসৰি, এনে যোগদানৰ ধাৰা অব্যাহত থাকিলে অহা নিৰ্বাচনত দলৰ স্থিতি আৰু মজবুত হ'ব।

## গুৱাহাটী বিশ্ববিদ্যালয়ত

পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে যদিও, আধাৰশিলাৰ ফলকত মাৰাত্মক বানান ভুলে সকলোকে স্তম্ভিত কৰি তুলিছে। সোমবাৰে অনুষ্ঠিত এই কাৰ্যসূচীত উপস্থিত থকা বিশ্ববিদ্যালয়ৰ শিক্ষক, শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ মাজতো এই ভুলটো চকুত নপৰাটোৱে প্ৰশ্ন উত্থাপন কৰিছে। আধাৰশিলা স্থাপনৰ কাৰণ আৰু স্থাপনকাৰীৰ নাম উল্লেখ থকা ফলকখনত 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ ঠাইত লিখা হৈছে 'গুৱাহাটী বিশ্বব্যিালয়'। অসমীয়া ভাষাৰ এনে এটা মৌলিক শব্দৰ বানানত এনে গুৰুতৰ ভুল হোৱাটোৱে বিশ্ববিদ্যালয়ৰ দায়িত্বশীলতা আৰু মাতৃভাষাৰ প্ৰতি সন্মানৰ অভাৱক প্ৰকাশ কৰিছে বুলি সচেতন মহলে মত পোষণ কৰিছে। 'শ্বহীদ বেদী'টো বিশ্ববিদ্যালয়ৰ এক ঐতিহাসিক স্মৃতিস্তম্ভ, যিটো অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত নিৰ্মিত। দীৰ্ঘদিনৰ পৰা পুনৰ নিৰ্মাণৰ দাবী উত্থাপিত হৈ আহিছে আৰু ছাত্ৰ সংগঠনসমূহে এই সন্দৰ্ভত প্ৰতিবাদো কৰি আহিছে। কিন্তু এই গুৰুত্বপূৰ্ণ অনুষ্ঠানতে মাতৃভাষাৰ এনে অৱহেলাৰ ঘটনাই সকলোকে বিস্মিত কৰি তুলিছে। উপস্থিত থকা বহুতে এই ভুলটো লক্ষ্য কৰিলেও কাৰ্যসূচী চলি থকাৰ সময়ত ইয়াক সংশোধন কৰাৰ কোনো প্ৰচেষ্টা লক্ষ্য কৰা নগ'ল। সচেতন মহলৰ পৰা ইতিমধ্যে প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। বহুতে এই ঘটনাক বিশ্ববিদ্যালয়ৰ শিক্ষাবিদসকলৰ গাফিলতি আৰু মাতৃভাষাৰ প্ৰতি অসন্মান বুলি সমালোচনা কৰিছে। এনে এক উচ্চ শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ প্ৰতি এইধৰণৰ অৱজ্ঞা কিয় দেখা গৈছে, তাৰ উত্তৰ বিচাৰিছে সকলোৱে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই ভুলৰ বাবে ক্ষমা বিচাৰি সংশোধনৰ ব্যৱস্থা লোৱা উচিত বুলি মত প্ৰকাশ কৰিছে অনেকে। এই ঘটনাই অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰতি শিক্ষানুষ্ঠানসমূহৰ দায়বদ্ধতাৰ প্ৰশ্ন উত্থাপন কৰিছে। আগন্তুক দিনত কৰ্তৃপক্ষই এই বিষয়ে কি স্পষ্টীকৰণ দিয়ে, সেয়া লক্ষণীয় হ'ব।

## পঞ্চভূতত বিলীন পদ্মশ্ৰী প্ৰফুল্ল

গতকালী নিশা বয়সজনিত ৰোগত আপল' হস্পিতেলত তেওঁৰ দেহাৱসান ঘটিছিল। তেওঁৰ বয়স আছিল ৯৩ বছৰ। নৱগ্ৰহ শ্মশানত অনুষ্ঠিত শেষকৃত্যত অসংখ্য গুণমুগ্ধ লোকৰ লগতে অসম চৰকাৰৰ মন্ত্ৰী অজন্তা নেওগ আৰু পীযূষ হাজৰিকা উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সংস্থা (আছু)ৰ তৰফৰ পৰা মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাকে ধৰি সংগঠনৰ নেতৃবৃন্দই প্ৰবীণ সাংবাদিক গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইপিনে, অসম চৰকাৰৰ গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় শংকৰ তিৱাৰীয়েও শেষকৃত্যত অংশগ্ৰহণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিশিষ্ট সাহিত্যিক ৰীতা চৌধুৰীকে ধৰি বহুকেইগৰাকী প্ৰখ্যাত সাংবাদিক, সাংস্কৃতিক ব্যক্তিত্ব আৰু সাধাৰণ ৰাইজে নৱগ্ৰহ শ্মশানত উপস্থিত হৈ প্ৰফুল্ল গোবিন্দ বৰুৱাক শেষ বাৰৰ বাবে শ্ৰদ্ধাৰে স্মৰণ কৰে। উল্লেখ্য যে, দ্য আছাম ট্ৰিবিউনৰ প্ৰতিষ্ঠাপক ৰাধা গোবিন্দ বৰুৱাৰ পুত্ৰ প্ৰফুল্ল গোবিন্দ বৰুৱাই দীৰ্ঘদিন ধৰি অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছিল। ১৯৯৭ চনৰ পৰা তেওঁ দ্য আছাম ট্ৰিবিউনৰ সম্পাদকৰ দায়িত্বত আছিল আৰু গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ পুৰণি আৰু জনপ্ৰিয় ইংৰাজী দৈনিকখনক নেতৃত্ব দি অহাৰ লগতে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ প্ৰসাৰতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁৰ দেহাৱসানে অসমৰ সাংবাদিকতা জগতত এক অপূৰণীয় ক্ষতি কৰিলে বুলি সকলোৱে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে তেওঁৰ দেহাৱসানত গভীৰ শোক প্ৰকাশ কৰিছে।

## তেজপুৰ চিকিৎসা

তুলিছে। হাস্পতালৰ ভাৰপ্ৰাপ্ত সহকাৰী অধীক্ষক তথা চিকিৎসক ডাঃ অৰিজিৎ দত্তৰ বিৰুদ্ধে কৰ্মচাৰীসকলক শাৰীৰিক আৰু মানসিকভাৱে দুৰ্ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সোমবাৰে ক্ষুব্ধ কৰ্মচাৰীসকলে প্ৰতিবাদী সভা অনুষ্ঠিত কৰি ডাঃ দত্তৰ কঠোৰ শাস্তি আৰু তৎকালীন বৰ্খাস্তৰ দাবী জনাইছে। অভিযোগসমূহৰ মতে, ডাঃ অৰিজিৎ দত্তই সহকাৰী অধীক্ষকৰ দায়িত্ব লাভ কৰাৰ পিছৰে পৰা কৰ্মচাৰীসকলৰ প্ৰতি অত্যাচাৰী মনোভাৱ প্ৰদৰ্শন কৰি আহিছে। পুৰুষ আৰু মহিলা কৰ্মচাৰী উভয়কে শাৰীৰিক প্ৰহাৰৰ লগতে মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। বিশেষকৈ চতুৰ্থ শ্ৰেণীৰ MTS কৰ্মচাৰী গোবিন্দ কাকতিক যোৱা শনিবাৰে আয়ুস্মান কাৰ্ডৰ লিংক নোপোৱাৰ অজুহাতত কলাৰ ধৰি চোচৰাই নি সকলোৱে সন্মুখত উপৰ্যুপৰি প্ৰহাৰ কৰা বুলি অভিযোগ কৰা হৈছে। আন এটা ঘটনাত অস্থায়ী চাফাইকৰ্মী সুমিত বাস্ফৰক স্নানাগাৰৰ পানীৰ টেপ নোহোৱাৰ কথা জনোৱাৰ বাবে চোৰ বুলি ভুৱা অভিযোগ তুলি প্ৰহাৰ কৰা হৈছে। হাস্পতালত পানীৰ টেপ চুৰিৰ একাধিক ঘটনা সংঘটিত হৈ অহা সত্ত্বেও এই অজুহাতত বাস্ফৰক দোষাৰোপ কৰি মাৰধৰ কৰাৰ লগতে চাকৰিৰ পৰা উলিওৱাৰ ভাবুকি দিয়া হৈছেবুলি কৰ্মচাৰীসকলে দাবী কৰিছে। পৰৱৰ্তী সময়ত টেপ চুৰিৰ এটা ঘটনাত আন এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলেও বাস্ফৰৰ ক্ষেত্ৰত মিছা অভিযোগ আনি দুৰ্ব্যৱহাৰ কৰা হৈছে। মহিলা কৰ্মচাৰীসকলৰ ক্ষেত্ৰতো অভিযোগ কম নহয়। সমাজকৰ্মী ৰূপশ্ৰী দত্তৰ সন্তান গুৰুতৰভাৱে অসুস্থ হোৱা সত্ত্বেও তেওঁক ছুটী নিদি মানসিকভাৱে জুৰুলা কৰা হৈছে। পৰৱৰ্তী সময়ত অধীক্ষকে ছুটী মঞ্জুৰ কৰা সত্ত্বেও অনাধিকাৰভাৱে উপস্থিত নথকাৰ অভিযোগ তুলি কাৰণ দৰ্শোৱাৰ নোটিচ জাৰি কৰাৰ লগতে চাফাইকৰ্মীসকলৰ সৈতে বহি কাম কৰিবলৈ বাধ্য কৰা হৈছে বুলি অভিযোগ উঠিছে। আন এজন কৰ্মচাৰী সুশীল কুমাৰ দাসে নিয়ম অনুসৰি ছুটী লৈ ঘৰলৈ গৈ থকা অৱস্থাতে আধাবাটৰ পৰা ঘূৰাই অনা হৈছে আৰু কামত যোগ দিবলৈ বাধ্য কৰা হৈছে, যাৰ ফলত তেওঁ চৰম হতাশাগ্ৰস্ত হৈ পৰিছে। কৰ্মচাৰীসকলে লগতে অভিযোগ কৰিছে যে, ডাঃ দত্তৰ এজন নিকট আত্মীয় হাস্পতালতে কৰ্মৰত থকাৰ সুবিধা লৈ তেওঁক সময়ৰ হিচাপ নৰখাৰ অনুমতি দিয়া হৈছে, কিন্তু আন কৰ্মচাৰীসকলৰ ক্ষেত্ৰত অত্যধিক কঠোৰতা প্ৰদৰ্শন কৰা হৈছে। এই সকলো অভিযোগৰ পিছতে কৰ্মচাৰী সন্থাই স্বাস্থ্যমন্ত্ৰী, শোণিতপুৰ জিলা প্ৰশাসন, মানৱ অধিকাৰ আয়োগ আৰু স্বাস্থ্য বিভাগলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰি ২৪ ঘণ্টাৰ ভিতৰত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছিল। কিন্তু কোনো ব্যৱস্থা নোহোৱাত ক্ষুব্ধ হৈ সোমবাৰে দিনৰ ১২ বজাত জৰুৰী সভা অনুষ্ঠিত কৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। সভাত "অৰিজিৎ দত্ত গ'বেক", "অৰিজিৎ দত্তক বৰ্খাস্ত কৰক", "অৰিজিৎ দত্তক গ্ৰেপ্তাৰ কৰক" আদি ধ্বনি দি কৰ্মচাৰীসকলে হাস্পতালৰ অধীক্ষক আৰু অধ্যক্ষক স্মাৰকপত্ৰ প্ৰদান কৰে। লগতে মহাবিদ্যালয় চৌহদত থকা আৰক্ষী থানাতো এজাহাৰ দাখিল কৰা হৈছে বুলি সন্থাৰ সভাপতি অঞ্জন নাথ আৰু সম্পাদক প্ৰাণজিত শৰ্মাই জানিবলৈ দিয়ে। এই প্ৰতিবাদৰ পিছত হাস্পতাল কৰ্তৃপক্ষই এখন তদন্ত সমিতি গঠন কৰিছে। প্ৰথমতে কৰ্মচাৰীসকলৰ কোনো প্ৰতিনিধি সমিতিত অন্তৰ্ভুক্ত নকৰাৰ বাবে পুনৰ প্ৰতিবাদৰ সৃষ্টি হোৱাত কৰ্মচাৰী প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হয় কৰ্তৃপক্ষ। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ইতিপূৰ্বে চিকিৎসক আৰু নাৰ্ছসকলৰ দ্বাৰা ৰোগী আৰু অভিভাৱকক দুৰ্ব্যৱহাৰৰ অভিযোগ সঘনাই উত্থাপিত হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত এই নতুন ঘটনাই হাস্পতালৰ প্ৰশাসনিক ব্যৱস্থা আৰু কৰ্ম পৰিৱেশৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। কৰ্মচাৰীসকলে আশা কৰিছে যে তদন্তৰ জৰিয়তে ন্যায় প্ৰতিষ্ঠা হ'ব আৰু ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নহ'ব।

## বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী

ৰাষ্ট্ৰীয় সভাপতি জেপি নাড্ডাই এই নিযুক্তি প্ৰদান কৰিছে, যিয়ে দলৰ নিৰ্বাচনী ৰণকৌশলক অধিক শক্তিশালী কৰাৰ লক্ষ্য ৰাখিছে। ৰাষ্ট্ৰীয় উপ-সভাপতি তথা সাংসদ বৈজয়ন্ত জয় পাণ্ডাক অসমৰ নিৰ্বাচন প্ৰভাৰী হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ লগতে জম্মু আৰু কাশ্মীৰ বিধানসভাৰ বিৰোধী দলৰ নেতা তথা বিধায়ক সুনীল কুমাৰ শৰ্মা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দৰ্শনা বেন জাৰ্দোশক নিৰ্বাচন সহ-প্ৰভাৰীৰ দায়িত্ব প্ৰদান কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অৰুণ সিঙে স্বাক্ষৰিত এখন চিঠিৰ জৰিয়তে এই নিযুক্তিৰ কথা জনোৱা হৈছে। চিঠিখনত উল্লেখ কৰা অনুসৰি, এই নিযুক্তিসমূহ তৎক্ষণাত কাৰ্যকৰী হৈছে। বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত সুনীল কুমাৰ শৰ্মা আৰু দৰ্শনা জাৰ্দোশে অসমৰ নিৰ্বাচনী প্ৰচাৰ আৰু ৰণনীতি প্ৰস্তুতত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখ্য যে, বৈজয়ন্ত পাণ্ডাই ইতিপূৰ্বে ২০২১ চনৰ অসম বিধানসভা নিৰ্বাচনতো বিজেপিৰ নিৰ্বাচন প্ৰভাৰীৰ দায়িত্ব পালন কৰিছিল। সেই নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএই পুনৰ ক্ষমতালৈ আহিছিল আৰু হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ গঠন কৰিছিল। এইবাৰো দলটোৱে অসমত টানকৈয়ালি জয়লাভ কৰাৰ লক্ষ্যৰে প্ৰস্তুতি চলাইছে। ২০২৬ চনৰ মাৰ্চ-এপ্ৰিল মাহত অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনত বিজেপিয়ে বৰ্তমানৰ চৰকাৰী ক্ষমতা ধৰি ৰাখিব বিচাৰিছে। দলৰ কেন্দ্ৰীয় নেতৃত্বই এই নিযুক্তিৰ জৰিয়তে ৰাজ্যিক ইউনিটক অধিক সংগঠিত আৰু শক্তিশালী কৰাৰ বাৰ্তা দিছে। প্ৰভাৰীসকলে শীঘ্ৰেই অসমলৈ আহি দলীয় কৰ্মী আৰু নেতাসকলৰ সৈতে বৈঠক আৰম্ভ কৰিব বুলি জানিব পৰা গৈছে। এই ঘোষণাই ৰাজ্যৰ ৰাজনৈতিক মহলত চৰ্চাৰ সৃষ্টি কৰিছে আৰু বিৰোধী দলসমূহেও নিজৰ প্ৰস্তুতি তীব্ৰতৰ কৰিব বুলি আশা কৰা হৈছে।

## দিল্লীত নাৰ্চাৰীৰ পৰা পঞ্চম

মোডতহে অনুষ্ঠিত হ'ব। শিক্ষা সঞ্চালকালয়ে জাৰি কৰা এক চক্ৰাকাৰত উল্লেখ কৰা অনুসৰি, দিল্লীৰ সকলো চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু ব্যক্তিগত স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ত নাৰ্চাৰীৰ পৰা পঞ্চম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক উপস্থিতিৰে ক্লাছ বন্ধ থাকিব। ইয়াৰ পৰিৱৰ্তে বিদ্যালয়সমূহে অনলাইন প্লেটফৰ্মৰ জৰিয়তে পাঠদানৰ ব্যৱস্থা কৰিবলৈ বাধ্যতামূলক নিৰ্দেশ দিয়া হৈছে। ষষ্ঠ শ্ৰেণী আৰু তাৰ ওপৰৰ শ্ৰেণীসমূহৰ ক্ষেত্ৰত পূৰ্বতে জাৰি কৰা হাইব্ৰিড মোড (শাৰীৰিক আৰু অনলাইন দুয়োটা) অব্যাহত থাকিব। দিল্লীৰ বায়ুৰ গুণাগুণ সূচক (AQI) যোৱা কেইদিনমানৰ পৰা 'গুৰুতৰ' (Severe) শ্ৰেণীত অৱস্থান কৰি আছে। সোমবাৰে AQI ৪২৭ত উপনীত হোৱাৰ লগতে দেওবাৰে ই ৪৬১লৈ বৃদ্ধি পাইছিল, যিটো ডিচেম্বৰ মাহৰ বাবে দ্বিতীয় সৰ্বোচ্চ স্তৰ। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি, নগৰখনৰ ২৭টা মনিটৰিং ষ্টেচনত বায়ুৰ মান 'গুৰুতৰ' আৰু ১২টাত 'অতি নিকৃষ্ট' হিচাপে ৰেকৰ্ড কৰা হৈছে। এনে পৰিস্থিতিত শিশু আৰু বয়োজ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্যৰ ওপৰত সৰ্বাধিক প্ৰভাৱ পৰে, যাৰ ফলত চৰকাৰে এই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। শিক্ষা সঞ্চালকালয়ৰ বিষয়াই জনোৱা মতে, এই সিদ্ধান্তৰ মূল উদ্দেশ্য হৈছে সৰু ল'ৰা-ছোৱালীক প্ৰদূষিত বায়ুৰ সংস্পৰ্শৰ পৰা ৰক্ষা কৰা। একে সময়তে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ ধাৰাবাহিকতা বজাই ৰাখিবলৈ অনলাইন পাঠদানৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সকলো বিদ্যালয় প্ৰধানক নিৰ্দেশ দিয়া হৈছে যে তেওঁলোকে অভিভাৱকসকলক তৎকালীনভাৱে এই পৰিৱৰ্তনৰ বিষয়ে অৱগত কৰক আৰু অনলাইন ক্লাছৰ সময়সূচী যথাযথভাৱে পালন কৰক। জিলা আৰু খণ্ডস্তৰীয় উপ-শিক্ষা সঞ্চালকসকলক এই নিৰ্দেশ কঠোৰভাৱে বলবৎ কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। শিক্ষামন্ত্ৰীয়ে এই সন্দৰ্ভত মন্তব্য কৰি কয়, "শিশুৰ স্বাস্থ্য আৰু কল্যাণ আমাৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ। বিষাক্ত বায়ুৰ পৰা সৰু ল'ৰা-ছোৱালীক সুৰক্ষিত ৰখাৰ বাবে এই প্ৰতিৰোধমূলক ব্যৱস্থা অতি প্ৰয়োজনীয়। আমি শিক্ষাৰ্থীৰ শিক্ষাৰ কোনো ব্যাঘাত নোহোৱাকৈ এই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰি আছোঁ।" দিল্লীৰ নাগৰিকসকলে ইতিমধ্যে ঘন কুঁৱলী আৰু প্ৰদূষণৰ ফলত দৈনন্দিন জীৱনত অসুবিধাৰ সন্মুখীন হৈছে। চৰকাৰে GRAP-৪ পৰ্যায়ৰ নিয়ম বলবৎ কৰাৰ লগতে অন্যান্য প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰিছে। অভিভাৱকসকলে এই সিদ্ধান্তক স্বাগত জনাইছে যদিও অনলাইন পাঠদানৰ মানদণ্ড বজাই ৰখাৰ বাবে বিদ্যালয়সমূহৰ ওপৰত অধিক দায়িত্ব অৰ্পিত হৈছে। এই পৰিস্থিতিৰ পৰা উত্তৰণৰ বাবে বায়ু প্ৰদূষণ হ্ৰাসৰ দিশত দ্ৰুত পদক্ষেপৰ প্ৰয়োজন বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## তেজপুৰ বিশ্ববিদ্যালয়ত উপাচাৰ্যৰ অপসাৰণৰ

উপাচাৰ্য প্ৰফেছৰ শম্ভু নাথ সিঙৰ ততালিকে অপসাৰণৰ দাবীত আজি ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীসকলে ৯ ঘণ্টীয়া অনশন ধৰ্মঘট পালন কৰিছে। পুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা এই ধৰ্মঘট সন্ধিয়া ৬ বজালৈকে অব্যাহত আছিল। তেজপুৰ বিশ্ববিদ্যালয় ইউনাইটেড ফ'ৰাম (TUUF)ৰ নেতৃত্বত চলি থকা এই আন্দোলনত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক আৰু অশিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ পৰা আনুষ্ঠানিক সিদ্ধান্ত নোপোৱালৈকে সকলো শৈক্ষিক আৰু প্ৰশাসনিক কাৰ্যসূচী বৰ্জন কৰি যোৱাৰ সিদ্ধান্ত লৈছে। এই বৰ্জনৰ ফলত কেম্পাছত পাঠদান, পৰীক্ষা আৰু প্ৰশাসনিক কাম-কাজত যথেষ্ট ব্যাঘাত জন্মিছে। দীৰ্ঘদিনীয়া প্ৰতিবাদৰ পিছতো মন্ত্ৰালয়ৰ ফালৰ পৰা কোনো স্পষ্ট পদক্ষেপ নোহোৱাত প্ৰতিবাদকাৰীসকলে গভীৰ হতাশা প্ৰকাশ কৰিছে। তেওঁলোকে অভিযোগ কৰিছে যে মন্ত্ৰালয়ৰ নিৰৱতাই বিশ্ববিদ্যালয়খনক এক অনিশ্চয়তাৰ মাজত থৈ দিছে, যাৰ ফলত শৈক্ষিক পৰিৱেশৰ গুৰুতৰ ক্ষতি হৈছে। এগৰাকী ছাত্ৰ নেতাই কয়, "এই প্ৰতিষ্ঠানটোৰ সততা আৰু মৰ্যাদা ৰক্ষাৰ বাবে মন্ত্ৰালয়ৰ পৰা স্বচ্ছ আৰু নিৰ্দিষ্ট হস্তক্ষেপ অতি প্ৰয়োজনীয়। অন্যথা শৈক্ষিক স্বাভাৱিকতা ঘূৰাই অনাটো অসম্ভৱ হৈ পৰিব।" আন এগৰাকী শিক্ষকে এই অনশনক 'বিশ্ববিদ্যালয়ৰ স্বাস্থ্য উদ্ধাৰৰ প্ৰক্ৰিয়া' বুলি অভিহিত কৰি কয় যে প্ৰতিষ্ঠানটো বৰ্তমান অসুস্থ অৱস্থাত আছে। প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰিছে যে উপাচাৰ্য শম্ভু নাথ সিঙক পদৰ পৰা ততালিকে অপসাৰণ কৰাটোহে তেওঁলোকৰ মুখ্য দাবী। ইয়াৰ লগতে নিৰপেক্ষ উচ্চপৰ্যায়ৰ তদন্ত আৰু তেওঁক প্ৰশাসনিক ছুটীত পঠোৱাৰো দাবী উত্থাপন কৰা হৈছে। মন্ত্ৰালয়ে দ্ৰুত আৰু দৃঢ় পদক্ষেপ নল'লে আন্দোলন আৰু তীব্ৰতৰ কৰাৰ সতৰ্কবাণী দিয়া হৈছে। উল্লেখ্য যে, এই আন্দোলন ইতিমধ্যে ৮৬ দিনত পদাৰ্পণ কৰিছে আৰু বিশ্ববিদ্যালয়খনত সম্পূৰ্ণ অচলাৱস্থাৰ সৃষ্টি হৈছে। ছাত্ৰ-শিক্ষকসকলে মন্ত্ৰালয়ক বিশ্ববিদ্যালয়ৰ স্বাভাৱিক কাৰ্যকলাপ ঘূৰাই অনাৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনাইছে। এই পৰিস্থিতিয়ে কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহৰ প্ৰশাসনিক সংকটৰ এক নতুন উদাহৰণ হিচাপে চৰ্চা লাভ কৰিছে।

## বিদ্যালয়ত শিক্ষাৰ্থী অনুপস্থিত

কাৰ্যালয়ত 'Automated SMS Absenteeism Alert System'ৰ শুভ উদ্বোধন কৰে। এই ব্যৱস্থা শিক্ষা সেতু এপৰ সৈতে সংযুক্ত কৰি গঢ়ি তোলা হৈছে, যাৰ জৰিয়তে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ দৈনিক উপস্থিতিৰ তথ্য স্বয়ংক্ৰিয়ভাৱে নিৰীক্ষণ কৰা হ'ব। এই নতুন পদ্ধতিৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ দীৰ্ঘদিনীয়া অনুপস্থিতিৰ বিষয়ে সময়মতে অভিভাৱক আৰু শ্ৰেণী শিক্ষকক সচেতন কৰা। তথ্য অনুসৰি, কোনো ছাত্ৰ-ছাত্ৰীয়ে অনুমতি অবিহনে টানা পাঁচ দিন বা তাতকৈ অধিক দিন বিদ্যালয়ত অনুপস্থিত থাকিলে স্বয়ংক্ৰিয়ভাৱে SMS প্ৰেৰণ কৰা হ'ব। এই বাৰ্তা একেলগে যাব অভিভাৱকৰ ম'বাইলত আৰু সংশ্লিষ্ট শ্ৰেণী শিক্ষকৰ ম'বাইলত। শিক্ষকসকলে ছাত্ৰৰ নাম, শ্ৰেণী আৰু বিভাগ উল্লেখ থকা স্পষ্ট বাৰ্তা লাভ কৰিব, যাৰ ফলত তেওঁলোকে তৎকালতে অভিভাৱকৰ সৈতে যোগাযোগ কৰি ছাত্ৰক বিদ্যালয়লৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰিব পাৰিব। আনহাতে অভিভাৱকসকলে সৰল আৰু সংক্ষিপ্ত বাৰ্তাৰ জৰিয়তে সন্তানৰ অনুপস্থিতিৰ কথা জানিব পাৰিব আৰু প্ৰয়োজনীয় পদক্ষেপ ল'ব পাৰিব। ৰাজ্যখনৰ ভাষিক বৈচিত্ৰ্যক সন্মান জনাই এই SMS কেইবাটাও ভাষাত প্ৰেৰণ কৰা হ'ব। মুঠ পাঁচটা ভাষা—অসমীয়া, বড়ো, বঙালী, হিন্দী আৰু ইংৰাজীত বাৰ্তা যাব। বড়োলেণ্ড টেৰিট'ৰিয়েল ৰিজিয়ন (BTR) অঞ্চলত মূলত বড়ো ভাষাত, বৰাক উপত্যকাত বঙালী ভাষাত আৰু আন অঞ্চলসমূহত প্ৰধানকৈ অসমীয়া ভাষাত SMS প্ৰেৰণ কৰা হ'ব। যদি প্ৰথম SMS পোৱাৰ পিছতো ছাত্ৰ-ছাত্ৰীজন বিদ্যালয়ত উপস্থিত নহয়, তেন্তে পুনৰবাৰ ১৫ দিনৰ অন্তৰে অনুৰূপ বাৰ্তা প্ৰেৰণ কৰা হ'ব। শিক্ষামন্ত্ৰীগৰাকীয়ে এই ব্যৱস্থাৰ বিষয়ে কয় যে, ৰাজ্যত ড্ৰপআউটৰ হাৰ যথেষ্ট বেছি হোৱাৰ বাবে অনুপস্থিতিৰ সমস্যাৰ মূলতে ধৰিবলৈ এনে এক প্ৰযুক্তিনিৰ্ভৰ ব্যৱস্থা অতি প্ৰয়োজনীয় আছিল। ইয়াৰ জৰিয়তে সময়মতে হস্তক্ষেপ কৰি ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ মূল সোঁতলৈ ঘূৰাই অনা সম্ভৱ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে সামাজিক মাধ্যমত এই উদ্বোধনৰ কথা উল্লেখ কৰি লিখিছে যে, এই ব্যৱস্থাই ৰাজ্যৰ বিদ্যালয় শিক্ষাত এক নতুন মাত্ৰা যোগ কৰিব আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ধাৰাবাহিকতা নিশ্চিত কৰাত সহায়ক হ'ব। সমগ্ৰ শিক্ষা অসমৰ এই উদ্যোগক তেওঁ শলাগ লৈছে আৰু ইয়াৰ সফল ৰূপায়ণৰ বাবে সকলোকে সহযোগিতাৰ আহ্বান জনাইছে। এই পদ্ধতিৰ জৰিয়তে অসমৰ শিক্ষা ব্যৱস্থাত স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধি পোৱাৰ লগতে ড্ৰপআউটৰ সমস্যা যথেষ্ট হ্ৰাস পোৱাৰ সম্ভাৱনা আছে বুলি শিক্ষা বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## বিষাক্ত গেছ চেম্বাৰত

কাৰ্যকৰী কৰা হৈছিল। কিন্তু কেইঘণ্টামানৰ ভিতৰতে এতিয়া GRAP Stage-4 কাৰ্যকৰী কৰা হৈছে। প্ৰদূষণৰ মাত্ৰাৰ সমান্তৰালকৈ দিল্লীত এতিয়া ৰোগৰ প্ৰয়োভৰো বৃদ্ধি পাইছে। বিশেষকৈ হাওঁফাওঁৰ সমস্যা উদ্বেগজনক হৈ পৰিছে। প্ৰায় প্ৰতিটো ঘৰতে এতিয়া দেখিবলৈ পোৱা গৈছে হাঁপানী বা প্ৰদূষণ সম্পৰ্কীয় অন্যান্য ৰোগত আক্ৰান্ত ৰোগী। মাস্ক অবিহনে বাহিৰলৈ ওলোৱা অসম্ভৱ হৈ পৰিছে। 'বিষাক্ত' বতাহৰ ফলত বায়ুৰ গুণাগুণক 'অতি দুৰ্বল' শ্ৰেণীত অন্তৰ্ভুক্ত হৈছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড (CPCB)ৰ তথ্য অনুসৰি বিগত এটা মাহ ধৰি ৰাষ্ট্ৰীয় ৰাজধানীখনে বিষাক্ত বায়ুৰ সৈতে যুঁজি আহিছে। এই প্ৰদূষণৰ ফলত কেইবাটাও স্থানীয় অঞ্চল 'গুৰুতৰ' ৰেঞ্জলৈ অৱনমিত হৈছে।

## উচ্ছেদৰ দাবীৰে পশ্চিম কাৰ্বি আংলঙত অব্যাহত

অনশন কাৰ্যসূচী আজিও অব্যাহত আছে। স্থানীয় আদিবাসী সংগঠনসমূহৰ নেতৃত্বত আৰম্ভ হোৱা এই প্ৰতিবাদৰ মূল দাবী হৈছে জিলাৰ পেছাদাৰী চৰণীয়া সংৰক্ষিত ভূমি (PGR) আৰু গাঁও চৰণীয়া সংৰক্ষিত ভূমি (VGR)ৰ পৰা অবৈধ দখলকাৰীসকলক ততালিকে উচ্ছেদ কৰা। বিগত ৮ দিন ধৰি চলি থকা এই আমৰণ অনশনত অংশগ্ৰহণ কৰা বহুকেইগৰাকী প্ৰতিবাদকাৰীৰ স্বাস্থ্যৰ অৱনতি ঘটিছে। দীঘলীয়া অনশনৰ ফলত শাৰীৰিকভাৱে দুৰ্বল হৈ পৰা লিটচন ৰংফাৰ, ইডিচন টকবি, জনাছিং ৰংফাৰ আৰু খেলান ইংতি নামৰ চাৰিগৰাকী প্ৰতিবাদকাৰীক আজি চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। তেওঁলোকক ততালিকে চিকিৎসা প্ৰদান কৰা হৈছে যদিও অনশনকাৰীসকলে তেওঁলোকৰ দাবী পূৰণ নোহোৱালৈকে প্ৰতিবাদ অব্যাহত ৰখাৰ সংকল্প ব্যক্ত কৰিছে। উল্লেখ্য যে, কাৰ্বি আংলঙৰ আদিবাসী সম্প্ৰদায়ে দীৰ্ঘদিনৰ পৰা অভিযোগ উত্থাপন কৰি আহিছে যে বাহিৰৰ পৰা অহা কিছুমান লোকে এই সংৰক্ষিত ভূমিসমূহত অবৈধভাৱে দখল কৰি বসতি স্থাপন কৰিছে, যাৰ ফলত স্থানীয় লোকৰ চৰণীয়া ভূমি আৰু জীৱিকাৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। এই দাবীক লৈ বিগত কেইবছৰমানতো একাধিক প্ৰতিবাদ আৰু সংঘৰ্ষৰ ঘটনা সংঘটিত হৈছে। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক (KAAC) এই বিষয়ত ততালিকে হস্তক্ষেপ কৰি উচ্ছেদ অভিযান চলোৱাৰ আহ্বান জনাইছে। কিন্তু এতিয়ালৈকে চৰকাৰী পৰ্যায়ৰ পৰা কোনো স্পষ্ট সঁহাৰি বা কাৰ্যকৰী পদক্ষেপ লোৱা হোৱা নাই বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ উত্থাপন কৰিছে। এই পৰিস্থিতিয়ে স্থানীয় পৰিৱেশত উত্তেজনাৰ সৃষ্টি কৰিছে আৰু আদিবাসী অধিকাৰ আৰু ভূমি সংৰক্ষণৰ প্ৰসংগটো পুনৰ আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। প্ৰতিবাদকাৰীসকলে ঘোষণা কৰিছে যে দাবী পূৰণ নোহোৱালৈকে তেওঁলোকৰ আন্দোলন অব্যাহত থাকিব।

## ছিডনীৰ বণ্ডি বিচত সন্ত্ৰাসবাদী গুলীচালনাত ১৫

হানুকা উৎসৱৰ প্ৰথম দিনা 'চানুকা বাই দ্য ছি' নামৰ এক ইহুদী সম্প্ৰদায়ৰ অনুষ্ঠানত দুজন আক্ৰমণকাৰীয়ে নিৰ্বিচাৰে গুলীচালনা চলোৱাত অন্ততঃ ১৫জন নিৰীহ লোকৰ মৃত্যু হৈছে আৰু ৪০ৰো অধিক লোক আহত হৈছে। অষ্ট্ৰেলিয়া চৰকাৰে এই ঘটনাক স্পষ্টভাৱে সন্ত্ৰাসবাদী আক্ৰমণ বুলি ঘোষণা কৰিছে আৰু ইহুদী সম্প্ৰদায়ক লক্ষ্য কৰি চলোৱা এণ্টিচেমিটিক আক্ৰমণ বুলিও অভিহিত কৰিছে। প্ৰত্যক্ষদৰ্শীৰ বৰ্ণনা অনুসৰি, সন্ধিয়া প্ৰায় ৬: ৪৫ বজাত আৰ্চাৰ পাৰ্কৰ সমীপৰ এখন ফুটব্ৰিজৰ পৰা দুজন আক্ৰমণকাৰীয়ে দীঘলীয়া বন্দুকৰে প্ৰায় ২০ মিনিট ধৰি গুলীচালনা চলাইছিল। সেই সময়ত অনুষ্ঠানত প্ৰায় ২,০০০ লোক উপস্থিত আছিল। নিহতসকলৰ ভিতৰত এগৰাকী ১০ বছৰীয়া ল'ৰা, এগৰাকী হল'ক'ষ্টৰ জীৱিত থকা ব্যক্তি, চাবাডৰ সহকাৰী ৰাব্বি এলি শ্লেংগাৰকে ধৰি শিশু আৰু মহিলাও আছে। আহতসকলৰ ভিতৰত দুগৰাকী আৰক্ষী বিষয়াও অন্তৰ্ভুক্ত। অষ্ট্ৰেলিয়া আৰক্ষীৰ মতে, আক্ৰমণকাৰী দুজন পিতা-পুত্ৰ ৫০ বছৰীয়া ছাজিদ আক্ৰাম আৰু তেওঁৰ ২৪ বছৰীয়া পুত্ৰ নবিদ আক্ৰাম। ছাজিদক আৰক্ষীয়ে ঘটনাস্থলীতে গুলিয়াই হত্যা কৰে, আনহাতে নবিদ আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আহত হৈ চিকিৎসালয়ত ভৰ্তি হৈ আছে আৰু তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। ছাজিদৰ নামত ছটা লাইচেঞ্চপ্ৰাপ্ত বন্দুক আছিল, যাৰ ভিতৰত কেইবাটাও ঘটনাস্থলীৰ পৰা উদ্ধাৰ হৈছে। আক্ৰমণকাৰীসকলে পৰিয়ালক কৈছিল যে তেওঁলোক মাছ মাৰিবলৈ যোৱা বুলি, কিন্তু তাৰ পৰিৱৰ্তে এই ভয়ংকৰ কাণ্ড সংঘটিত কৰে। নবিদৰ মাতৃ ভেৰেনাই দ্য ছিডনী মৰ্নিং হেৰাল্ডক কৈছে যে আক্ৰমণৰ আগদিনা পুত্ৰই ফোনত কৈছিল যে তেওঁ ফুৰিবলৈ ওলাইছে আৰু বাহিৰতে খাদ্য গ্ৰহণ কৰিব। তেওঁ বিশ্বাস কৰিব নোৱাৰে যে তেওঁৰ পুত্ৰ এনে কাণ্ডত জড়িত। মাতৃগৰাকীয়ে কয়, "মোৰ ল'ৰাজন মদ নাখায়, চিগাৰেট নাখায়, তেওঁৰ লগত কোনো বন্দুক নাছিল। তেওঁৰ কোনো বন্ধু নাছিল, কেৱল কামলৈ যায় আৰু ঘৰলৈ ঘূৰি আহে। কোম্পানীটো বন্ধ হোৱাৰ পিছত দুমাহ ধৰি নিবনুৱা আছিল আৰু নতুন কাম বিচাৰি ফুৰিছিল। মোৰ ল'ৰা বৰ ভাল, সকলোৱে এনে ল'ৰা বিচাৰিব।" মাতৃগৰাকীয়ে অপৰাধস্থলীৰ ফটোতো পুত্ৰক চিনি পোৱা নাই বুলি দাবী কৰিছে। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিছে এই আক্ৰমণক "খাঁটি দুৰ্জনৰ কাম, এণ্টিচেমিটিজম আৰু সন্ত্ৰাসবাদ" বুলি অভিহিত কৰি কয় যে ই ইহুদী সম্প্ৰদায়ক লক্ষ্য কৰি চলোৱা আক্ৰমণ। তেওঁ বন্দুক নিয়ন্ত্ৰণ আইন কঠোৰ কৰাৰ প্ৰতিশ্ৰুতি দিছে। নিউ ছাউথ ৱেলছৰ প্ৰধানমন্ত্ৰী ক্ৰিছ মিন্সেও এই ঘটনাক ভয়ংকৰ বুলি কয় আৰু ইহুদী সম্প্ৰদায়ৰ সৈতে একেলগে থিয় দিয়াৰ আহ্বান জনাইছে। ঘটনাস্থলীৰ পৰা কেইবাটাও ইম্প্ৰভাইজড এ'প্ল'চিভ ডিভাইচ (আই ই ডি) উদ্ধাৰ হৈছে, যিবোৰ নিষ্ক্ৰিয় কৰা হৈছে। তদন্তৰ দায়িত্বত যুটীয়া কাউণ্টাৰ টেৰ'ৰিজম টিমে কাম কৰি আছে আৰু এতিয়াও কোনো তৃতীয় ব্যক্তিৰ সংযোগ পোৱা নাই বুলি আৰক্ষীয়ে জনাইছে। এই আক্ৰমণ অষ্ট্ৰেলিয়াৰ ১৯৯৬ চনৰ পৰ্ট আৰ্থাৰ গণহত্যাৰ পিছত আটাইতকৈ ভয়ংকৰ গণহত্যা হিচাপে চিহ্নিত হৈছে। বিশ্ব নেতাসকলে এই ঘটনাৰ নিন্দা কৰিছে আৰু ইহুদী সম্প্ৰদায়ৰ প্ৰতি সমৰ্থন জনাইছে।

## আজি জুবিন হত্যাৰ

মঙলবাৰে কামৰূপ মহানগৰ চীফ জুডিচিয়েল মেজিষ্ট্ৰেট (চিজেএম) আদালতত এই গোচৰৰ (গোচৰ নং ৪০৮৪/২০২৫) প্ৰথমখন শুনানি অনুষ্ঠিত হ'ব। অসম চৰকাৰ বনাম সিদ্ধাৰ্থ শৰ্মা আৰু অন্যান্য অভিযুক্তসকলৰ নামেৰে এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আগবাঢ়িব। ইতিমধ্যে অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দল (এছআইটি)য়ে ন্যায়ালয়ত ১২, ২৭০ পৃষ্ঠাৰ বিশাল চাৰ্জশ্বীট দাখিল কৰিছে। এই চাৰ্জশ্বীট অধ্যয়ন কৰাৰ পিছত গোচৰটো ছেছন ক'ৰ্টলৈ স্থানান্তৰিত হোৱাৰ সম্ভাৱনা অধিক বুলি আইনী মহলত মত প্ৰকাশ কৰা হৈছে। কাইলৈৰ শুনানিত নিয়ম অনুসৰি সাতগৰাকী অভিযুক্তই আদালতত হাজিৰ হ'ব লাগিব যদিও আইন-শৃংখলাৰ কাৰণত তেওঁলোকক শাৰীৰিকভাৱে উপস্থিত নকৰি ভাৰ্চুৱেলী শুনানিৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীৰ সৈতে বৈঠকৰ অন্তত দণ্ডাধীশে ভাৰ্চুৱেলী শুনানিৰ নিৰ্দেশ দিছে বুলি লোকাধিবক্তা প্ৰদীপ কোঁৱৰে সদৰি কৰিছে। কাইলৈৰ শুনানিত অভিযুক্তসকলৰ স্বাস্থ্যৰ খতিয়ান লোৱাৰ লগতে তেওঁলোকে অভিযোগনামা লাভ কৰাৰ বিষয়কে ধৰি বিভিন্ন প্ৰসংগ উত্থাপন হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, এই গোচৰত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু সন্দীপন গাৰ্গ বৰ্তমান বা'ৱা জিলা কাৰাগাৰত বন্দী হৈ আছে। ইফালে শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক হাফলঙৰ কাৰাগাৰত ৰখা হৈছে। জুবিন গাৰ্গৰ পি এছ অ' পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাকো বা'ৰ নিকাচিস্থিত জিলা কাৰাগাৰত বন্দী কৰি ৰখা হৈছে। কাইলৈৰ প্ৰথম শুনানিত অভিযুক্তসকলৰ হৈ ন্যায়ালয়ত কোনো অধিবক্তা উপস্থিত নহ'বৰ সম্ভাৱনাই অধিক। কাৰণ অসম উকীল সন্থাই ইতিমধ্যে এই গোচৰত কোনো অভিযুক্তক আইনী সাহায্য প্ৰদান নকৰাৰ সিদ্ধান্ত লৈছে। যদি আইন সেৱা প্ৰাধিকৰণে অভিযুক্তসকলক অধিবক্তা নিয়োগ কৰে, তেতিয়াহে গোচৰৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। দুদিনৰ আগতে অভিযুক্ত শ্যামকানু মহন্তৰ পত্নী অনিতা গোস্বামীয়ে উচিত ন্যায়ৰ স্বাৰ্থত উকীল সন্থাক নিজৰ সিদ্ধান্ত পুনৰ্বিবেচনা কৰিবলৈ আনুষ্ঠানিক পত্ৰযোগে অনুৰোধ জনাইছিল যদিও সন্থাটোৱে এতিয়ালৈকে নিজৰ স্থিতিত অটল হৈয়ে আছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু ন্যায়ৰ দাবীত জনতাৰ মাজত উত্তেজনা অব্যাহত আছে। কাইলৈৰ শুনানিয়ে গোচৰটোৰ পৰৱৰ্তী দিশ নিৰ্ধাৰণ কৰিব বুলি আশা কৰা হৈছে।

## অসম ৰাজ্যিক পৰিবহণ

স্থানান্তৰিত হৈছে ৰূপনগৰত অৱস্থিত নতুন ভৱনলৈ। সোমবাৰে পৰিবহণ মন্ত্ৰী পৰাগ কুমাৰ দাসে এই নতুন মুখ্য কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰীগৰাকীৰ লগতে উপস্থিত আছিল নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাস, উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰ তথা নিগমৰ বিষয়া-কৰ্মচাৰীসকল। এই স্থানান্তৰৰ ফলত নিগমৰ প্ৰশাসনিক কাৰ্য্য অধিক সুবিধাজনক আৰু আধুনিক পৰিৱেশত চলিব বুলি আশা কৰা হৈছে। ৰূপনগৰত থকা কেন্দ্ৰীয় ডিপ' আৰু ৱৰ্কশ্বপৰ সৈতে মিলি এতিয়া মুখ্য কাৰ্যালয়ো একেটা কেম্পাছতে অৱস্থান কৰিব, যাৰ ফলত কাৰ্য্যৰ সমন্বয় আৰু দক্ষতা বৃদ্ধি পাব। অনুষ্ঠানত পৰিবহণ মন্ত্ৰীগৰাকীয়ে নিগমৰ ভৱিষ্যত পৰিকল্পনাসমূহৰ বিষয়ে আলোকপাত কৰে। তেওঁ জানিবলৈ দিয়ে যে, নতুন বছৰত ASTCৰ বহৰত যোগ দিব ১০০খন নতুন বাছ। এই বাছসমূহ মুখ্যতঃ ইলেকট্ৰিক হ'ব বুলি আশা কৰা হৈছে, কিয়নো ৰাজ্য চৰকাৰে ২০২৫ চনৰ পৰা কেৱল ইলেকট্ৰিক বাছহে ক্ৰয় কৰাৰ নীতি গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন বছৰৰ আৰম্ভণিতে এই নতুন বাছসমূহৰ সেৱা মুকলি কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থা অধিক পৰিৱেশানুকূল আৰু দক্ষ হ'ব। ইফালে, যাত্ৰীসকলৰ সুবিধাৰ্থে নতুন পৰিকল্পনাসমূহো ঘোষণা কৰা হৈছে। জালুকবাৰীত এখন অত্যাধুনিক আন্তঃৰাজ্যিক বাছ টাৰ্মিনেল (ISBT) নিৰ্মাণৰ কামৰ প্ৰাৰম্ভিক পৰ্যায় ইতিমধ্যে আৰম্ভ হৈছে। এই নতুন ISBTয়ে গুৱাহাটীৰ যাতায়াত ব্যৱস্থাত উল্লেখযোগ্য সকাহ দিব বুলি আশা কৰা হৈছে। লগতে, বেতকুছিত থকা বিদ্যমান ISBTকো উন্নীতকৰণ কৰা হ'ব, যাৰ ফলত যাত্ৰীসকলে অধিক আধুনিক সুবিধা লাভ কৰিব। এই সকলোবোৰ উদ্যোগে অসমৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থাক নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিশ্বাস কৰা হৈছে। নিগমৰ বিষয়াসকলে জনোৱা অনুসৰি, এই পৰিৱৰ্তনসমূহে যাত্ৰীসকলৰ সুবিধা বৃদ্ধিৰ লগতে পৰিবেশ সংৰক্ষণতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ৰাজ্য চৰকাৰৰ এনে পদক্ষেপক সকলোৱে শলাগ লৈছে আৰু ইয়াৰ সফল ৰূপায়ণৰ আশা কৰিছে।

# সফলতাৰে অন্ত পৰিল প্ৰথম বাৰ্ষিক আমন্ত্ৰণমূলক লাংকাছি সমন্বয় কাপ ফুটবল প্ৰতিযোগীতা

**অসম বাৰ্তা, মাকুম, ১৫ ডিচেম্বৰ ঃ** উঠি অহা নৱ প্ৰজন্মৰ মাজত এখন মঞ্চ দিয়াৰ উদেশ্যৰে পোন প্ৰথমবাৰ লাংকাছি ইউনাইটেড স্পৰ্টছ ক্লাৱ উদ্যোগত তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত আৰু লাংকাছি বাসী ৰাইজৰ সহযোগত লাংকাছি ৰাজহুৱা খেলপথাৰত আমন্ত্ৰণমূলক লাংকাছি সমন্বয় কাপ ২০২৫ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যোৱা ইংৰাজী ৭ ডিচেম্বৰ তাৰিখৰ পৰা আৰম্ভ হোৱা লাংকাছি সমন্বয় কাপ ২০২৫ ফুটবল চূড়ান্ত প্ৰতিযোগিতাখনি আজি নিশা সফলতাৰে অন্ত পৰে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত প্ৰতিযোগিতাৰ পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে লাংকাছি ইউনাইটেড স্পৰ্টছ ক্লাৱৰ সভাপতিৰ লগতে খেল পৰিচালনা সমিতিৰ সভাপতি ৰাতুল মৰাণ, অৰুণ মৰাণ, যুটীয়া সম্পাদক জাণ্টু মৰাণ, জ্যোতিষ্ক মৰাণ আৰু উৎপল মৰাণে। পৰৱৰ্তী সময়ত ফুটবল প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে লাংকাছি গাৱঁৰ গাঁও প্ৰধান ধৰ্মেন্দ্ৰ মৰাণে। কেইবাটাও ফুটবল প্ৰতিযোগী দলে অংশগ্ৰহণ কৰা ২০২৫ বৰ্ষৰ লাংকাছি সমন্বয় কাপৰ আজি লাংকাছি ইউনাইটেড বনাম দুলীয়াজান এফ এ মাজত অনুষ্ঠিত হোৱা চূড়ান্ত খেল খনিত নিৰ্ধাৰিত সময়ত দুয়োটা ফুটবল দলৰ মাজত কোনো ধৰণৰ গ'ল নোহোৱাত ট্ৰাই বেকাৰ পদ্ধতিৰে নিৰ্ণয় কৰাৰ পাছত দুলীয়াজান এফ.এ. দলে বিজয়ী খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। চূড়ান্ত ফুটবল প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই কালজয়ী গীত মায়াবিনী পৰিৱেশন, মৰাণ বিহু আদিৰে আৰম্ভ হোৱা চূড়ান্ত প্ৰতিযোগিতা খনিৰ শুভাৰম্ভ কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজিৎ মৰাণে। ৰোমাঞ্চকৰময় পৰিৱেশ হৈ পৰা ফুটবল প্ৰতিযোগিতা খনি চাবলৈ হাজাৰ হাজাৰ ক্ৰীড়াপ্ৰেমী ৰাইজ খেলপথাৰ খনত ভিৰ কৰা পৰিলক্ষিত হয়। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ হিচাপে বিজয়ী দলটোক ট্ৰফী সহ ৩০,০০১ টকা নগদ ধন প্ৰদান কৰাৰ লগতে দ্বিতীয় বিজেতা দলটোক ট্ৰফী সহ ২০,০০১ টকা নগদ ধন প্ৰদান কৰা হয়। ইপিনে চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে দুলীয়াজান এফ এ ফুটবল দলৰ খেলৱৈ দেৱ শংকৰ দত্ত আৰু শ্ৰেষ্ঠ গ'ল ৰক্ষক হিচাপে ৰাজ ডুমক নগদ ধন পুৰস্কাৰ প্ৰদান কৰা হয়। উক্ত চূড়ান্ত ফুটবল প্ৰতিযোগিতা খনিত মুখ্য অতিথি হিচাপে বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ মনোজ ধানোৱাৰ, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণ জ্যোতি মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ উপাধ্যক্ষা চিত্ৰলেখা দুৱৰা সোণা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। ২০২৫ বৰ্ষৰ প্ৰথম বাৰ্ষিক লাংকাছি সমন্বয় কাপ দিবা নৈশ ফুটবল প্ৰতিযোগিতা খনি সকলোৰে সহায় সহযোগিতাত সাফল্যমণ্ডিত হোৱাৰ বাবে সংবাদ মাধ্যমৰ জৰিয়তে উদ্যোগতা সমিতিয়ে সকলোকে কৃতজ্ঞতা জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে।

# অসম কবি সন্মিলনৰ অন্তৰ্গত "কলংপৰীয়া কবি সন্মিলন", নগাঁও সদৰ শাখাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ ডিচেম্বৰ ঃ** ''অসম কবি সন্মিলন''ৰ অন্তৰ্গত 'কলংপৰীয়া কবি সন্মিলন', নগাঁও সদৰ শাখাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিবেশনখনি যোৱা ১৩ ডিচেম্বৰত নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলনেৰে দিনটোৰ কাৰ্যসূচী মুকলি কৰে 'কলংপৰীয়া কবি সন্মিলন', নগাঁও সদৰ শাখাৰ সভাপতি ডঃ দিলীপ শৰ্মাই। স্মৃতি তৰ্পণ কৰে শাখাৰ কাৰ্যকৰী সভাপতি ৰিণি নেওগ বৰাই। ইয়াৰ পিছতে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে লেখক নবীন কলিতাই। ইয়াৰ অন্তত এখনি প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত পুৰণা সমিতিখন ভঙ্গ কৰি নতুন সমিতি গঠন কৰা হয়। সেই অনুসৰি, ড° দিলীপ শৰ্মাক সভাপতি আৰু বেলা মোদীক সম্পাদক হিচাপে পুনৰবাৰ সভাই দায়িত্বভাৰ অৰ্পণ কৰে। দুপৰীয়া অনুষ্ঠিত হোৱা কবিতা পাঠৰ এক অনুষ্ঠানত দুকুৰিৰো অধিক কবিয়ে অংশগ্ৰহণ কৰি স্ব-ৰচিত কবিতা পাঠ কৰে। অনুষ্ঠানত সমীক্ষক হিচাপে অংশ লয় 'অসম কবি সন্মিলন'ৰ কাৰ্যকৰী সভাপতি ত্ৰিদিৱ লস্কৰে। কবিতা পাঠ অনুষ্ঠানৰ পিছতে অনুষ্ঠিত হয় এখনি মুকলি সভা। যোগমিত মহন্তৰ দ্বাৰা বৰগীত পৰিৱেশনেৰে মুকলি কৰা সভাখনত সভাপতিত্ব কৰে শাখাৰ সভাপতি ড° দিলীপ শৰ্মাই। অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰিণি



নেওগ বৰাই আদৰণি ভাষণ প্ৰদান কৰা এই সভাত অধিবেশনৰ সৈতে সংগতি ৰাখি লেখক নবীন কলিতাৰ দ্বাৰা সম্পাদিত 'ক্লং' নামৰ এখনি স্মৰণিকা উন্মোচন কৰে খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰমেশ নাথে। উক্ত সভাতে লেখিকা তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কাবেৰী মহন্তৰ 'মনীষী বিচিত্ৰা আৰু অন্যান্য' শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰে ড° দিলীপ শৰ্মাই। সভাত বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা কবি সন্মিলনৰ সভাপতি শ্ৰুতিমালা গায়ন বৰা, সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টাদ্বয় নৱ মহন্ত, নাৰায়ণ কলিতাই ভাষণ প্ৰদান কৰে। সভাত সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা চন্দ্ৰ শইকীয়া, জীতেন শৰ্মা, যুটীয়া সম্পাদক কবিন ভাগৱতী, পত্ৰিকা সম্পাদক হিমাদ্ৰী হাজৰিকাৰ উপৰি গৌৰীবল্লভ গোস্বামী, চিনু কাকতি, দিপালী মহন্ত, প্ৰদীপ শইকীয়া, চন্দ্ৰ শইকীয়া, অশোকৰাম ভট্টাচাৰ্য, দুলাল বৰা, প্ৰফুল্ল শইকীয়া, কবিন ভাগৱতী, জেউতি হাজৰিকা, নাৰায়ণ কলিতা, মধু চৌধুৰী, হিমাদ্ৰী হাজৰিকা, ছইদুল ইছলাম, প্ৰীতি চৌধুৰী, মুকুতা ৰাজা, ত্ৰিবেনী নাথ, কমল শৰ্মা, অঞ্জনা গোস্বামী, অনামিকা দেৱী, অৰূপ গোস্বামী, অংকিতা ভট্টাচাৰ্য, বীনা দাস, মালা মেধি কাকতি, জয়শ্ৰী মহন্ত, মিচিমি মহন্ত উপাধ্যায়, লখিমী মহন্ত, মঞ্জু দাস ৰাজকুমাৰী, জয়ন্ত কুমাৰ বৰা প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

# 'শিশু মহীয়ান' উপাধিপ্ৰাপক লোহিত বৰাক মাজুলী মহাবিদ্যালয়ৰ সম্বৰ্ধনা




**উজনী মাজুলী, ১৫ ডিচেম্বৰ ঃ** 'মাজুলী জিলা মইনা পাৰিজাত'ৰ দহ বছৰ কাল সভাপতিৰ পালন কৰাৰ উপৰি সদৌ অসম মইনা পাৰিজাতৰ ক্ৰমে সাংগঠনিক সম্পাদক, সহকাৰী সম্পাদক আৰু বৰ্তমান উপ-সভাপতিৰ পদত সেৱা আগবঢ়াই মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত বৰাই শেহতীয়াকৈ সদৌ অসম মইনা পাৰিজাতৰ তৰফৰ পৰা ২০২৪-২৫ বৰ্ষৰ 'শিশু মহীয়ান' উপাধি লাভ কৰাৰ পৰিপ্ৰেক্ষিতত মাজুলী মহাবিদ্যালয়ে তেওঁক আজি সম্বৰ্ধনা জনায়। ছাত্ৰাৱস্থাৰ পৰা মইনা পাৰিজাতেৰে জড়িত হৈ থকা লোহিত বৰাই কমলপুৰ গাঁৱৰ নেহেৰু খুৰা মইনা পাৰিজাত, কমলাবাৰী আঞ্চলিক, মাজুলী জিলা আৰু সদৌ অসম মইনা পাৰিজাতৰ বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্বত থাকি অত্যন্ত নিষ্ঠাসহকাৰে শিশুসকলৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বাবে কৰা ত্যাগ স্বীকাৰ কৰি আহিছে। কালি সদৌ অসম মইনা পাৰিজাতে লোহিত বৰাক ৰাজ্যিক পৰ্যায়ৰ 'শিশু মহীয়ান' উপাধি প্ৰদান কৰাত উৎফুল্ল হৈ পৰা মাজুলী মহাবিদ্যালয় পৰিয়ালে তেওঁক সম্ভাষণ জনাবলৈ আজি অধ্যক্ষৰ কক্ষত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত কৰে। মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগে আঁত ধৰা সভাখনিত মহাবিদ্যালয় পৰিয়ালৰ হৈ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই অংগ বস্ত্ৰ, কিতাপৰ টোপোলা, মহাবিদ্যালয়ৰ স্মাৰক আদিকে উপাধিপ্ৰাপক লোহিত বৰাক সম্ভাষণ জনাই মাজুলী জিলা মইনা পাৰিজাতক এক গতিশীল মাত্ৰা প্ৰদানকৰোঁতাসকলৰ অন্যতম লোহিত বৰাক এই উপাধি প্ৰদান কৰি যোগ্যজনক স্বীকৃতি দিয়া হৈছে বুলি উল্লেখ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, অৱসৰপ্ৰাপ্ত শিক্ষক দ্বীজেন দত্ত আৰু গুণেশ্বৰ গায়ন, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী উপেন শইকীয়া, অধ্যাপক দীনেশ পেগু, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ৰুবী বৰা, ড° শ্বাহনাজ আহমেদ, কাৰ্তিক নাথ, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা, কৰ্মচাৰী দীনকান্ত হাজৰিকা, যোগ পাহাদী প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি উপাধিপ্ৰাপক লোহিত বৰাক অভিনন্দন জনায়। সমাজ তথা শিশুসেৱক লোহিত বৰাই এই স্বীকৃতি লাভ কৰাত সন্তোষ প্ৰকাশ কৰি মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, মাজুলী জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ, আপকু, ৰাজ্যিক উপসভাপতি জীৱন বৰুৱা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে তেওঁক আন্তৰিক শুভেচ্ছা জনাইছে।

# বাহনা মহাবিদ্যালয়ত বাণিজ্য মেলাৰ আয়োজন

**অসম বাৰ্তা, নিমাতীঘাট, ১৫ ডিচেম্বৰ ঃ** যোৰহাটৰ উচ্চশিক্ষাৰ অনুষ্ঠান বাহনা মহাবিদ্যালয়ৰ উদ্যেগত হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অহা ১৬ ডিচেম্বৰৰপৰা ১৮ ডিচেম্বৰলৈ পঞ্চম বাৰ্ষিক বাণিজ্য মেলা আয়োজন কৰিছে। গ্ৰাম্য অৰ্থনীতিত বৰ্তমান পুৰুষ-মহিলাসকলৰ স্বাৱলম্বিতাৰ পথ সুগম কৰা আৰু এখন বজাৰৰ যোগেদি উৎপাদকসকলক লগতে ছাত্ৰ ছাত্ৰী সকলকো স্বাৱলম্বিতাৰ দিশত উৎসাহিত কৰাই এই মেলাৰ মূল উদ্দেশ্য। সেইযে জিলাখনৰ বিভিন্ন প্ৰান্তৰ আত্মঃসহায়ক গোট, ব্যক্তিগত খণ্ডৰ উৎপাদক, প্ৰগতিশীল কৃষকসকলে উৎপাদন কৰা সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শনৰ বাবে বিক্ৰেতাসকলে আগতীয়াকৈ বিপণীসমূহ খোলাৰ বাবে সিদ্ধান্ত লৈছে। এই ক্ষেত্ৰত মহাবিদ্যালযৰখনৰ অধ্যক্ষগৰাকীয়ে স্থানীয় ৰাইজক আটাইকেইটা দিনত সহায়-সহযোগ কৰি উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে।

# নগাঁৱত ঔপন্যাসিকা গুণদা গোস্বামীৰ উপন্যাস "জোনাকী পৰুৱাৰ পম খেদি" উন্মোচন




**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ ডিচেম্বৰ ঃ** নগাঁৱৰ শংকৰদেৱ নাট্যচ'ৰাত যোৱা ১৩ ডিচেম্বৰৰ বিয়লি বিশিষ্ট লেখিকা, নাট্যশিল্পী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গুণদা গোস্বামীৰ "জোনাকী পৰুৱাৰ পম খেদি" নামৰ উপন্যাসখনি উন্মোচন কৰা হয়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি, শিক্ষাবিদ ড° শৰৎ বৰকটকীয়ে গ্ৰন্থখনি উন্মোচন কৰি কয় যে, উপন্যাসখনিৰ কাহিনীৰ লগত বেটুপাতটি ৰজিতা খাই পৰিছে। অসমীয়া সমাজ জীৱনৰ এক ঐতিহ্যবাহী ক্ষেত্ৰ সত্ৰ সংস্কৃতিক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাসখনিৰ জৰিয়তে ঔপন্যাসিকগৰাকীয়ে সত্ৰৰ আধ্যাত্মিক পৰিৱেশ, ভক্তিৰ পথ আৰু তাৰ মাজত জড়িত মানুহৰ জীৱনৰ সুখ-দুখৰ কাহিনী হৃদয়স্পৰ্শীভাৱে ফুটাই তুলিবলৈ সক্ষম হৈছে। সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানটোত জনপ্ৰিয় ঔপন্যাসিক কৌশিক নন্দন বৰুৱাই সমীক্ষক হিচাপে অংশগ্ৰহণ কৰি কয় যে, কিছুমান উপন্যাস কাব্যিকধৰ্মী হয় যদিও এই উপন্যাসখনি সংলাপ প্ৰধান হৈছে। বিশিষ্ট সাহিত্যিক ভবেন্দ্ৰ নাথ শইকীয়াই উপন্যাসৰ ভাষা সহজ-সৰল হ'লে ভাল হয় বুলি কোৱাৰ দৰে এই উপন্যাসখনিও সহজ-সৰল ভাষাৰে ৰচনা কৰা হৈছে। সংগীতশিল্পী কাকলি শইকীয়াই এটি বৰগীত পৰিবেশনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক মোহিনী মোহন ডেকাই নিজৰ ভাষণত সত্ৰৰ পটভূমিত ৰচনা কৰা উপন্যাসখনৰ বিষয়ে ক'বলৈ গৈ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ উদ্ধৃতিৰে সংহতিকেইটাৰ বিষয়ে উল্লেখ কৰে। লোকশিল্পী গোলাপ বৰাই এটি গীত পৰিবেশনেৰে অধিক উজ্জীৱিত কৰি তোলা এই অনুষ্ঠানত সমজুৱাৰ ফালৰ পৰা কবি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, লেখক অশোক কুমাৰ ভট্টাচাৰ্য আৰু লেখিকাৰ সহপাঠী চাৰু বনিয়াইও বক্তব্য আগবঢ়ায়। ঔপন্যাসিক তথা আঠখনকৈ গ্ৰন্থৰ ৰচয়িতা গুণদা গোস্বামীয়ে নিজৰ অভিমত দাঙি ধৰি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এটি বিখ্যাত কবিতাৰ উদ্ধৃতিৰে কয় যে, মানুহে যিমানেই কষ্ট নাপাওক কিয় এই পৃথিৱীখন যেনেদৰে এৰি যাবলৈ নিবিচাৰে, তেনে এক পৰিবেশ-পৰিস্থিতিৰ আভাস এই উপন্যাসখনত পাঠকে বিচাৰি পাব। তেওঁ ভাষণ প্ৰসংগত ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰি উপন্যাসখনিৰ সমল সংগ্ৰহ কৰা বুলি উল্লেখ কৰে। গাম্ভীৰ্যপূৰ্ণ এই অনুষ্ঠানত অনিল কুমাৰ শৰ্মা, হিৰণ্য বল্লভ গোস্বামী, জয়ন্ত কুমাৰ বৰা, ডঃ ৰ'জলীন জাহান, উপমা মজুমদাৰ, গৌৰী বল্লভ গোস্বামী, জগন্নাথ গোস্বামী, কনক হাজৰিকা, প্ৰদীপ দেৱনাথ, মুক্তি বৰা, বৈজয়ন্তী খাউণ্ড, নিজৰা শইকীয়া, বন্তি চেতিয়া, লীনা সন্দিকৈ, পূৰবী চক্ৰৱৰ্তী সূত, দীপিকা নাথ, অমিয়া গোস্বামী, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, ৰামানন্দ গোস্বামী, চুমি বেজবৰুৱা প্ৰমুখ্যে অৰ্দ্ধ শতাধিক গণ্যমান্য লোক উপস্থিত থাকে। অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় লেখিকাৰ বোৱাৰী বন্দনা শৰ্মাই।

## উৎপাদিত মৰাপাট বিক্ৰী কৰিব নোৱাৰি মূৰে কপালে হাত দিব লগা হৈছে কৃষক সকলে

# চাপৰৰ সাপ্তাহিক বজাৰত মৰাপাট বিক্ৰী কৰিব অহা কৃষকৰ হাহাকাৰ

**অসম বাৰ্তা, চাপৰ, ১৫ ডিচেম্বৰ ঃ** মৰাপাট খেতিৰ বাবে বিশেষভাবে জনা যায় নামনি অসম। অৰ্থ্যাত নামনি অসমৰ বিভিন্ন প্ৰান্তত বৃহৎ হাৰত কৃষক সকলে উৎপাদন কৰে মৰাপাট। চৰকাৰী আঁচনিৰ লাভ নোহোৱাকৈ কৃষক সকলে বিভিন্ন উৎসৰ পৰা ঋণলৈ বিঘায় বিঘায় খেতি কৰে মৰাপাটৰ। কিন্তু সেই উৎপাদিত মৰাপাট বিক্ৰী কৰিব নোৱাৰি এতিয়া বিপাঙত পৰিছে কৃষক সমাজ। জানিব পৰা মতে অসম বংগ সীমান্তত মৰাপাট কঢ়িয়াই অনা বাহন সমূহ পশ্চিমবংগত প্ৰৱেশত বাধা আৰোপ কৰিছে অসম আৰক্ষী। যাৰ ফলত মৰাপাট ব্যৱসায়ীয়ে ক্ৰয় কৰা নাই মৰাপাট। বজাৰত মৰাপাট কৃষকে মৰাপাট বিক্ৰী কৰিবলৈ আনিছে ঠিকে কিন্তু ক্ৰেতাৰ অভাৱ। মৰাপাট বিক্ৰী কৰিব নোৱাৰি হতাশাত ভুগিছে কৃষকসকলে। কাৰোবাৰ ছোৱালীৰ বিয়া, আন কাৰোবাৰ ঋণ পৰিশোধ কৰিব লাগিব। তেনে অৱস্থাত মৰাপাট বিক্ৰী নহলে এই সকল কৃষকৰ জীৱনত যে ঘোৰ অমানিশা নামি আহিব এয়া ধ্ৰুৱ সত্য। ব্যৱসায়ী সকলে মৰাপাট সমূহ বেংগলত ৰপ্তানি কৰিব নোৱাৰা হৈছে কাৰণ অসম বংগ সীমান্তত তেখেতসকলৰ বাহন সমূহ আটক কৰি পুনৰ ওভোতাই পঠিয়াই আছে আৰক্ষীয়ে ফলত ব্যৱসায়ী সকলে মৰাপাট ক্ৰয় নকৰে বুলি জানিব দিয়ে। কিয় কি কাৰণত অসম আৰক্ষীয়ে এই পদক্ষেপ ৰহস্যৰ আৱৰ্তত। Attention কৃষি মন্ত্ৰী অতুল বৰা ডাঙৰীয়া। আপোনাৰ কৃষক আজি দিশহাৰা! আপোনাৰ সময় হবনে এইসকল কৃষকৰ মৰ্মবেদনা বুজিবলৈ।

## লেখিকা নৱনীতা গগৈক নৱোন্মেষ বঁটা ২০২৫ প্ৰদান

# বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন



**অসম বাৰ্তা, আমগুৰি, ১৫ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ অসম নাগালেণ্ড সীমান্তবৰ্তী চেলেংহাটত চাৰি বছৰ পূৰ্বে গঠন হোৱা বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীয়ে ইতিমধ্যে সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশত কাম কৰি আগুৱাই গৈছে। এই অনুষ্ঠানৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস এইবাৰ দিনযোৱা কাৰ্য্যসূচীৰে পূৱ লাহিং গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা ভাগত সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ বিষ্ণু-জ্যোতিৰ সভাপতি ৰমেন গগৈয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছতেই বিষ্ণুপ্ৰসাদ ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পূৱ যোৰহাট আঞ্চলিক পঞ্চায়তৰ সভাপতি চন্দন গগৈ আৰু পূৱ লাহিং গাঁও পঞ্চায়তৰ সভাপতি অভিজিত গগৈয়ে। তাৰ পাছতেই স্বৰ্গীয় যজ্ঞেশ্বৰ ফুকন আৰু বীৰেন শইকীয়া সোঁৱৰণী অবিভক্ত শিৱসাগৰ জিলাৰ ভিত্তিত দুটা শাখাত অনুষ্ঠিত হোৱা থলিতে বিষয় নিৰ্বাচিত চিত্ৰাংকন প্ৰতিযোগিতাৰ উদ্বোধন কৰে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়াই। চিত্ৰাংকন প্ৰতিযোগিতাত নিম্ন শাখাত সম্প্ৰীতি শইকীয়া প্ৰথম, জাগৃতি নৱমী দত্ত আৰু অংশুমান দত্ত ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। সেইদৰে উচ্চ শাখাত স্বপনজিত দত্তই প্ৰথম মৌচুমী বৰুৱা আৰু অভিৰাজ গগৈয়ে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। অন্যহাতে দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হোৱা ৰমেশ গগৈ সোঁৱৰণি সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ উদ্বোধন কৰে লেখিকা, সাহিত্যিক, শিক্ষয়িত্ৰী জুৰি শইকীয়াই। এই প্ৰতিযোগিতাত টীয়কৰ হৰিপ্ৰিয়া দিহানাম দল আৰু কালুগাঁৱৰ সত্যসন্ধ্যা দিহানাম দলে যুটীয়াকৈ প্ৰথম স্থান যোৰহাটৰ শিল্পী সমাজে দ্বিতীয় আৰু কেন্দুগুৰিৰ জয়ধ্বনি দিহানাম দলে তৃতীয় স্থান লাভ কৰে। উল্লেখযোগ্য প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰতি বছৰে দি অহা এই বৰ্ষৰ নৱোন্মেষ বঁটা ২০২৫ প্ৰদান কৰে সু-লেখিকা সাংস্কৃতিক কৰ্মী তথা চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা নৱনীতা গগৈক। এই অনুষ্ঠানত সাম্প্ৰতিক সময়ৰ জনপ্ৰিয় কবি, শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকা, নকছাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম কুমাৰ বৰুৱা, বিশিষ্ট চিকিৎসক হেমেন গগৈ, শিক্ষক পবিত্ৰ গগৈ, বিদ্যুত গগৈ, সাংস্কৃতিক কৰ্মী মুনিন্দ্ৰ গগৈকে ধৰি বহু কেইজন শিল্পী, কবি আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। তাৰ পাছতেই শীতৰ এনিশা শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ পাছতেই প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীৰ সামৰণি পৰে।

# ৰূপহীহাট আৰক্ষীৰ জালত বুজন পৰিমাণৰ ড্ৰাগছসহ সৰবৰাহকাৰী




**অসম বাৰ্তা, ৰূপহীহাট, ১৫ ডিচেম্বৰ ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিয়ান অব্যাহত আছে। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সূৰুজ দত্তই আজি পুৱাৰ ভাগত এক গোপন সূত্ৰৰ পম খেদি শালপাৰাত ড্ৰাগছৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিযানত ৪১ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ গ্ৰেপ্তাৰ কৰে এজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীজনৰ নাম ছাইদুল ইছলাম। তেজপুৰৰ ভোজখোৱা চাপৰিৰ পৰা ৰূপহীহাটৰ শালপাৰাত ড্ৰাগছ বিক্ৰি কৰিবলৈ আহি ৰূপহীহাট আৰক্ষীৰ জালত পৰে। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনক জেৰা অব্যাহত ৰাখিছে।

# ৰূপহীহাটৰ আমবাগানত বিলাতী সুৰা জব্দ

**অসম বাৰ্তা, ৰূপহীহাট, ১৫ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ আমবাগান বজাৰ আৰু দক্ষিণ ভোমোৰাগুৰিত বিলাতী সুৰাৰ বিৰুদ্ধে আৰক্ষীৰ অভিয়ান। য়োৱানিশা আমবাগান আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি আমবাগান বজাৰ আৰু দক্ষিণ ভোমোৰাগুৰিত বিলাতী সুৰাৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিয়ানত বৃহৎ পৰিমাণৰ বিলাতী সুৰা জব্দ কৰে। এই অঞ্চলসমূহত একাংশ গেলামাল আৰু পান দোকানীয়ে অবৈধ বাবে বিলাতী সুৰাৰ ৰমৰমীয়া বেহা চলাই গৈছিল। যাৰ বাবে অঞ্চলটোৰ উঠি অহা চাম বিলাতী সুৰাৰ প্ৰতি আসক্ত হৈ পৰিছিল। আৰক্ষীয়ে অভিযান চলাই কাৰ্টুনে কাৰ্টুনে বিলাতী সুৰা জব্দ কৰিলেও সুৰা বিক্ৰি কৰা কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই।

# মেৰাপানী সীমান্তত চৰাই চিকাৰক লৈ নগা-অসমীয়াৰ সংঘাত

**অসম বাৰ্তা, মেৰাপানী, ১৫ ডিচেম্বৰ ঃ** অসম নগালেণ্ডৰ গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰৰ ভেলৌগুৰি চীডফ্ৰামৰ সমিপৰ জয়পুৰ গাঁৱত আজি চৰাই চিকাৰ কৰিবলৈ অহা এটা ছয়জনীয়া নগা লোকৰ দলটোৰ লগত গাৱঁৰ ৰাইজৰ সংঘাত হোৱাত এক অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হয়। তথ্য মতে চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ পৰা এটা নগা লোকৰ দলে হাতত বন্দুক লৈ জয়পুৰ গাঁৱত চৰাই চিকাৰ কৰিবলৈ প্ৰৱেশ কৰে। নগা দলটোৱে চৰাই চিকাৰ কৰি থকা সময়তে গাওঁ খনৰ কিছু পুৰুষ মহিলা ওলাই আহি নগা দলটোক চৰাই চিকাৰত বাধা প্ৰদান কৰাত নগা দলটো উত্তেজিত হৈ অসমীয়া লোক সকলক আক্ৰমণৰ লক্ষ্য কৰি প্ৰহাৰ কৰিবলৈ ধৰে। আনহাতে গাওঁ খনৰ একাংশ ওলাই আহি নগাৰ বিৰুদ্ধে সৰৱ হৈ নগা লোক কেইজনকো আক্ৰমণ কৰে। নগা দলটোৰ বাকী কেইজন পলাই যায় যদিও দুজন নগা লোকক ৰাইজে কৰায়ত্ত কৰি ৰাখে। অৱশেষত ঘটনাৰ খবৰ পাই মেৰাপানী আৰক্ষী, নগালেণ্ড আৰক্ষী আৰু সীমান্তত নিয়োজিত চি আৰ পি এফৰ ঘটনাস্থলীত উপস্থিত হৈ ৰাইজে কৰায়ত্ত কৰি ৰখা নগা লোক দুজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে চুবুৰীয়া ৰাজ্য নগালোকৰ এনে কাৰ্যত সীমান্তৱৰ্তী ৰাইজ খৰ্গগ্ৰস্ত হৈ আৰক্ষী আৰু চি আৰ পি এফৰ বিৰুদ্ধেও প্ৰতিবাদ মুখৰ হৈ পৰিস্থিতি উত্তাল কৰি তোলে যদিও সীমান্তৰ দণ্ডাধীশ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন